

মডেল ঃ আৰাধ্যা দত্ত

শাৰদীয় সংখ্যা

অসমীয়া বৰ্ণিল

অষ্টম বৰ্ষ, সংখ্যা - ১০, অক্টোবৰ' ২০২৬

গল্প কবিতা

দুর্গাপূজা ঃ ঐতিহ্য, আধ্যাত্মিকতা আৰু সমাজ চেতনা

বিন্ধ্যৰ পৰা নীলাচললৈ প্ৰতিধ্বনি

কথাবোৰ শৰতৰ

Axomiyabornil Axomiyabornil https://axomiyabornil.blogspot.com

‘এখন কিতাপে মানুহ গঢ়ে আৰু এজোপা গছে পৃথিৱী গঢ়ে’

অসমীয়া বৰ্ণিল

ডিব্রুগড় | অষ্টম বছৰ, সংখ্যা - ১০
অক্টোবৰ' ২০২৬
Dibrugarh | Vol. VIII, Issue - 10
Oct, 2026

ভিতৰত

- শৰৎকালৰ পৰিৱর্তিত ৰূপ... | ৫

অনুভৱ

- কথাবোৰ শৰতৰ ▶ চয়নিকা ভূঞা | ৭
- দুর্গাপূজাৰ কিছু চিন্তা ▶চিত্রামণি হাজৰিকা | ৯
- শৰতৰ অনুভৱ ▶ কৰবী গগৈ দুৱৰা | ১১
- পূজাৰ নতুন কাপোৰ... ▶ মৃদুপৱন বৰগোহাঁই | ১২

গল্প

- অসম্পূর্ণ সপোন... ▶ স্মৃতি ডেকা খাউণ্ড | ৫১
- দশমীৰ বোকোচা ▶ কিশোৰ কুমাৰ কলিতা | ৫৫
- ধূলিস্যাৎ ▶ যুতিকা সভাপণ্ডিত | ৫৯
- শুভচিন্তক ▶ শতাব্দী শর্মা | ৬২

প্রবন্ধ

- দুর্গাপূজা ঐতিহ্য, আধ্যাত্মিকতা... ▶ প্রেম বৈষ্ণৱ | ১৫
- বিন্ধ্যৱ পৰা নীলাচললৈ... ▶ মণিকঙ্কণা দেৱী | ২১
- দুর্গাপূজাৰ সামাজিক আৰু... ▶ অজিত বৰুৱা | ২৭
- নৱৰাত্রি আৰু শাৰদীয় দুর্গাপূজা... ▶ উৰিশ্মা নাথ | ৩৯
- শাৰদীয় দুর্গোৎসৱ শক্তি আৰু... ▶ কল্পনা দত্ত | ৪৫

এক মিনিটৰ গল্প

- গতিৰ সিপাৰে ▶ গকুল ডেকা | ৭১
- মকৰধ্বজ ▶ মানসী শর্মা | ৭২

অন্যান্য

- মহিষমর্দিনী দুর্গতিনাশিনী | ৭৫
  ▶ প্রিয়ম ৰাগিণী
- দুর্গাপূজা আৰু কলকাতা | ৭৯
  ▶ মিতু গোস্বামী
- শৰতৰ শেৱালিৰ সুবাস... | ৮১
  ▶ শচীন্দ্র কুমাৰ দাস
- কৱম পৰব | ৮৪
  ▶ চৈয়দা তনজিয়া ৰাৰিছা আজমি

ঃঃ নিয়মীয়া শিতান ঃঃ

- কবিতা | ৪৭-৫০-৬৮-৭০
- অনুবাদ কবিতা | ৭০
- অণুগল্প | ৮৬-৮৮
- নীলা খামৰ চিঠি | ৮৯
- গ্রন্থ আলোচনা | ৯১
- নতুন মুখ | ৯৪
- ভ্রমণ কাহিনী | ১০০
- ৰেচিপি | ১০৩

উপদেষ্টা
ড° অনিল শইকীয়া
কমলজিৎ কলিতা

উপঃ সম্পাদক
সুৰভি ডেকা
ৰশ্মিৰেখা দুৱৰা
মোহিনী মোহন কলিতা

সহঃ সম্পাদক
কাব্যশ্রী বৰপাত্র
জানমণি নাথ

প্রকাশক
জীৱকান্ত ফুকন
ডিম্পল গগৈ

সদস্য/সদস্যা
সংগীতা মৰাণ
স্মৃতা শইকীয়া
ভাস্বতী ডেকা
লোচন বৰা
বিষ্ণুপ্রাণ গগৈ
মুন শর্মা

মুখ্য সম্পাদক ঃ আইলুং লাহন
সম্পাদক ঃ ডিম্পল গগৈ

ডিটিপি/অংগসজ্জা/কভাৰ ডিজাইনঃ **ডিম্পল গগৈ** | ফটো ঃ ইণ্টানেটৰ পৰা সংগ্রহ
বেটুপাতৰ মডেল ঃ **আৰাধ্যা দত্ত**

ঘোষণা ঃ

সাহিত্য আৰু সংস্কৃতিমূলক অসমীয়া মাহেকীয়া আলোচনী অসমীয়া বর্ণিলত প্রকাশিত লেখাসমূহৰ মৌলিকতাৰ দায়িত্বৰ লগতে মত আৰু বক্তব্য লেখকৰ নিজৰ। ইয়াৰ বাবে সম্পাদক নাইবা সম্পাদনা সমিতিৰ কর্তৃপক্ষ কোনোপধ্যেই দায়বদ্ধ নহয়।

সম্পাদকীয়

শৰৎকালৰ পৰিৱৰ্তিত ৰূপ আৰু গোলকীয় জলবায়ু সংকট





শৰৎকাল প্ৰকৃতিৰ এক অনন্য আৰু মনোৰম সময়। গ্ৰীষ্মৰ উত্তাপ হ্ৰাস পাই বায়ুমণ্ডলত স্নিগ্ধতা আৰু এক সমতাপীয় বাতাৱৰণ গঢ়ি উঠাটোৱেই হৈছে এই ঋতুৰ স্বাভাৱিক নিয়ম। কিন্তু জলবায়ুৰ ক্ৰমবৰ্ধমান পৰিৱৰ্তনে শৰতৰ এই প্ৰাকৃতিক সৌন্দৰ্য আৰু ভাৰসাম্যত গভীৰ আঘাত হানিছে। বৰ্তমান সময়ত শৰৎ আগমনৰ পিছতো দিন আৰু ৰাতিৰ তাপমাত্ৰা অস্বাভাৱিকভাৱে বৃদ্ধি পোৱা দেখা গৈছে। যিটো সময়ত বায়ুমণ্ডল স্নিগ্ধ আৰু আৰামদায়ক হ'ব লাগিছিল, সেই সময়তো গ্ৰীষ্মৰ দৰে অতিমাত্ৰা গৰম আৰু আৰ্দ্ৰতা অনুভৱ হোৱাটোৱে গোলকীয় উষ্ণতা বৃদ্ধিৰ স্পষ্ট দিশ প্ৰতিফলিত কৰে।

অনিয়ন্ত্ৰিত বনাঞ্চল ধ্বংস, দ্ৰুত নগৰীকৰণ, কংক্ৰিটৰ অতিৰিক্ত ব্যৱহাৰ, সেউজগৃহ গেছৰ নিৰ্গমন আৰু বায়ু প্ৰদূষণ এই পৰিৱৰ্তনৰ ঘাই কাৰক। বিশেষকৈ চহৰীয়া অঞ্চলসমূহত গজালি মেলা কংক্ৰিটৰ অৰণ্যৰ বাবে সৃষ্টি হোৱা 'Urban Heat Island' প্ৰভাৱে স্থানীয় প্ৰাকৃতিক শীতলীকৰণ ক্ষমতা নাইকিয়া কৰি পেলাইছে। ইয়াৰ কু-প্ৰভাৱ কেৱল মানুহৰ দৈনন্দিন স্বাস্থ্যতে সীমাবদ্ধ থকা নাই; কৃষি উৎপাদন, পানীৰ উৎস আৰু জৈৱ-বৈচিত্ৰ্যৰ ওপৰতো ভয়াৱহ ভাবুকি সৃষ্টি কৰিছে।

জলবায়ু সংকট মোকাবিলা কৰিবলৈ বিশ্বজুৰি ১৯৯২ চনৰ UNFCCC, ১৯৯৭ চনৰ কিঅ'টো প্ৰট'কল (Kyoto Protocol) আৰু ২০১৫ চনৰ পেৰিছ চুক্তি (Paris Agreement)-ৰ দৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। পেৰিছ চুক্তিৰ জৰিয়তে বিশ্বৰ গড় উষ্ণতা প্ৰাক-শিল্প যুগৰ তুলনাত ১.৫° চেলছিয়াছৰ ভিতৰত সীমিত ৰখাৰ যি সংকল্প গ্ৰহণ কৰা হৈছে, সি সঁচাকৈয়ে প্ৰশংসনীয়। কিন্তু কেৱল আন্তঃৰাষ্ট্ৰীয় চুক্তিতেই সমাধানৰ শেষ হ'ব নোৱাৰে; প্ৰতিখন দেশ আৰু প্ৰতিজন নাগৰিকে

নিজ নিজ স্থানৰ পৰা বনাঞ্চল সংৰক্ষণ, বৃক্ষৰোপণ, সৌৰ শক্তিৰ সম্প্রসাৰণ, জলাশয় ৰক্ষা আৰু প্লাষ্টিকৰ ব্যৱহাৰ নিয়ন্ত্রণৰ বাবে নিষ্ঠাৰে কাম কৰিব লাগিব।

আমি পাহৰি যোৱা উচিত নহয় যে পৃথিৱীখন আমি পূৰ্বপুৰুষৰ পৰা উত্তৰাধিকাৰ সূত্রে পোৱা নাই, বৰঞ্চ ভৱিষ্যৎ প্রজন্মৰ পৰাহে ধাৰলৈ লৈছোঁ। গতিকে এখন সেউজীয়া আৰু বাসযোগ্য পৃথিৱী উপহাৰ দিয়াটো আমাৰ সকলোৰে যৌথ দায়িত্ব।

শৰতৰ এই স্নিগ্ধ সময়ে আপোনালোক সকলোৰে জীৱনলৈ কঢ়িয়াই আনক মধুৰতা আৰু সকলোৰে জীৱন হৈ উঠক সুখময় তথা শান্তিময়। মা দুর্গাই আপোনালোকৰ জীৱন সুখ-সমৃদ্ধিৰে ভৰাই তোলক-তাৰেই কামনা কৰিলোঁ।

ধন্যবাদেৰে...

আইলুং লাহন
মুখ্য সম্পাদক, অসমীয়া বৰ্ণিল






কথাবোৰ শৰতৰ

— চয়নিকা ভূঞা

অনুভৱ



“আহিনমহীয়া শেৱালি সৰিলে
নিয়ৰত তিতিলে বন...।”

শাৰদীয় সময়। স্নিগ্ধ আকাশত এতিয়া শুকুলা ডাৰৰৰ নাচোন। শাৰদীয় গুণগুণিত আকাশে-বতাহে এতিয়া চৌদিশে ভালপোৱাৰ সুৰ। কেইদিনমানৰ পিছতে ধৰাৰ বুকুলৈ নামি আহিব দেৱী দুর্গা। দুর্গতিনাশিনীৰ আগমনক লৈ প্রকৃতিও ব্যস্ত।

ঋতুৰাণীক আদৰিবলৈ সকলো প্রস্তুত। প্রিয় ঋতু শৰৎ। হেঁপাহৰ সময়, আৱেগৰ সময়। পদুলিৰ শেৱালিজোপা তল ভৰি সৰিছে। ইফালে ৰাতিপুৱা নিয়ৰৰ কণিকাবোৰে তাতে সোণত সুৱগা চৰাইছে। কি যে আবেদন থকা সময়। দেহ-মন পুলকিত কৰাৰ সময়।

মন ভৰি যায়। ক’বলৈ বহু কথাই ভৰ দি ধৰে। ঠিক পদুলিৰ শেৱালিজোপাত শেৱালি ফুলে ভৰ দিয়াৰ দৰেই। বুকুত কঢ়িয়াই ফুৰা কথাবোৰো থোপা-থোপে ফুলে। কোনোবাটো যদি সপোনৰঙী আনটো আকৌ বিষাদৰঙী ৰঙেৰে পৰিপূর্ণ। একাষৰীয়াকৈ থকা কথাবোৰেও কলিজাৰ বাহিৰত শীতৰ অনুভৱ। শীতৰ প্রকোপত কথাৰ বাট হেৰায়। কিছুমান কথা





কেতিয়াবা নোকোৱাকৈও থাকি যায়। তথাপিও ভাল লাগে এই ভাল লগাবোৰ। কম কম বুলি ভাবি থাকোঁতেই বহু কথাই বাট সলায়। জীৱনৰ অর্থ বিচাৰি ফুৰোঁতে বহু সময় তেনেকৈয়ে পাৰ হৈ যায়। আধা বাটতে ৰৈ যায় বহু কাহিনী। ৰৈ থকা কাহিনীতে জন্ম হয় আন এক ব্যতিক্রমী কাহিনীৰ।

"শৰতৰে এটি সেমেকা ৰাতি
শুনিছোঁ নিয়ৰ ৰুণজুন... ।"

শৰতৰ নিয়ৰসিক্ত গধূলি। বাহিৰত জোনাকী মেলা। খিৰিকীখন খুলি দিলোঁ, চেঁচা বতাহ এছাটিয়ে দেহ-মন চুই গ'ল। বাটৰ সিপাৰৰ চতিয়না জোপাও থোপা-থোপে ফুলিছে। লোকবিশ্বাস অনুসৰি কথাবোৰ চলি থাকে আৰু আগলৈও থাকিব । জীৱনৰ কথাবোৰো তেনেকৈয়ে চলি থাকে। পোৱা-নোপোৱা বহু কথাই ক'ৰবাত ৰৈ যায়। কোনে শুনিব কোনে বুজিব ? কাৰ ক'ত ৰৈ যোৱা কত আধৰুৱা কথা। ক'ত আধৰুৱা কাহিনী।

কুঁৱলীৰ আৱৰণৰ মাজেৰে ওলাওঁ নোলাওঁকৈ দিনমণিয়ে পুৱাৰ সম্ভাষণ জনাইছে। আহিনৰ চেঁচা বতাহ ছাটিয়ে গায় যায়-

"আমোলমোল শেৱালিৰ গোন্ধ
যাওঁ বুলি যাবই নোখোজেচোন... ।"

ঋতুৰাণীক আদৰিবলৈ সকলো প্রস্তুত। প্রিয় ঋতু শৰৎ। হেঁপাহৰ সময়, আৱেগৰ সময়। পদুলিৰ শেৱালিজোপা তল ভৰি সৰিছে। ইফালে ৰাতিপুৱা নিয়ৰৰ কণিকাবোৰে তাতে সোণত সুৱগা চৰাইছে। কি যে আবেদন থকা সময়। দেহ-মন পুলকিত কৰাৰ সময়। মন ভৰি যায়। ক'বলৈ বহু কথাই ভৰ দি ধৰে। ঠিক পদুলিৰ শেৱালিজোপাত শেৱালি ফুলে ভৰ দিয়াৰ দৰেই। বুকুত কঢ়িয়াই ফুৰা কথাবোৰো থোপা-থোপে ফুলে। কোনোবাটো যদি সপোনৰঙী আনটো আকৌ বিষাদৰঙী ৰঙেৰে পৰিপূর্ণ।

অনুভৰ



দুর্গাপূজাৰ কিছু চিন্তা

— চিত্রামণি হাজৰিকা

শাৰদীয় বিশেষ

শৰৎ ঋতু উৎসৱৰ ঋতু। নাতিশীতোষ্ণ, সুন্দৰ কুঁৱলীৰ আচ্ছাদনৰ মাজতে উদযাপিত হয় ইটোৰ পিছত সিটো শাৰদীয় উৎসৱ। শাৰদীয় উৎসৱ মানেই দুর্গাপূজা। দুর্গাপূজা মানেইতো নতুন কাপোৰ, জোতা, এসোপামান ৰংচঙীয়া বেলুন, সোপা সোপা পুতলা, ৰাতি দুপৰলৈ ফুৰা-চকা, নানান মুখৰোচক খাদ্য সম্ভাৰ- এয়াই দুর্গাপূজা, নহয়নে?

আপোনাৰো সঘনাই মনলৈ প্রশ্ন এই আহেনে? পূর্বৰ দৰে এতিয়াও উৎসৱসমূহ ভাললগা হৈয়ে আছেনে? উৎসৱ বুলিয়েই এচামে উল্লাসত মত্ত হয়। আনহাতে পৰিৱেশ সচেতন মহলৰ উদ্বিগ্নতা বাঢ়ে। কিয়নো, তাহানিৰ সেই শান্ত, সৌম্যতা, আধ্যাত্মিকতা, ভক্তসকলৰ অন্তৰৰ পৰা নির্গত হোৱা দুর্গাপূজা আমি কি যে বিকৃত ৰূপ দিছোঁ। আনন্দ উপভোগত মতলীয়া এচামে উৎসৱৰ নামত কেৱল প্রাকৃতিক পৰিৱেশৰ ওপৰত অত্যাচাৰহে চলাইছে।

শৰৎ মানেই কুঁৱলী সনা, শেৱালি পৰা দুবৰি। শৰৎ আহিল, কিন্তু কুঁৱলী ক'ত? শেৱালি ফুলাৰ বতৰত এতিয়াও থমকে থমকে কৃষ্ণচূড়া ফুলিয়েই আছে। যি কৃষ্ণচূড়া প্রখৰ ৰ'দ আৰু তীব্র উষ্ণতাতহে ফুলে। শৰৎ ঋতুতো বুলি থকা কৃষ্ণচূড়াজোপাই কুঁৱলীৰ পৰশ নোপোৱা শেৱালি কেইপাহিয়েও আমাক কিবা ক'ব বিচাৰে। সেয়া শুনিবলৈ আহৰি আছেনে আমাৰ?

ৰংচঙীয়া বেলুনবোৰ দেখি ভাল লাগে। কিন্তু আমি ডাঙৰ সকলেও যে কোনো চিন্তা নকৰাকৈ পূজা বুলিয়েই এসোপামান বেলুন কিনি আনোঁ- কাৰণ দুর্গাপূজা। বিনা বেলুনত কি দুর্গাপূজা

বজাৰ আৰু ঘৰৰ পোহনীয়া হাঁহ কুকুৰা, ছাগলীকেইটাৰ কথা নক'লোৱেই যেনিবা। উৎসৱ আহিলে কাৰোঁ ৰক্ষা নাই। আকাশ, বতাহ, পানী, জীৱ-জন্তু, গছ-গছনি কোনেও ৰেহাই নেপায়। নিজৰ বাবে আনন্দ উল্লাস আজুৰি আনি প্ৰভুৰ আন আন সৃষ্টিবোৰৰ বাবে বিৰাট সংকটৰ বাট মুকলি কৰে। কোনো কোনোৱে মণ্ডপৰ সাজ-সজ্জাৰ নামত প্ৰতিযোগিতাত মগ্ন হয়। কোনো কোনোৱে বেপাৰৰ নামত, কোনোৱে খোৱাৰ, কোনোৱে উদ্দেশ্যবিহীনভাৱে ফুৰাৰ নামত পৃথিৱীৰ বাবে সংকটৰ বাট মুকলি কৰিছে। অধিক সংখ্যকৰ বাবেতো উৎসৱ মানেই অসীম আনন্দৰ জোৱাৰ।

বুলি অহৈতুক যুক্তি দৰ্শাইছো। কিন্তু পৰিৱেশৰ কথা চিন্তা কৰি বেলুন নিকিনিলেও নহ'লহেঁতেননে? কণমানিহঁতক সৰুৰে পৰাই এই কথা বুজাব নোৱাৰি জানো?

নতুন কাপোৰ, জোতাৰ অবিহনেও দুর্গাপূজা পালন কৰাৰ এই চিন্তাধাৰা প্ৰৱৰ্তন কৰাৰ সময় সমাগত। কিছুমান চিন্তাধাৰা ন-ৰূপ দিয়াৰ প্ৰয়োজন আহি পৰিছে। এসোপামান কাপোৰ থকাৰ পিছতো আপুনি বাৰু এতিয়াও নতুন নতুন কাপোৰ সংগ্ৰহ কৰিয়েই আছেনে? এযোৰ সপ্তমীত, এযোৰ অষ্টমীত আৰু এযোৰ নৱমীত। ঠিক দুর্গাপূজা সংখ্যাৰ মহিলা আলোচনীৰ ৰংচঙীয়া পৃষ্ঠাৰ দৰে নিজকে সজাব বিচাৰিছে নেকি? অনুগ্ৰহ কৰি প্ৰয়োজনাধিক সংগ্ৰহ কৰাৰ মানসিকতা ত্যাগ কৰক। কিয়নো সাংঘাতিক ধৰণে জগৰীয়া। সীমিত সংসাধনেৰেও আউল নলগাকৈ সুখী জীৱন-যাপন কৰিব পাৰি।

পৰিৱেশৰ ওপৰত প্লাষ্টিকৰ কু-প্ৰভাৱ আমি সকলোৱে জানো। সেয়েহে অভিভাৱকসকলে নিজৰ নিজৰ সন্তানক পূজাথলীলৈ নিয়াৰ আগতে এবাৰ হ'লেও ইয়াৰ বিষয়ে অৱগত কৰোৱা উচিত। এইবোৰৰ উপৰিও ভূতৰ ওপৰত দানহ পৰাদি দেৱী প্ৰতিমাত ব্যৱহৃত কৃত্ৰিম ৰঙৰ বাবে নদীবোৰেও ৰেহাই নেপায়। বজাৰ আৰু ঘৰৰ পোহনীয়া হাঁহ কুকুৰা, ছাগলীকেইটাৰ কথা নক'লোৱেই যেনিবা। উৎসৱ আহিলে কাৰোঁ ৰক্ষা নাই। আকাশ, বতাহ, পানী, জীৱ-জন্তু,

শাৰদীয় বিশেষ

গছ-গছনি কোনেও ৰেহাই নেপায়। নিজৰ বাবে আনন্দ উল্লাস আজুৰি আনি প্ৰভুৰ আন আন সৃষ্টিবোৰৰ বাবে বিৰাট সংকটৰ বাট মুকলি কৰে। কোনো কোনোৱে মণ্ডপৰ সাজ-সজ্জাৰ নামত প্ৰতিযোগিতাত মগ্ন হয়। কোনো কোনোৱে বেপাৰৰ নামত, কোনোৱে খোৱাৰ, কোনোৱে উদ্দেশ্যবিহীনভাৱে ফুৰাৰ নামত পৃথিৱীৰ বাবে সংকটৰ বাট মুকলি কৰিছে। অধিক সংখ্যকৰ বাবেতো উৎসৱ মানেই অসীম আনন্দৰ জোৱাৰ। বন্য উল্লাস। পূজা-অৰ্চনা আধ্যাত্মিকতাৰ, পৰম্পৰা, ডি জেৰ উদ্দাম নৃত্য আদিয়েই প্ৰধান। উমান নেপাওঁ, কোন দিশে ধাৱমান আমি? কৰ্মবিমুখ উৎসৱ প্ৰিয় জাতিৰ ভৱিষ্যৎ অতি ভয়াৱহ। অপ্ৰিয় হ'লেও কথাষাৰ সত্য।

মাত্ৰ কেইটামান মাহৰ আগেয়ে সমগ্ৰ দেশ গ্ৰীষ্ম প্ৰৱাহৰ কবলত আছিল। তীব্ৰ উষ্ণতাৰ বাবে সকলোৱে ত্ৰিভুৱন দেখিছিল। আনকি ইউৰোপীয় দেশবোৰৰো একেই গতি। গ্ৰীষ্ম প্ৰৱাহৰ বাবে বহুতো লোকৰ প্ৰাণহানি হয়। তদুপৰি উজনি অসম আৰু নেপালত হঠাতে হোৱা প্ৰলয়ংকাৰী বানৰ কথা ইমান সোনকালে পাহৰা অনুচিত। এতিয়া কিন্তু নিৰ্লজ্জভাৱে সকলো পাহৰি দুৰ্গা পূজাতে নহয়, দীপাৱলীতো সোপাই সোপাই ফটকা ফুটোৱাৰ পৰা বিৰত নাথাকে। এয়াই সত্য। শিক্ষিত মানুহৰ চৰম বৰ্বৰতা।

এইখিনিতে কোনোৱে হয়তো প্ৰশ্ন উত্থাপন কৰিব, পূজা বুলি অকণমান আনন্দও নকৰিব নে? কৰিব নিশ্চয় কৰিব। কিন্তু অন্যধৰণেও উদযাপন কৰিব নোৱাৰি নে? যেতিয়া বেলুন নাছিল, প্লাষ্টিক নাছিল তেতিয়াওতো দুৰ্গাপূজা পালন কৰিছিল।

ভালে থাকক, আনটো ভালে থাকিবলৈ দিয়ক। আনন্দ কৰক কিন্তু বন্য উল্লাস নহয়। শুভ দুৰ্গা পূজা।

শৰতৰ অনুভৱ

— কৰবী গগৈ দুৱৰা



প্ৰকৃতিৰ বুকুলৈ লাহে-লাহে শৰৎ আহিলে। বিনন্দীয়া শৰতে প্ৰকৃতিৰ বুকুলৈ কঢ়িয়াই আনিছে প্ৰাচুৰ্য, সুখ-শান্তিৰ বাণী। উৎসৱৰ বতৰা। পিছে সময়ৰ লগে-লগে প্ৰকৃতিয়ে ৰূপ সলাইছে। এই বিনন্দীয়া প্ৰকৃতিক আমি মানৱ জাতিয়ে আমাৰ স্বাৰ্থ সিদ্ধিৰ বাবে এফালৰ পৰা ধ্বংস কৰি আহিছো। সেয়েহে প্ৰকৃতিয়েও আমাক তাৰেই প্ৰতিশোধ লৈছে। প্ৰকৃতিয়ে আমাক



দিব বিচাৰিলেও আমি ল'বলৈ অপাৰগ। বিনিময়ত আমি প্ৰকৃতিক ধ্বংসহে কৰিছোঁ।

আজিকালি শৰৎ নিশাৰ দূবৰি বনত নিয়ৰৰ টোপালবোৰ এটি এটি মুকুতা হৈ জিলিকি নুঠা হ'ল। দূবৰিৰ দলিচাখনিত যেন কংক্রিত ধূলি-বালিৰে ছানি ধৰা হ'ল।

তথাপি শৰৎ আহিলে মনটো উৰা মাৰে তাহানিৰ শৈশৱৰ সুমুধৰ দিনবোৰলৈ। য'ত শেৱালিৰ সুবাসে চৌদিশ আমোলমোলাই আছিল। পুৱা নিয়ৰৰ কণ কণ টোপালবোৰ ৰ'দৰ তাপত এটি-এটি মুকুতা হৈ জিলিকি উঠিছিল। নৈ কাষৰ কঁহুৱাবোৰ হালিজালিকৈ নাচিছিল।

সেয়েহে শৰৎ আহিলেই আজিও বিচাৰি ফুৰো শৰতৰ জোনাক নিশাৰ স্নিগ্ধ পোহৰ, শেৱালিৰ শুভ্ৰতা, নিয়ৰসিক্ত দূবৰিৰ দলিচা। উপভোগ কৰিব বিচাৰো জোনাকৰ স'তে শেৱালি আৰু নিয়ৰৰ আলিংগনৰ নিবিড় মুহূৰ্তবোৰ। যাৰ সান্নিধ্যই অলপ হ'লেও এই যান্ত্রিকতাৰে ভৰা মনটোক জুৰ পেলায়।



শাৰদীয় বিশেষ

পূজাৰ নতুন কাপোৰৰ গোন্ধটো ক'ত হেৰাল?

— মৃদুপৱন বৰগোহাঁই

দুর্গাপূজা ওচৰ চাপিলেই চহৰখন সলনি হৈ যায়। বজাৰত ভিৰ বাঢ়ে, দোকানৰ পোহৰ উজ্জ্বল হয়, পেণ্ডেলত বাঁহ উঠে। নতুন কাপোৰৰ দোকানবোৰত মানুহৰ ব্যস্ততা বাঢ়ে। এই সকলোবোৰৰ মাজতে কেতিয়াবা মনটোৱে এটা পুৰণি প্ৰশ্ন কৰে পূজাৰ সেই নতুন কাপোৰৰ গোন্ধটো ক'ত হেৰাল? এয়া কেৱল কাপোৰৰ গোন্ধৰ কথা নহয়। এয়া এটা সময়ৰ কথা। এটা শৈশৱৰ কথা।



এটা অপেক্ষাৰ কথা।

আমাৰ শৈশৱত দুর্গাপূজা মানেই আছিল নতুন কাপোৰৰ অপেক্ষা। পূজাৰ বজাৰলৈ যোৱাৰ দিনটোও আছিল এক উৎসৱ। মা-দেউতাৰ সৈতে বজাৰলৈ গৈ দোকানৰ পিছত দোকান ঘূৰা, কাপোৰ এযোৰ পচন্দ কৰা, দাম-দৰ কৰা আৰু অৱশেষত নিজৰ পচন্দৰ কাপোৰযোৰ হাতত লৈ ঘৰলৈ উভতি অহা এই সাধাৰণ ঘটনাবোৰেই তেতিয়া আছিল অসাধাৰণ আনন্দ।

ঘৰলৈ আহি নতুন কাপোৰ পেকেটৰ পৰা উলিওৱাৰ

আজি অনলাইন বজাৰ আছে, প্ৰতিদিনেই নতুন কাপোৰ কিনাৰ সুযোগ আছে। পূজাৰ বাবে কাপোৰ কিনিবলৈ এতিয়া পূজালৈ অপেক্ষা কৰিব নালাগে। কিন্তু হয়তো সেইবাবেই অপেক্ষাটোৰ মূল্য কমি গ'ল। আগতে নতুন কাপোৰ মানে আছিল পূজাত পিন্ধিম আৰু এতিয়া নতুন কাপোৰ মানে কালিয়েই পিন্ধিব পাৰোঁ। আগতে এযোৰ নতুন কাপোৰে কেইবাদিনো আনন্দ দিছিল।



পিছত যেন সময় অলপ ৰৈ গৈছিল। এবাৰ পিন্ধি চোৱা। আইনাত নিজকে চোৱা। আকৌ যতনে ভাঁজ কৰি থোৱা।

পূজাৰ আগতে নতুন কাপোৰ পিন্ধিব নোৱাৰি এইটো যেন এক অলিখিত নিয়ম আছিল। কেতিয়াবা লুকাই লুকাই পিন্ধি চোৱা আনন্দটোও কম নাছিল। নতুন জোতাযোৰৰ কথাও বেলেগ। পূজাৰ আগদিনা জোতাযোৰ ওচৰত থৈ শুই পৰা। পুৱা উঠি প্ৰথমে সেইটো পিন্ধি চোৱা। অলপ টান হ'লেও আপত্তি নাছিল। কাৰণ সেইযোৰ আছিল পূজাৰ জোতা।





তাৰপাছত আহিছিল পূজাৰ দিন। নতুন কাপোৰ, নতুন জোতা আৰু বন্ধুৰ সৈতে পেণ্ডেললৈ যোৱাৰ উন্মাদনা। এখন পেণ্ডেলৰ পৰা আন এখন পেণ্ডেললৈ খোজকাঢ়ি যোৱা। বাটত চিনাকি মানুহ লগ পোৱা। পকেটত থকা অলপ টকাৰে ফুচকা, চাট বা আইচক্রীম খোৱা। সেই সময়ত পূজাৰ আনন্দৰ বাবে ডাঙৰ আয়োজনৰ প্রয়োজন নাছিল। এটা নতুন ছার্টেই যথেষ্ট আছিল। এযোৰ নতুন জোতাই যথেষ্ট আছিল। বন্ধুবোৰৰ সৈতে কেইঘণ্টামান ঘুৰি ফুৰাটোৱেই যথেষ্ট আছিল। সময় সলনি হ'ল।

আজি অনলাইন বজাৰ আছে, প্রতিদিনেই নতুন কাপোৰ কিনাৰ সুযোগ আছে। পূজাৰ বাবে কাপোৰ কিনিবলৈ এতিয়া পূজালৈ অপেক্ষা কৰিব নালাগে। কিন্তু হয়তো সেইবাবেই অপেক্ষাটোৰ মূল্য কমি গ'ল। আগতে নতুন কাপোৰ মানে আছিল পূজাত পিন্ধিম আৰু এতিয়া নতুন কাপোৰ মানে কালিয়েই পিন্ধিব পাৰোঁ। আগতে এযোৰ নতুন কাপোৰে কেইবাদিনো আনন্দ দিছিল। এতিয়া বহু কাপোৰৰ মাজতো কেতিয়াবা সেই একেটা আনন্দ বিচাৰি পোৱা নাযায়।

সমস্যাটো হয়তো সময়ৰ নহয়। সমস্যাটো হয়তো আমাৰ বয়সৰ। আমি ডাঙৰ হৈ গ'লোঁ। যি বয়সত এটা নতুন ছার্টেই উৎসৱৰ সংজ্ঞা আছিল, সেই বয়সটো পাৰ হৈ আহিলোঁ। এতিয়া আলমাৰিত কাপোৰ বেছি, কিন্তু অপেক্ষা কম। সেইবাবেই পূজা আহিলে আমাৰ মনত কেৱল দেৱীৰ প্রতিমা, পেণ্ডেল বা আলোকসজ্জাই নহয় উভতি আহে বহু পুৰণি মুখ, পুৰণি ঘৰ, পুৰণি বজাৰ আৰু পুৰণি দিনবোৰো।

মহালয়াৰ পুৱা চণ্ডীপাঠৰ শব্দ শুনিলেই কিয় জানো মনত পৰে সেই সময়বোৰলৈ যেতিয়া পূজাৰ আগমনী শুনি বুকুৰ ভিতৰতে এটা অদ্ভুত আনন্দ জাগিছিল। আজিও পূজা আহে। আজিও নতুন কাপোৰ কিনোঁ। আজিও পেণ্ডেলত পোহৰ জ্বলে। কিন্তু শৈশৱৰ সেই অপেক্ষাটো আৰু নাহে। হয়তো নতুন কাপোৰৰ গোন্ধটো কাপোৰৰ পৰা হেৰোৱা নাই। হেৰাইছে আমাৰ সেই বয়সটো, যি বয়সত এযোৰ নতুন কাপোৰতেই এখন সম্পূর্ণ পৃথিৱীৰ আনন্দ বিচাৰি পোৱা গৈছিল।

সেয়েহে, এই পূজাত নতুন কাপোৰ পিন্ধোতে এবাৰ নিজৰ সন্তানৰ মুখখনলৈ চাওঁ আহক। তাৰ চকুৰ আনন্দত হয়তো আমি নিজৰ হেৰাই যোৱা শৈশৱটো আকৌ এবাৰ দেখা পাম আৰু তেতিয়াই বুজিম যে পূজাৰ নতুন কাপোৰৰ গোন্ধটো কেতিয়াও হেৰুৱা নাছিল। আমি কেৱল সেই গোন্ধটো অনুভৱ কৰা বয়সটো পাৰ হৈ আহিলোঁ।

শাৰদীয় বিশেষ

দুর্গাপূজা

ঐতিহ্য, আধ্যাত্মিকতা আৰু সমাজ চেতনা

— প্ৰেম বৈষ্ণৱ



প্ৰবন্ধ

প্ৰকৃতিৰ বুকুলৈ যেতিয়া শৰতৰ স্নিগ্ধ মলয়া বতাহজাক নামি আহে, নীলা আকাশৰ বুকুত শুভ্ৰ মেঘৰ খণ্ডবোৰে লুকা-ভাকু খেলে আৰু নৈৰ পাৰত কঁহুৱা বনৰ টোৰে এক অপূৰ্ব মায়াময় পৰিৱেশৰ সৃষ্টি কৰে, তেতিয়াই মানৱ অন্তৰত অনুৰণিত হয় দেৱী দুর্গাৰ আগমনৰ মধুৰ সুৰ। শাৰদীয় দুর্গাপূজা কেৱল এটা ধর্মীয় উৎসৱ নহয়, ই হ'ল একতা, আনন্দ, ঐতিহ্য আৰু অপশক্তিৰ বিৰুদ্ধে ন্যায়ৰ চিৰন্তন বিজয়ৰ প্ৰতীক। ভাৰতীয় সনাতন সংস্কৃতিৰ বুকুত এই উৎসৱটো যুগ-যুগান্তৰৰ পৰা আধ্যাত্মিক সাধনাৰ এক সর্বোচ্চ প্ৰকাশ হিচাপে পৰিগণিত হৈ আহিছে। শৰতৰ পুৱাৰ নিয়ৰসিক্ত শেৱালি ফুলৰ সুবাস, পুৰোহিতৰ কাৰুণ্যপূর্ণ মন্ত্রোচ্চাৰণ, ধূপ-ধূনাৰ সুগন্ধি আৰু ঢাক-ঢোলৰ ছন্দোময় ধ্বনিয়ে সমগ্ৰ বতাহক পবিত্ৰ আৰু আনন্দময় কৰি তোলে। মানুহৰ দৈনন্দিন জীৱনৰ ক্লান্তি, বিষাদ, সংঘাত আৰু জড়তাক আঁতৰাই নতুন আশা আৰু প্ৰাণচঞ্চলতা কঢ়িয়াই অনাৰ বাবেই দুর্গাপূজা সমগ্ৰ বিশ্বৰ প্ৰতিজন সনাতন ধর্মাৱলম্বী মানুহৰ বাবে এক মহোৎসৱ। এই পূজাৰ প্ৰতিটো আচাৰ-অনুষ্ঠানৰ আঁৰত নিহিত হৈ আছে গভীৰ দার্শনিক সত্য, যিয়ে মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আৰু

শাৰদীয় বিশেষ

নিষ্ঠুৰতাৰ পৰা মানৱতালৈ ধাৱমান হ'বলৈ প্ৰেৰণা যোগায়। এনে এক সৰ্বজনীন, ঐতিহ্যমণ্ডিত আৰু আত্মশুদ্ধিৰ পবিত্ৰ পৰ্বৰ স্বৰূপ আৰু ইয়াৰ সামাজিক গুৰুত্ব গভীৰভাৱে অনুধাৱন কৰাটো আমাৰ সকলোৰে বাবে অপৰিহাৰ্য।

ঐতিহাসিক পটভূমি আৰু পৌৰাণিক আখ্যান -

দুৰ্গাপূজাৰ ইতিহাস অত্যন্ত প্ৰাচীন আৰু ইয়াৰ শিপা বৈদিক যুগৰ পৰা আৰম্ভ কৰি পু�ৰাণ আৰু মহাকাব্যসমূহলৈকে বিস্তৃত হৈ আছে। মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত "দেৱী মাহাত্ম্যম" বা শ্ৰীশ্ৰীচণ্ডীত দেৱী দুৰ্গাৰ মহিমা অতি সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে। পৌৰাণিক কাহিনী অনুসৰি, এবাৰ মহিষাসুৰ নামৰ এজন পৰাক্ৰমী অসুৰে ব্ৰহ্মাৰ পৰা বৰ লাভ কৰি ত্ৰিভুৱন জয় কৰিছিল। কোনো পুৰুষ বা দেৱতাই তাক বধ কৰিব নোৱাৰিব বুলি গৰ্বত অন্ধ হৈ সি স্বৰ্গৰ দেৱতাসকলক খেদি পঠিয়াইছিল আৰু ধৰ্ম-ন্যায় বিনষ্ট কৰি এক বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। দেৱতাসকলে উপায়হীন হৈ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ শৰণাপন্ন হয়। তেতিয়া সমস্ত দেৱতাসকলৰ ক্ৰোধ আৰু তেজৰ মিলন ঘটি এক পৰম অপূৰ্ব শক্তিৰ আৱিৰ্ভাৱ ঘটে, যিয়েই হ'ল আদিশক্তি মা দুৰ্গা। প্ৰতিজন দেৱতাই তেওঁলোকৰ নিজ নিজ অস্ত্ৰ-শস্ত্ৰ দেৱীৰ হাতত অৰ্পণ কৰিলে। তাৰ পাছত দেৱীয়ে সিংহবাহিনী হৈ মহিষাসুৰৰ বিৰুদ্ধে ন দিন ধৰি ভয়ংকৰ যুদ্ধ কৰি দশম দিনত সেই অসুৰক বিনাশ কৰে আৰু সংসাৰত শান্তি পুনৰ প্ৰতিষ্ঠা কৰে। সেইবাবেই দেৱীক "মহিষাসুৰমৰ্দিনী" বুলি জনা যায়।

আনহাতে, বাল্মীকি ৰামায়ণ আৰু কৃত্তিবাসী ৰামায়ণত দুৰ্গাপূজাৰ আন এটা তাৎপৰ্যপূৰ্ণ কাহিনী পোৱা যায়। পূৰ্বতে দুৰ্গাপূজা বসন্ত কালত অনুষ্ঠিত হৈছিল, যাক বাসন্তী পূজা বোলা হয়। কিন্তু ত্ৰেতাযুগত লংকাধিপতি ৰাৱণক বধ কৰি সীতা উদ্ধাৰ কৰাৰ উদ্দেশ্যে ভগৱান শ্ৰীৰামচন্দ্ৰই শৰৎ কালতেই দেৱী দুৰ্গাৰ বিশেষ আৰাধনা কৰিছিল। অকালত এই পূজা অনুষ্ঠিত কৰা বাবে ইয়াক "অকালবোধন" বুলি কোৱা

শৰৎ আৰু দুৰ্গাপূজা পৰস্পৰৰ লগত ওতপ্ৰোতভাৱে জড়িত। বৰ্ষাৰ ঘনঘোৰ মেঘ আৰু কদৰ্য বৰষুণৰ অন্ত পৰাৰ পাছত শৰতৰ আগমন ঘটে। শৰতৰ স্নিগ্ধ জোনাক ৰাতি, শীতল মলয়া আৰু নদীৰ বালিসূতিত ফুলা কঁহুৱা ফুলৰ শুভ্ৰতাই এক অপূৰ্ব ধৰ্মীয় আৰু প্ৰাকৃতিক উন্মাদনাৰ সৃষ্টি কৰে। অসম আৰু সমগ্ৰ পূব ভাৰতত এই সময়ছোৱাত শেৱালি ফুলৰ সুবাসে চৌপাশ সুবাসিত কৰি তোলে।



শাৰদীয় বিশেষ

হয়। ৰামচন্দ্রই নীলপদ্ম অর্পণ কৰি দেৱীক সন্তুষ্ট কৰিছিল আৰু দেৱীৰ কৃপাত ৰাৱণক পৰাস্ত কৰি ধর্মৰ পুনৰুদ্ধাৰ কৰিছিল। এইদৰে পৌৰাণিক যুগত সৃষ্টি হোৱা অন্যায়ৰ বিনাশ আৰু সত্যৰ প্রতিষ্ঠাৰ বাণীয়ে আজিও দুর্গাপূজাৰ মাধ্যমেৰে আমাৰ মাজত সঞ্জীৱিত হৈ আছে।

দেৱী দুর্গাৰ স্বৰূপ আৰু প্রতীকী তাৎপর্য-

দেৱী দুর্গাৰ মৃণ্ময়ী মূর্তিটো কেৱল এক কল্পিত অৱয়ব নহয়, ই এক গভীৰ দার্শনিক তত্ত্বৰ মূর্ত প্রতীক। মা দুর্গাৰ দশভুজা অর্থাৎ দহখন হাত থাকে। এই দহখন হাতে দহোটা দিশৰ পৰা সৃষ্টি হোৱা অপশক্তি আৰু সংকটক ৰক্ষা কৰাৰ সামর্থ্যক বুজায়। দেৱীৰ হাতত থকা ত্রিশূল, চক্র, ধনু-কাঁড়, তৰোৱাল আদি প্রতিটো অস্ত্রই মানুহৰ মনত থকা কাম, ক্রোধ, লোভ, মোহ, মদ আৰু মাৎসর্যৰ দৰে ষড়ৰিপুক দমন কৰাৰ প্রতীক। দেৱীৰ বাহন সিংহ হ'ল সাহস, শৌর্য আৰু পৰাক্রমৰ প্রতীক। দেৱীৰ পদতলত থকা মহিষাসুৰ হ'ল অজ্ঞানতা, অহংকাৰ আৰু পাশৱিক প্রবৃত্তিৰ প্রতীক। যেতিয়া দিব্যশক্তিয়ে পশু শক্তিক দমন কৰে, তেতিয়াই জীৱাত্মাৰ মুক্তি সম্ভৱ হয়।

মা দুর্গাৰ লগত তেওঁৰ চাৰি সন্তান ক্রমে লক্ষ্মী, সৰস্বতী, কার্তিক আৰু গণেশ অধিষ্ঠিত থাকে। দেৱী লক্ষ্মী ধন-ধান্য আৰু সমৃদ্ধিৰ প্রতীক, দেৱী সৰস্বতী জ্ঞান, বিদ্যা আৰু কলাৰ প্রতীক, কার্তিক শৌর্য আৰু যুদ্ধবিদ্যাৰ প্রতীক আৰু সিদ্ধিদাতা গণেশ জ্ঞান, বুদ্ধি আৰু শুভ আৰম্ভণিৰ প্রতীক। এই পঞ্চশক্তিৰ সমন্বয়ে বুজায় যে এখন সুখী আৰু শান্তিপূর্ণ সমাজ গঢ়িবলৈ হ'লে সমৃদ্ধি, জ্ঞান, শক্তি আৰু শুভ বুদ্ধিৰ সমিলমিল অত্যন্ত প্রয়োজনীয়। এই মূর্তিয়ে আমাক এটা পৰিয়াল আৰু এখন সমাজৰ মাজত একতা আৰু ভাৰসাম্য বজাই ৰখাৰ এক মহৎ শিক্ষা প্রদান কৰে।

শৰতৰ প্রকৃতি আৰু পূজাৰ আগমন-

শৰৎ আৰু দুর্গাপূজা পৰস্পৰৰ লগত ওতপ্রোতভাৱে জড়িত। বর্ষাৰ ঘনঘোৰ মেঘ আৰু কদর্য বৰষুণৰ অন্ত পৰাৰ পাছত শৰতৰ আগমন ঘটে। শৰতৰ স্নিগ্ধ জোনাক ৰাতি, শীতল মলয়া আৰু নদীৰ বালিসূতিত ফুলা কঁহুৱা ফুলৰ শুভ্রতাই এক অপূর্ব ধর্মীয় আৰু প্রাকৃতিক উন্মাদনাৰ সৃষ্টি কৰে। অসম আৰু সমগ্র পূব ভাৰততে এই সময়ছোৱাত শেৱালি ফুলৰ সুবাসে চৌপাশ সুবাসিত কৰি তোলে। পুৱাৰ কুঁৱলী ফালি ওলোৱা কোমল ৰ'দে মানুহৰ মনলৈ এক অপাৰ আনন্দ লৈ আহে। গ্রাম্য জীৱনৰ পৰা আৰম্ভ কৰি চহৰীয়া পৰিৱেশলৈকে সকলোতে কেৱল এক উৎসৱমুখী প্রস্তুতি দেখা যায়। শিপিনীসকলে তাঁতশালত নতুন কাপোৰ বোৱে, ব্যৱসায়ীসকলে দোকান-পোহাৰ সজাই তোলে আৰু



মৃৎশিল্পীসকলে কেইবামাহো পূর্বৰ পৰাই নিজৰ শিল্পকর্মৰে দেৱীৰ সুন্দৰ প্রতিমাসমূহ নির্মাণ কৰাত আত্মনিয়োগ কৰে। শৰতৰ এই মনোৰম পৰিৱেশে পূজাৰ আনন্দক দুগুণ কৰি তোলে।

পূজাৰ বিভিন্ন পর্ব আৰু নীতি-নিয়ম-

দুর্গাপূজাৰ ধর্মীয় ক্রমটো কেইবাটাও পবিত্র পর্বত বিভক্ত। পূজাৰ সূচনা হয় "মহালয়া"ৰ জৰিয়তে। মহালয়াৰ দিনা পূর্বপুৰুষসকলৰ উদ্দেশ্যি তর্পণ কৰা হয় আৰু দেৱীক মর্ত্যলৈ আহ্বান জনোৱা হয়। আকাশবাণীৰ জৰিয়তে সম্প্রচাৰিত বীৰেন্দ্রকৃষ্ণ ভদ্রৰ কণ্ঠৰ "মহিষাসুৰমর্দিনী"ৰ পবিত্র চণ্ডীপাঠে প্রতিজন ভক্তৰ অন্তৰত দেৱীৰ আগমনৰ বার্তা কঢ়িয়াই আনে।

ইয়াৰ পাছত আৰম্ভ হয় মূল পূজাৰ ষষ্ঠী তিথি। ষষ্ঠীৰ দিনা দেৱীৰ বোধন, আমন্ত্রণ আৰু অধিবাস কৰা হয়। বেল গছৰ তলত দেৱীৰ প্রাণপ্রতিষ্ঠা কৰাৰ এই নিয়মক "বিল্ববোধন" বোলে। সপ্তমীৰ দিনা পুৰা নৱপত্রিকা অর্থাৎ কলগছসহ নবিধ শস্য আৰু উদ্ভিদক দেৱীৰ ৰূপত স্নান কৰাই মণ্ডপত প্রতিষ্ঠা কৰা হয়। ই প্রকৃতি আৰু পৰিৱেশৰ প্রতি মানুহৰ শ্রদ্ধাৰ এক অনন্য প্রতীক। মহাষ্টমী পূজাৰ দিনটো আটাইতকৈ গুৰুত্বপূর্ণ। এই দিনা দেৱীক বিশেষ ভোগ আৰু আৰতিৰে আৰাধনা কৰা হয়। অষ্টমী আৰু নৱমীৰ সন্ধিক্ষণত অনুষ্ঠিত হয় "সন্ধিপূজা", য'ত দেৱী চামুণ্ডাৰ ৰূপত আৰির্ভাৱ হৈ চণ্ড আৰু মুণ্ড নামৰ অসুৰক নিধন কৰিছিল বুলি বিশ্বাস কৰা হয়। মহাষ্টমীৰ আন এটা আকর্ষণীয় অনুষ্ঠান হ'ল "কুমাৰী পূজা", য'ত সৰু কন্যাক দেৱীৰ জীৱন্ত স্বৰূপ হিচাপে পূজা কৰা হয় আৰু নাৰী শক্তিক সর্বোচ্চ সন্মান জনায়। নৱমীৰ দিনা হোম-যজ্ঞ আৰু বলিদানৰ জৰিয়তে পূজাৰ সামৰণি পর্বৰ প্রস্তুতি চলোৱা হয়। শেষত আহে বিজয়া দশমী। দশমীৰ দিনা দেৱীৰ বিসর্জন দিয়া হয়। দেৱীক বিদায় দিওঁতে ভক্তসকলৰ চকু অশ্রুসিক্ত হৈ পৰে। দেৱীৰ মূর্তি নদীত বিসর্জন দিয়াৰ পাছত আৰম্ভ হয় শুভেচ্ছা বিনিময়ৰ পর্ব, য'ত কনিষ্ঠসকলে জ্যেষ্ঠসকলক সেৱা জনায় আৰু জ্যেষ্ঠসকলে আশীর্বাদ কৰে।

সমাজ জীৱনত দুর্গাপূজাৰ সাংস্কৃতিক আৰু অর্থনৈতিক প্রভাৱ-

দুর্গাপূজা কেৱল মন্দিৰ বা ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ ধর্মীয় কর্মকাণ্ড নহয়, ই এক সর্বজনীন সামাজিক আৰু সাংস্কৃতিক মহোৎসৱ। এই পূজাই জাতি, ধর্ম, বর্ণ আৰু ভাষাৰ সকলো সংকীর্ণ ভেদাভেদ পাহৰাই মানুহক একতাৰ ডোলেৰে বান্ধি ৰাখে। পূজাৰ দিনকেইটাত ধনী-দুখীয়াৰ কোনো ব্যৱধান নাথাকে। সকলোৱে একেলগে শাৰী পাতি দেৱী দর্শন কৰে, ভোগ গ্রহণ কৰে আৰু আনন্দ উল্লাসত অংশ লয়। মণ্ডপে মণ্ডপে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, যেনে- নৃত্য, নাটক, সংগীত



শাৰদীয় বিশেষ

আৰু আলোচনা চক্ৰ অনুষ্ঠিত হয়, যিয়ে সমাজৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশক ত্বৰান্বিত কৰে।

অৰ্থনৈতিক দিশৰ পৰাও দুৰ্গাপূজাৰ তাৎপৰ্য অপৰিসীম। এই উৎসৱক কেন্দ্ৰ কৰি কোটি কোটি টকাৰ ব্যৱসায়-বাণিজ্য সম্পন্ন হয়। মৃৎশিল্পী, তাঁতী, বস্ত্ৰ ব্যৱসায়ী, ফুল বিক্ৰেতা, আলোকসজ্জা শিল্পী, ঢুলীয়া আৰু সৰু-বৰ সকলো শ্ৰেণীৰ ব্যৱসায়ীৰ বাবে এই সময়ছোৱা উপাৰ্জনৰ এক সোণালী সুযোগ। গ্ৰামাঞ্চলৰ অৰ্থনীতিতো ই এক নতুন গতিশীলতা আনি দিয়ে। বহু দৰিদ্ৰ পৰিয়ালে এই সময়তে উপাৰ্জন কৰা ধনেৰে গোটেই বছৰটোৰ অভাৱ-অনাটন জোৰা মাৰে। গতিকে আধ্যাত্মিক পৰিতুষ্টিৰ উপৰি সমাজৰ অৰ্থনৈতিক চালিকাশক্তি হিচাপেও দুৰ্গাপূজাই এক সক্ৰিয় ভূমিকা পালন কৰে।

অসমৰ পটভূমিত দুৰ্গাপূজাৰ ঐতিহ্য আৰু স্বকীয়তা-

অসমত দুৰ্গাপূজাৰ ইতিহাস অতি গৌৰৱোজ্জ্বল আৰু প্ৰাচীন। শক্তিপীঠ কামাখ্যা দেৱালয়ক সমগ্ৰ বিশ্বৰ তন্ত্ৰ আৰু শক্তিসাধনাৰ প্ৰাণকেন্দ্ৰ বুলি গণ্য কৰা হয়। কামাখ্যাত দুৰ্গাপূজা অত্যন্ত নিষ্ঠা আৰু প্ৰাচীন তান্ত্ৰিক পৰম্পৰাৰে অনুষ্ঠিত হয়, য'ত নৱৰাত্ৰিৰ বিশেষ মহিমা দেখা যায়। তদুপৰি ঐতিহাসিকভাৱে কোচ ৰজা বিশ্বসিংহ, নৰনাৰায়ণ আৰু চিলাৰায়ৰ পৃষ্ঠপোষকতাত অসমত দুৰ্গাপূজাই এক বিশেষ ৰূপ লাভ কৰিছিল। কোচবিহাৰৰ দৰে গোৱালপাৰা আৰু ধুবুৰী অঞ্চলত ঐতিহাসিক ৰাজকীয় পূজাৰ ঐতিহ্য আজিও সংৰক্ষিত হৈ আছে। আহোম ৰজা প্ৰতাপসিংহ, ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ দিনতো ৰাজকীয় পৃষ্ঠপোষকতাত জয়সাগৰৰ দেৱীদ'ল আৰু অন্যান্য স্থানত দুৰ্গাপূজা জাকজমকতাৰে অনুষ্ঠিত হৈছিল।

বৰ্তমান সময়ত অসমৰ চহৰে-নগৰে, বিশেষকৈ গুৱাহাটী, শিলচৰ, ডিব্ৰুগড়, যোৰহাট, তেজপুৰ আদি স্থানত ৰাজহুৱা দুৰ্গাপূজাবোৰ অত্যন্ত উলহ-মালহেৰে অনুষ্ঠিত হয়। অসমৰ দুৰ্গাপূজাৰ এক বিশেষত্ব হ'ল ইয়াৰ শান্তিপূৰ্ণ আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ পৰিৱেশ। হিন্দু, মুচলমান আৰু অন্যান্য জনগোষ্ঠীয় লোকসকলে মিলি পূজা পৰিচালনা সমিতিত কাম কৰা আৰু সকলোৱে মিলি পূজাৰ আনন্দ উপভোগ কৰা দৃশ্যই অসমীয়া সমাজৰ সমন্বয় আৰু ভাতৃত্ববোধক বিশ্বৰ দৰবাৰত তুলি ধৰে।

আধুনিকতাৰ পৰশ আৰু সচেতনতাৰ প্ৰয়োজনীয়তা-

আধুনিক বিজ্ঞান-প্ৰযুক্তি আৰু পশ্চিমীয়া ভোগবাদী সংস্কৃতিৰ প্ৰভাৱত বৰ্তমান দুৰ্গাপূজাৰ বাহ্যিক ৰূপত বহুখিনি পৰিৱৰ্তন ঘটিছে। আজিকালি পূজাত আকাশলংঘী বাজেট, বিশাল আকৰ্ষণীয় থিমৰ মণ্ডপ আৰু চমকপ্ৰদ আলোকসজ্জাৰ প্ৰতিযোগিতা দেখা যায়। আধুনিকতাৰ এই স্পৰ্শই উৎসৱটোক দৃষ্টিসুখকৰ কৰি তুলিলেও, বহু সময়ত ইয়াৰ প্ৰকৃত আধ্যাত্মিক





আৰু শান্তিপূর্ণ ভাবধাৰা ম্লান পৰাৰ আশংকা থাকে। পূজা মণ্ডপসমূহত হোৱা অতিমাত্রা শব্দ প্রদূষণ, প্লাষ্টিক আৰু অবিকল থার্মকলৰ অপব্যৱহাৰ, আৰু নদীৰ পানীত ৰাসায়নিক ৰংযুক্ত প্রতিমা বিসর্জনৰ ফলত হোৱা পৰিৱেশ প্রদূষণ বর্তমান সময়ৰ এক জ্বলন্ত সমস্যা হৈ পৰিছে।

সেইবাবেই আজিৰ সচেতন নাগৰিক হিচাপে আমাৰ দায়িত্ব হৈছে দুর্গাপূজাক এক পৰিৱেশ-অনুকূল উৎসৱ হিচাপে গঢ়ি তোলা। কেৱল মাটি আৰু প্রাকৃতিক ৰং ব্যৱহাৰ কৰি প্রতিমা নির্মাণ কৰা, প্লাষ্টিকৰ ব্যৱহাৰ সম্পূর্ণ বর্জন কৰা আৰু নির্দিষ্ট আবদ্ধ স্থানত প্রতিমা বিসর্জন দিয়াৰ ব্যৱস্থা কৰা উচিত। পূজাৰ নামত কৰা অতিৰিক্ত অপব্যয় হ্রাস কৰি সেই ধনেৰে সমাজৰ অনাথ, দুখীয়া আৰু চিকিৎসাধীন লোকসকলৰ সেৱা কৰিলেহে দুর্গাপূজাৰ প্রকৃত উদ্দেশ্য সার্থক হ'ব। আড়ম্বৰতকৈ আন্তৰিক ভক্তি আৰু সামাজিক দায়বদ্ধতাহে এই পূজাৰ মূল নীতি হোৱা উচিত।

শাৰদীয় দুর্গাপূজা হ'ল মানৱ সভ্যতাৰ ইতিহাসত শুভ শক্তিৰ অপৰাজেয় উত্থান আৰু অশুভ শক্তিৰ চৰম পৰাজয়ৰ এক চিৰন্তন স্মাৰক। এই মহোৎসৱে কেৱল এটা পৌৰাণিক যুদ্ধৰ কথা সোঁৱৰাই দিয়াৰ লগতে প্রতিজন মানুহৰ হৃদয়ৰ ভিতৰত অহৰহ চলি থকা ভাল আৰু বেয়াৰ সংগ্রামখনৰ কথা মনত পেলাই দিয়ে। মহিষাসুৰ বাহিৰত নহয়, আমাৰ মনৰ ভিতৰতে হিংসা, বিদ্বেষ, অহংকাৰ, লোভ, নাৰীৰ প্রতি কু-দৃষ্টি আৰু পশুত্বৰ ৰূপত বাস কৰে। এই সকলো অন্তর্নিহিত কু-প্রবৃত্তিক জ্ঞান, ভক্তি, সদাচাৰ আৰু আত্মনিয়ন্ত্রণৰূপী অস্ত্রৰে বিনাশ কৰাটোহে দুর্গাপূজাৰ সর্বোচ্চ আধ্যাত্মিক আহ্বান। যেতিয়ালৈকে আমি নিজৰ মনৰ পৰা এই আসুৰিক মানসিকতা দূৰ কৰিব নোৱাৰিম, তেতিয়ালৈকে দেৱীৰ প্রতিমাৰ সন্মুখত কৰা কোটি কোটি টকাৰ আৰাধনাও অর্থহীন হৈ ৰ'ব।

দেৱী দুর্গা হ'ল নাৰী শক্তিৰ সর্বোচ্চ প্রকাশ। আজিৰ সমাজত নাৰীৰ সুৰক্ষা, মর্যাদা আৰু স্বাৱলম্বিতা সুনিশ্চিত কৰাটোহে হ'ব দেৱীৰ প্রকৃত পূজা। দেৱী যেনেকৈ মাতৃৰূপিণী, তেনেকৈয়ে তেওঁ সংহাৰকাৰিণী। তেওঁৰ পূজাৰ মাধ্যমেৰে আমি সমাজৰ পৰা সকলো অন্যায়, অবিচাৰ, ধর্মীয় সংকীর্ণতা আৰু শোষণক বিনাশ কৰি এখন সাম্য, মৈত্রী আৰু প্রেমপূর্ণ সমাজ গঢ়াৰ সংকল্প গ্রহণ কৰিব লাগিব। বিজয়া দশমীৰ পবিত্র মুহূর্তত প্রতিমা বিসর্জন দিলেও দেৱীৰ শান্তিদায়ী আশীর্বাদ আৰু মহান নীতিশিক্ষাবোৰ যেন আমাৰ অন্তৰত আজীৱন জীয়াই থাকে, সেয়াই হওক আমাৰ একমাত্র প্রার্থনা। শৰতৰ এই পবিত্র আলোকে সমগ্র ধৰাৰ অন্ধকাৰ দূৰ কৰি সকলোৰে জীৱনলৈ সুখ, শান্তি, সমৃদ্ধি আৰু ভাতৃত্ববোধ কঢ়িয়াই আনক, সেয়াই দুর্গাপূজাৰ চিৰন্তন বার্তা।



শাৰদীয় বিশেষ

প্রবন্ধ

বিন্ধ্যৰ পৰা নীলাচললৈ প্রতিধ্বনি

দেৱী দুর্গাৰ বিস্তৃত উৎপত্তি আৰু গুহ্য তান্ত্রিক গাঁথা

— মণিকঙ্কণা দেৱী



অসমৰ শৰতৰ আকাশখন ঢোল আৰু ঢাকৰ মাদকতাপূর্ণ ছন্দেৰে মুখৰিত হোৱাৰ বহু আগতেই, আৰু বতাহজাক কর্পূৰ, ধূনা আৰু নিশা ফুলা শেৱালিৰ সুবাসেৰে গধুৰ হৈ পৰাৰ বহু পূর্বেই, দেৱীৰ বাসস্থান কোনো বিশাল মণ্ডপ বা সজাই তোলা চোতালত নাছিল; বৰঞ্চ আছিল প্রাচীন অৰণ্যৰ ছাঁৰে আৱৰা, দুর্গম গভীৰতাত। আধুনিক কালৰ দুর্গাপূজাৰ উদযাপন, ইয়াৰ চমকপ্রদ পোহৰ, নিটোল মৃণ্ময় মূর্তি আৰু সামূহিক উল্লাস— এই সকলোবোৰ এক তুলনামূলকভাৱে সাম্প্রতিক সংযোজন, যি এক আদিম, প্রায় বিস্তৃত ভেটিৰ ওপৰত গঢ় লৈ উঠিছে। দেৱী দুর্গা আৰু তেওঁক আৱাহন কৰা ৰীতি-নীতিবোৰ প্রকৃত অর্থত বুজিবলৈ হ'লে, হাজাৰ হাজাৰ বছৰৰ ধর্মীয় আৱৰণ ফালি ভাৰতীয় উপমহাদেশৰ সেই কুঁৱলীসনা প্রাচীন ইতিহাসলৈ উভতি চাব লাগিব, য'ত আদিম জনজাতীয় অধিবাসীসকলৰ ভয়, জীৱন-সংগ্রাম আৰু প্রকৃতিৰ প্রতি থকা শ্রদ্ধাৰ পৰাই মাতৃগৰাকীৰ প্রথম জন্ম হৈছিল।

মার্কণ্ডেয় পুৰাণ আৰু দেৱী মাহাত্ম্যৰ সুমধুৰ শ্লোকবোৰৰো আগৰ দেৱীৰ উৎপত্তিৰ সন্ধান কৰিলে আমি তেওঁক হিন্দু দেৱমণ্ডলৰ এগৰাকী স্বর্ণৱর্ণ, হাস্যমুখী মাতৃৰ ৰূপত নেপাওঁ; বৰঞ্চ পাওঁ প্রাচীন পর্বতমালাই আগুৰা দুর্গম অঞ্চলত বসবাস কৰা শৱৰ আৰু পুলিন্দ জনজাতিৰ

এগৰাকী ভয়ংকৰ, কৃষ্ণকায়া দেৱীৰ ৰূপত। প্ৰাচীন গ্ৰন্থসমূহত কেতিয়াবা এই ৰহস্য প্ৰকাশ পায়, য'ত তেওঁক 'বিন্ধ্যবাসিনী' অৰ্থাৎ বন্য ভূমিত বাস কৰাগৰাকী বুলি উল্লেখ কৰা হৈছে। প্ৰাথমিক অৱস্থাত তেওঁক চিকাৰী আৰু অৰণ্যবাসীসকলে মাংস, তেজ আৰু থলুৱা সুৰাৰে পূজা কৰিছিল। তেওঁ আছিল বন্য প্ৰকৃতিৰ এক জীৱন্ত ৰূপ— এক ভয়ংকৰ শক্তিস্বৰূপা, যাক সান্ত্বনা দিয়াৰ সলনি সন্তুষ্ট কৰাটোহে বেছি প্ৰয়োজন আছিল। তেজপিয়া এই জনজাতীয় অৰণ্য দেৱীগৰাকী লাহে লাহে কিদৰে দহখন হাত থকা, মহিষাসুৰমৰ্দিনীলৈ ৰূপান্তৰিত হ'ল, সেয়া মানৱ ইতিহাসৰ ধৰ্মীয় সমন্বয়ৰ এক আটাইতকৈ চমকপ্ৰদ আৰু ৰহস্যময় অধ্যায়। পৰৱৰ্তী সময়ত জনজাতীয় দেৱীগৰাকীক বিলুপ্ত কৰা নহ'ল; ৰৱঞ্চ তেওঁক সুন্দৰ ৰূপত পোছাক পিন্ধাই বৈদিক দেৱতাসকলৰ অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত কৰি গ্ৰহণ কৰা হ'ল, তথাপিও তেওঁৰ সেই বন্য, অদম্য সত্তাটো আধুনিক পূজাৰ গুহ্য ৰীতি-নীতিৰ মাজত আজিও সুপ্ত হৈ আছে।

দেৱীৰ এই প্ৰাচীন, মাটিৰ সৈতে সম্পৰ্কিত বাস্তৱতা নৱপত্ৰিকা পূজাৰ ৰীতিৰ মাজত আটাইতকৈ শক্তিশালীভাৱে সংৰক্ষিত হৈ আছে, যি মাটিৰ মূৰ্তি নিৰ্মাণৰো বহু আগৰ পৰম্পৰা। নৈৰ পা�ৰৰ মাটিৰে তেওঁৰ সুন্দৰ ৰূপটো গঢ়ি তোলাৰ শিল্প আয়ত্ত কৰাৰ আগতে, দেৱীক পৃথিৱীৰ উদ্ভিদৰ মাজতেই আৱাহন কৰা হৈছিল। নৱপত্ৰিকা হৈছে নবিধ নিৰ্দিষ্ট উদ্ভিদৰ এক সমষ্টি, যাক বগা অপৰাজিতাৰ লতা আৰু হালধীয়া সূতাৰে বান্ধি, ৰঙা পাৰিৰ বগা মেখেলা বা শাৰী পিন্ধোৱা হয়। আধুনিক কালৰ ভক্তসকলে প্ৰায়ে এই উদ্ভিদৰ সমষ্টিক কোনো সাধাৰণ দেৱী বা গণেশৰ পত্নী বুলি ভুল কৰে, কিন্তু প্ৰকৃততে ই হৈছে দুৰ্গাৰ আটাইতকৈ প্ৰাচীন ভৌতিক প্ৰকাশ। এই নবিধ উদ্ভিদ— কল, কচু, হালধি, জয়ন্তী, বেল, ডালিম, অশোক, মানকচু আৰু ধান— দেৱীৰ নটা ৰূপৰ প্ৰতীক। ইয়াৰ পৰাই দুৰ্গাপূজাৰ আটাইতকৈ গভীৰ, আটাইতকৈ গোপন সত্যটো উন্মোচিত হয়: ইয়াৰ মূলতঃ এক প্ৰাচীন কৃষিকেন্দ্ৰিক শস্য উৎসৱ। ই হৈছে উদ্ভিদ, উৰ্ৱৰতা আৰু জীৱনদায়িনী মাটিৰ আনুষ্ঠানিক পূজা, যি এই কথা স্বীকাৰ কৰে যে মাতৃৰ প্ৰকৃত শৰীৰটো হৈছে এই পৃথিৱীখন, যিয়ে তেওঁৰ সন্তানসকলক জীয়াই ৰাখে।

দেৱী আৰু মাটিৰ মাজৰ এই গভীৰ সম্পৰ্ক তেওঁৰ আধুনিক মাটিৰ মূৰ্তি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় এটা আটাইতকৈ বিৰোধাভাসপূৰ্ণ আৰু সুন্দৰ নিয়মৰ জৰিয়তে অধিক স্পষ্ট হৈ পৰে। পবিত্ৰ গ্ৰন্থ অনুসৰি, দুৰ্গা মূৰ্তিৰ ভেটি নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰা 'পূণ্য মাটি' হৈছে পবিত্ৰ নদীৰ পাৰৰ মাটি, গোবৰ, গো-মূত্ৰ আৰু এখন 'নিষিদ্ধ পল্লী' অৰ্থাৎ বেশ্যালয়ৰ পদুলিৰ পৰা অনা এমুঠি মাটিৰ মিশ্ৰণ। এই ৰীতি-নীতিবোৰ প্ৰৱৰ্তন কৰা পৰম্পৰাগত পিতৃতান্ত্ৰিক সমাজখনত যৌনকৰ্মীসকলক সমাজচ্যুত কৰি নৈতিকতা আৰু সামাজিক সন্মানৰ পৰিসীমাৰ



শাৰদীয় বিশেষ

বাহিৰত ৰখা হৈছিল। তথাপিও, ধৰ্মীয় দৰ্শনৰ এক আশ্চৰ্যজনক কাৰ্যত, তেওঁলোকৰ অৱদানৰ অবিহনে সৰ্বোচ্চ দেৱীৰ মূৰ্তিয়ে পূৰ্ণ ৰূপ পাব নোৱাৰে। ইয়াৰ আঁৰৰ গুহ্য দৰ্শনটো হ'ল যে যেতিয়া এজন পুৰুষে বেশ্যালয়ৰ দুৱাৰডলি পাৰ হয়, তেতিয়া তেওঁ নিজৰ পুণ্য আৰু পবিত্ৰতা দুৱাৰমুখতে এৰি থৈ যায়। সময়ৰ লগে লগে, সেই নিৰ্বাসিত নাৰীগৰাকীৰ দুৱাৰডলিৰ মাটিতে লাখ লাখ পুৰুষৰ পৰিত্যক্ত পবিত্ৰতা জমা হয়, যাৰ ফলত সেয়া পৃথিৱীৰ আটাইতকৈ পৱিত্ৰ মাটিত পৰিণত হয়। তদুপৰি, এই ৰীতিটোৱে এক গভীৰ মহাজাগতিক সত্যক স্বীকাৰ কৰে। সমগ্ৰ সৃষ্টি মাতৃৰেই অংশ। সমাজৰ দ্বাৰা প্ৰান্তীয়, প্ৰত্যাখ্যান কৰা আৰু সমাজচ্যুতসকলক বাদ দি তেওঁ কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। সমাজৰ দ্বাৰা অৱহেলিত এগৰাকী যৌনকৰ্মীক এনেদৰে মাটিৰ পুৰোহিত হিচাপে এক অনন্য উচ্চতা প্ৰদান কৰা হয়, যিয়ে দেৱীৰ ৰূপ পোৱা মাটিখিনিক আশীৰ্বাদ কৰে।

এই মহান উৎসৱৰ সময়ছোৱাইও এক গোপন ইতিহাস বহন কৰে, যি মূল বৈদিক নিৰ্দেশনাতকৈ মহাকাব্যিক সাহিত্য আৰু আঞ্চলিক আৱেগৰ সংমিশ্ৰণত অধিক নিহিত। আজি আমি উদযাপন কৰা শৰতৰ এই উৎসৱ পৰম্পৰাগতভাৱে 'অকালবোধন' বা অসময়ৰ জাগৰণ বুলি জনা যায়। শাস্ত্ৰ অনুসৰি, সূৰ্যৰ দক্ষিণায়নৰ সময়ত দেৱী নিদ্ৰামগ্ন থাকে, আৰু তেওঁৰ পূজাৰ সাধাৰণ সময় হৈছে বসন্ত কাল (বাসন্তী পূজা)। আখ্যান অনুসৰি, ৰাৱণৰ সৈতে চূড়ান্ত যুদ্ধৰ আগতে আশীৰ্বাদ বিচাৰি ভগৱান ৰামে শৰৎ কালত অসময়তে তেওঁক আৱাহন কৰিছিল। অৱশ্যে, ৰামে দুৰ্গাক পূজা কৰা এই গুৰুত্বপূৰ্ণ ঘটনাটো বাল্মীকিৰ মূল সংস্কৃত ৰামায়ণত সম্পূৰ্ণৰূপে অনুপস্থিত। ই আছিল পূৱ ভাৰতৰ আঞ্চলিক পুনৰকথনত বোৱা এক সুন্দৰ, সাংস্কৃতিকভাৱে অনুনাদিত কাহিনী। এই সংযোগক আঁকোৱালি লৈ, নীলাচল পাহাৰৰ চাৰিওফালে শতিকাধৰি তান্ত্ৰিক শক্তিৰে স্পন্দিত হোৱা অসমৰ গভীৰ শাক্ত পৰম্পৰাই প্ৰচলিত দেৱী পূজাক ৰামৰ ভক্তিৰ সৈতে একত্ৰিত কৰিলে আৰু দুৰ্গাৰ প্ৰধান পূজাক বসন্তৰ পৰা শৰতলৈ চিৰদিনৰ বাবে স্থানান্তৰিত কৰিলে, যি এক সাহিত্যিক আৱিষ্কাৰক ধৰ্মীয় বাস্তৱতাৰ নিৰপেক্ষ ভেটিত স্থাপন কৰিলে।

শৰতৰ পূজাৰ ৰাজহুৱা আড়ম্বৰৰ আঁৰত, চিকমিকনি পোহৰ আৰু উল্লাসিত জনতাৰ পৰা দূৰত, এক গভীৰ, অত্যন্ত গোপনীয় তান্ত্ৰিক হৃদয় স্পন্দিত হৈ থাকে। পূজাৰ পৰম্পৰাগত, ৰাজহুৱা ৰীতি-নীতিবোৰ প্ৰধানকৈ বৈদিক, যি পোহৰ, ফুল আৰু নিৰামিষ নৈবেদ্যৰে ভৰা। কিন্তু গভীৰ নিশা, পূজাৰ আধ্যাত্মিক প্ৰক্ৰিয়াবোৰ 'গুপ্ত পূজা' বা গোপন আৰাধনাৰ জৰিয়তে নিজৰ গুহ্য, আদিম উৎসৱ ফালে ঘূৰি যায়। এই বন্ধ দুৱাৰৰ আঁৰৰ অনুষ্ঠানবোৰত, উপকাৰী মাতৃৰ ধাৰণাটো সাময়িকভাৱে স্থগিত



শাৰদীয় বিশেষ

ৰখা হয়, আৰু তেওঁক মহাজাগতিক প্ৰলয়ৰ সৰ্বোচ্চ, ভয়ংকৰ শক্তি হিচাপে কঠোৰ তান্ত্ৰিক ৰীতিৰে উপাসনা কৰা হয়। অসমৰ কামাখ্যা-কেন্দ্ৰিক গুহ্য চৰ্চাৰ সৈতে গভীৰভাৱে মিলি থকা এই মুহূৰ্তবোৰতেই তেওঁৰ প্ৰাচীন, জনজাতীয় শিপাৰ সৈতে থকা সম্পৰ্ক ক্ষণিকৰ বাবে পুনৰ প্ৰতিষ্ঠিত হয়।

এই গোপন, তীব্ৰ শক্তিৰ চূড়ান্ত পৰ্যায়টো দেখা পোৱা যায় সন্ধি পূজাৰ সময়ত, যিটো সমগ্ৰ উৎসৱৰ আটাইতকৈ ৰহস্যময় আৰু শক্তিশালী ক্ষণ বুলি ধৰা হয়। এই ৰীতিটো ঠিক আঠচল্লিচ মিনিট ধৰি চলি থাকে— অষ্টমী তিথিৰ অন্তিম চৌবিশ মিনিট আৰু নৱমী তিথিৰ প্ৰথম চৌবিচ মিনিট। বিশ্বাস কৰা হয় যে এই নিৰ্দিষ্ট মুহূৰ্তটোতেই দুৰ্গাই চণ্ড আৰু মুণ্ড নামৰ অসুৰ সেনাপতি দুজনক বধ কৰিবলৈ তেওঁৰ আটাইতকৈ ভয়ংকৰ অৱতাৰ দেৱী চামুণ্ডাৰ ৰূপ ধাৰণ কৰিছিল। সন্ধি পূজাৰ সময়ৰ পৰিৱেশটো আক্ষৰিক অৰ্থতেই শিহৰণকাৰী; ১০৮ গছি মাটিৰ চাকি জ্বলোৱা হয়, যিয়ে দেৱীক জুই আৰু ছাঁৰ এক সাগৰত আৱৰি ধৰে, আনহাতে ঢাক-ঢোলৰ উন্মত্ত শব্দই এক মহাজাগতিক যুদ্ধক্ষেত্ৰৰ বিশৃংখলতাৰ সৃষ্টি কৰে। ইয়াতেই তেজৰ বলিদানৰ প্ৰাচীন স্মৃতি আটাইতকৈ জোৰেৰে প্ৰতিধ্বনিত হয়। প্ৰাচীন কালত, এয়াই আছিল মানৱ বলিদানৰ মুহূৰ্ত, আন্ধাৰৰ বিনাশকাৰীগৰাকীক সন্তুষ্ট কৰিবলৈ আগবঢ়োৱা সৰ্বোচ্চ জীৱন শক্তিৰ নৈবেদ্য। বৰ্তমান, তেজৰ সলনি প্ৰতীকী বলি হিচাপে বগা কোমোৱা, কুঁহিয়াৰ বা কল ব্যৱহাৰ কৰা হয়। এই ফলবোৰত সেন্দূৰ সানি একে ঘাপতে দুটুকুৰা কৰা হয়। তথাপিও, অঞ্চলটোৰ কিছুমান প্ৰাচীন সম্ভ্ৰান্ত পৰিয়াল আৰু নিভৃত মন্দিৰত আজিও গভীৰ নিশা জীৱ-জন্তুৰ বলিদান চলি আহিছে, যি এই কথাৰ এক জীৱন্ত সোঁৱৰণি যে বিশ্বব্ৰহ্মাণ্ডৰ মাতৃগৰাকী যিদৰে সৃষ্টিৰ গৰ্ভ, ঠিক তেনেকৈয়ে তেওঁ মৃত্যুৰ ভয়ংকৰ গ্ৰাসো।

সন্ধি পূজাৰ ধোঁৱা আঁতৰাৰ লগে লগে, আন এক গভীৰ আৰু খুব কমেইহে চৰ্চিত হোৱা কাহিনী পোহৰলৈ আহে, যিয়ে মূলসুঁতিৰ উৎসৱৰ বিজয় উল্লাসৰ বিপৰীতে এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। দুৰ্গাক সম্পূৰ্ণৰূপে বুজিবলৈ হ'লে, আমি তেওঁৰ চিৰন্তন শত্ৰু মহিষাসুৰৰ ফালেও চাব লাগিব। পৰম্পৰাগত আখ্যানত তেওঁ অহংকাৰ, বিশৃংখলা আৰু অশুভ শক্তিৰ প্ৰতীক, যাক ঐশ্বৰিক নাৰীশক্তিৰ দ্বাৰা ন্যায়সঙ্গতভাৱে বিনাশ কৰা হৈছে। অৱশ্যে, মধ্য আৰু পূব ভাৰতৰ গভীৰ জনজাতীয় অঞ্চলবোৰত— যেনে অসুৰ, চাওঁতাল আৰু মুণ্ডা সম্প্ৰদায়ৰ মাজত, যাৰ উপস্থিতি ছোটনাগপুৰ মালভূমিৰ পৰা অসমৰ চাহ বাগিচাবোৰলৈকে বিস্তৃত— কাহিনীটো সম্পূৰ্ণ বিপৰীতভাৱে প্ৰচলিত। অসুৰ জনজাতিৰ বাবে, যিসকলে মহিষাসুৰক তেওঁলোকৰ পোনপটীয়া পূৰ্বপুৰুষ বুলি দাবী কৰে, মহিষাসুৰ বা 'হুদুদ দুৰ্গা' আছিল এগৰাকী উপকাৰী, সমদৰ্শী



শাৰদীয় বিশেষ

আৰু শক্তিশালী থলুৱা ৰজা। তেওঁলোকৰ মৌখিক পৰম্পৰাত কোৱা হয় যে বিৰোধী শক্তিসমূহে তেওঁক সন্মুখ সমৰত পৰাস্ত কৰিব নোৱাৰি চলনাৰ আশ্রয় লৈছিল। তেওঁলোকে এগৰাকী সুন্দৰী, সমৰকলাত পাৰ্গত নাৰীক তেওঁলোকৰ প্রিয় ৰজাজনক মোহগ্রস্ত, প্রতাৰিত আৰু শেষত হত্যা কৰিবলৈ পঠিয়াইছিল।

এই খিলঞ্জীয়া সম্প্রদায়সমূহৰ বাবে, নৱৰাত্রি আৰু দুর্গাপূজাৰ দিনবোৰ কোনো উদযাপনৰ সময় নহয়, ৰৰঞ্চ তীব্র শোকৰ সময়। তেওঁলোকে নিজকে ঘৰৰ ভিতৰত আবদ্ধ কৰি ৰাখে, পোহৰ আৰু উৎসৱৰ কোলাহলৰ পৰা আঁতৰি থাকিবলৈ খিৰিকীবোৰ বন্ধ কৰি ৰাখে, আৰু তেওঁলোকৰ নিধন হোৱা পূর্বপুৰুষৰ বাবে কঠোৰভাৰে শোক পালন কৰে। এই বিপৰীত কাহিনীটোৱে ভাৰতীয় সাংস্কৃতিক প্রেক্ষাপটত এক আশ্চর্যজনক দ্বৈততাৰ সৃষ্টি কৰে। যিটো মুহূর্তত লাখ লাখ মানুহে দেৱীৰ বিজয় উল্লাসত মগ্ন হৈ থাকে, ঠিক সেই একেই মুহূর্তত আন হেজাৰ হেজাৰ মানুহে নিহত অসুৰৰ বাবে চকুপানী টুকে। তথাপিও, হিন্দু মূর্তিতত্ত্বৰ গভীৰতাই তেওঁলোককক পৃথকে ৰাখিবলৈ অস্বীকাৰ কৰে। মহিষাসুৰ চিৰকালৰ বাবে তেওঁৰ ভৰিৰ তলতে স্থান লাভ কৰিছে। পুৰাণৰ বৰদান অনুসৰি, তেওঁ দেৱীৰ স্পর্শৰ যোগেদি মুক্তি লাভ কৰিছিল আৰু প্রতিশ্রুতি দিয়া হৈছিল যে তেওঁ চিৰদিনৰ বাবে দেৱীৰ সৈতেই পূজিত হ'ব। দেৱীক কেতিয়াও অকলে পূজা কৰা নহয়; অসুৰজনো দেৱী মূর্তিৰ এক অপৰিহার্য, অবিচ্ছেদ্য অংশ। তেওঁ সেই অহংকাৰ, আহ্মাৰ আৰু থলুৱা ইতিহাসৰ প্রতিনিধিত্ব কৰে যাক মাতৃয়ে অনবৰতে সন্মুখীন হয়, জয় কৰে আৰু শেষত মুক্তিৰ যোগেদি আঁকোৱালি লয়।

এই দেৱী মূর্তি নির্মাণ প্রক্রিয়াৰ সৈতেও এক গোপন ৰহস্য জড়িত হৈ আছে, যি পৰম্পৰাগত ভাস্কর্য শিল্পী, 'কুমাৰ' বা 'মৃৎশিল্পী'সকলৰ হাতত সুৰক্ষিত। মূর্তি নির্মাণ কেৱল এক কলা নহয়; ই হৈছে এক দীঘলীয়া, কঠোৰ আধ্যাত্মিক গর্ভধাৰণৰ কার্য। পবিত্র মাটি, বেশ্যালয়ৰ মাটি আৰু খেৰ মিহলোৱা বোকোথিনি কেৱল এক ভৌতিক পদার্থ হৈয়েই থাকে, যেতিয়ালৈকে 'চক্ষু-দান'— অর্থাৎ চকু আঁকি দিয়াৰ অন্তিম, উশাহ বন্ধ হৈ যোৱা মুহূর্তটো নাহে। সাধাৰণতে মহালয়াৰ দিনা পালন কৰা এই ৰীতিটো চৰম মানসিক আৰু আধ্যাত্মিক গভীৰতাৰ এক কার্য। মূল খনিকৰজনে উপবাস ৰাখি নিজকে পবিত্র কৰিব লাগে, প্রায়েই সম্পূর্ণ নিস্তব্ধতা বা অন্ধকাৰৰ মাজত, কেৱল অন্তর্দৃষ্টি আৰু দশক দশক ধৰি অর্জন কৰা হাতৰ দক্ষতাৰ ওপৰত নির্ভৰ কৰি কাম কৰে। ক'লা ৰঙত ডুবোৱা তুলিকাৰ এটা নিৰবচ্ছিন্ন টানেৰে তেওঁ দেৱীৰ চকুৰ মণি আঁকে। এইটোৱেই সেই নির্দিষ্ট মুহূর্ত য'ত মাটিয়ে নিজৰ ভৌতিক সীমা অতিক্রম কৰি এগৰাকী জীৱন্ত, স্পন্দিত দেৱীলৈ ৰূপান্তৰিত হয়। সেই ক্ষণিকৰ মুহূর্তটোৰ বাবে,





শিল্পীজন স্রষ্টাৰো স্রষ্টা হৈ পৰে, বোকাৰ মাজত ব্রহ্মাণ্ডৰ প্রাণ প্রতিষ্ঠা কৰে। কোৱা হয় যে চকু আঁকাৰ সময়ত শিল্পীজনে দেৱীৰ চকুলৈ পোনপটীয়াকৈ চাব নোৱাৰে, কাৰণ ঐশ্বৰিক শক্তিৰ হঠাতে হোৱা প্রৱাহ এজন সাধাৰণ মানুহৰ আত্মাৰ বাবে সহ্য কৰিব নোৱাৰাকৈ অত্যধিক তীব্র হয়।

শেষত, আমি উৎসৱটোৰ এক মহান বিৰোধাভাসৰ মুখামুখি হওঁ- 'বিসর্জন'। দিনৰ পিছত দিন ধৰি কৰা গভীৰ ভক্তি, শৈল্পিক শ্রদ্ধা আৰু প্রচুৰ ধন-সম্পত্তি ব্যয় কৰাৰ পিছত, সেই সুন্দৰ মূর্তিটো নৈৰ পাৰলৈ নি ইচ্ছাকৃতভাৱে উটুৱাই দিয়া হয়। বাহিৰৰ পৰা চালে, ই এক ধুনীয়া সৃষ্টিৰ শোকাৱহ, আকস্মিক সমাপ্তি যেন লাগে। ইমান সুন্দৰকৈ কিবা এটা নির্মাণ কৰি তাক কিয় ধ্বংস কৰিব লাগে? বিসর্জন হয়তো সমগ্র পূজাৰ আটাইতকৈ গভীৰ দার্শনিক বার্তা। ই হৈছে নিৰাসক্তি আৰু ভৌতিক জগতৰ অস্থায়িত্বৰ চূড়ান্ত শিক্ষা। ৰীতি-নীতি অনুসৰি, মূর্তিটো পানীত উটুৱাই দিয়াৰ আগতে দেৱীক আনুষ্ঠানিকভাৱে বিদায় দিয়া হয়; তেওঁৰ ঐশ্বৰিক শক্তিক মাটিৰ মূর্তিৰ পৰা ঘূৰাই আনি ভক্তৰ হৃদয়ত বা এটা পবিত্র পানীৰ ঘটত সযতনে স্থাপন কৰা হয়।

নৈত যিটো বিসর্জন দিয়া হয় সেয়া কেৱল এক খালী পাত্র— খেৰ, বাঁহ আৰু মাটি। বিসর্জন হৈছে প্রকৃতিৰ পৰা লোৱা উপাদান প্রকৃতিলৈকে ঘূৰাই দিয়াৰ এক প্রক্রিয়া, এক মহাজাগতিক পুনৰাৱর্তন য'ত নদীয়ে দিয়া মাটি পুনৰ নদীলৈকে ঘূৰাই দিয়া হয়। ই ভক্তক শিকায় যে মাতৃক কেতিয়াও কোনো মূর্তিৰ মাজত আবদ্ধ কৰি ৰাখিব নোৱাৰি, সেয়া যিমানেই ধুনীয়া নহওক কিয়। তেওঁ মণ্ডপত নাথাকে; তেওঁ থাকে উশাহত, ঋতুৰ পৰিৱর্তনত, উর্বৰ মাটিত, আৰু বিশ্বব্রহ্মাণ্ডৰ বিশাল, ৰহস্যময় শূন্যতাত। ব্রহ্মপুত্রৰ অন্ধকাৰ, টোৱাই থকা সোঁতত যেতিয়া মাটিখিনি মিলি যায়, তেতিয়া দেৱীৰ মৃত্যু নহয়; তেওঁ কেৱল অসীমত বিলীন হৈ পৰে, মাটিত, প্রান্তীয় অলি-গলিত আৰু প্রাচীন অৰণ্যত অপেক্ষা কৰে, যেতিয়ালৈকে শৱতৰ বতাহে পুনৰ বলি মানৱজাতিক অস্তিত্বৰ বন্য, ভয়ংকৰ আৰু সুন্দৰ হৃদয়খনৰ কথা সোঁৱৰাই দিবলৈ তেওঁক আৱাহন নকৰে।

সন্ধি পূজাৰ ধোঁৱা আঁতৰাৰ লগে লগে, আন এক গভীৰ আৰু খুব কমেইহে চর্চিত হোৱা কাহিনী পোহৰলৈ আহে, যিয়ে মূলসুঁতিৰ উৎসৱৰ বিজয় উল্লাসৰ বিপৰীতে এক প্রত্যাহ্বানৰ সৃষ্টি কৰে। দুর্গাক সম্পূর্ণৰূপে বুজিবলৈ হ'লে, আমি তেওঁৰ চিৰন্তন শত্রু মহিষাসুৰৰ ফালেও চাব লাগিব।



শাৰদীয় বিশেষ



(ধর্মীয় বিশ্বাসৰ পৰা সার্বজনীন সম্প্রীতিৰ উৎসৱলৈ)

প্ৰবন্ধ

দুর্গাপূজাৰ
সামাজিক আৰু সাংস্কৃতিক তাৎপর্য

— অজিত বৰুৱা

দুর্গাপূজা কেৱল এটা ধর্মীয় আচাৰ-অনুষ্ঠান নহয়; ই ভাৰতীয় সমাজ জীৱনৰ এক গভীৰ সাংস্কৃতিক, সামাজিক আৰু নান্দনিক পৰম্পৰা। শৰৎকালৰ নির্মল আকাশ, শেৱালিৰ সুবাস, কঁহুৱাৰ শুভ্রতা, ঢাক-ঢোলৰ শব্দ, প্রতিমাৰ শিল্পময় ৰূপ, পূজামণ্ডপৰ সৃষ্টিশীলতা আৰু বিজয়া দশমীৰ শুভেচ্ছা- এই সকলোবোৰ মিলি দুর্গাপূজাক এক বৃহৎ সামাজিক উৎসৱত পৰিণত কৰিছে। আজিৰ পৃথিৱীত, বিশেষকৈ নগৰীয়া সমাজত, দুর্গাপূজা ধর্মীয় সীমাৰেখা অতিক্রম কৰি মানুহৰ মাজত মিলন, সহযোগিতা, সৌহার্দ্য আৰু সাংস্কৃতিক বিনিময়ৰ এক উল্লেখযোগ্য ক্ষেত্র হিচাপে পৰিগণিত হৈছে।

'পূজা' শব্দৰ সাধাৰণ অর্থৰ ভিতৰত আছে সন্মান, শ্রদ্ধা, সম্বর্ধনা, আৰাধনা আৰু কোনো মহান আদর্শৰ প্রতি আত্মনিবেদন। সেই অর্থত দুর্গাপূজা হৈছে শুভশক্তিৰ আৰাধনা, অশুভৰ বিৰুদ্ধে শুভৰ বিজয়ৰ প্রার্থনা আৰু সত্য, ন্যায়, সৌন্দর্য তথা মানৱীয় মূল্যবোধৰ প্রতি শ্রদ্ধা নিবেদনৰ এক প্রতীকী আয়োজন।

সনাতন ধর্মীয় পৰম্পৰাত বাৰ মাহত তেৰটা পার্বণৰ কথা কোৱা হয়। প্রত্যেক উৎসৱৰ নিজস্ব তিথি, আচাৰ আৰু সাংস্কৃতিক পৰম্পৰা আছে। কিন্তু শাৰদীয় দুর্গাপূজাই সময়ৰ গতিত এক বিশেষ সার্বজনীন ৰূপ লাভ কৰিছে। ভাৰতৰ বিভিন্ন প্রান্তৰ লগতে বাংলাদেশ, নেপাল, ইউৰোপ, আমেৰিকা,

মধ্যপ্রাচ্য, দক্ষিণ-পূব এছিয়া আৰু বিশ্বৰ বিভিন্ন স্থানত বসবাস কৰা বাঙালি তথা ভাৰতীয় প্ৰবাসী সমাজে দুৰ্গাপূজা উদযাপন কৰে। প্ৰযুক্তিৰ বিকাশৰ ফলত আজি এখন দেশত অনুষ্ঠিত

দুৰ্গাপূজাৰ অন্যতম গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ইয়াৰ সাৰ্বজনীন ৰূপ। কোনো এটা পৰিয়ালৰ ঘৰুৱা পূজা বা কোনো ৰাজবাড়ীৰ পৰম্পৰাগত পূজাৰ সীমা অতিক্ৰম কৰি দুৰ্গাপূজা ক্ৰমে সমাজৰ সকলো স্তৰৰ মানুহৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা উৎসৱলৈ ৰূপান্তৰিত হৈছে। কলকাতাৰ শোভাবজাৰ ৰাজবাড়ীত ৰাজা নবকৃষ্ণ দেৱে ১৭৫৭ চনত বৃহৎ পৰিসৰত দুৰ্গাপূজা আয়োজন কৰিছিল বুলি পশ্চিমবংগ পৰ্যটন বিভাগৰ তথ্যত উল্লেখ আছে। পৰৱৰ্তী সময়ত কলকাতাত বাৰোৱাৰী আৰু সাৰ্বজনীন পূজাৰ পৰম্পৰাই শক্তিশালী ৰূপ লাভ কৰে।

পূজাৰ দৃশ্য আন এখন দেশৰ মানুহে মুহূর্ততে প্ৰত্যক্ষ কৰিব পাৰে। ফলত দুৰ্গাপূজা ভৌগোলিক সীমা অতিক্ৰম কৰা এক সাংস্কৃতিক পৰিঘটনাত পৰিণত হৈছে।

তথাপি দুৰ্গাপূজাৰ ইতিহাস সম্পৰ্কে আলোচনা কৰোঁতে তথ্য আৰু লোকবিশ্বাসৰ মাজত পাৰ্থক্য ৰখাটো প্ৰয়োজন। বিভিন্ন অঞ্চলত দুৰ্গাপূজাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে বিভিন্ন কাহিনী আৰু পৰম্পৰা প্ৰচলিত আছে। আনহাতে, কলকাতাৰ দুৰ্গাপূজাই ২০২১ চনত ইউনেস্কোৰ 'Representative List of the Intangible Cultural Heritage of Humanity'ত স্থান লাভ কৰে। ইউনেস্কোৱে ইয়াক 'Durga Puja in Kolkata' নামেৰে স্বীকৃতি দিছে।

এই স্বীকৃতি কেৱল এটা ধৰ্মীয় উৎসৱৰ স্বীকৃতি নহয়; ইয়াৰ মাজত নিহিত থকা শিল্প, কাৰুশিল্প, সামাজিক অংশগ্ৰহণ, সহযোগিতা, নগৰীয়া সংস্কৃতি আৰু সামূহিক সৃষ্টিশীলতাৰো আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি নিহিত আছে।

দুৰ্গাপূজাৰ পৌৰাণিক তাৎপৰ্য ঃ

দুৰ্গাপূজাৰ কেন্দ্ৰীয় আখ্যান হৈছে দেৱী দুৰ্গা আৰু মহিষাসুৰৰ যুদ্ধ। পৌৰাণিক কাহিনী অনুসৰি মহিষাসুৰে দেৱতা আৰু মানুহৰ ওপৰত অত্যাচাৰ চলাইছিল। দেৱতাসকলৰ শক্তিৰ সমন্বয়ত আদ্যাশক্তি দুৰ্গাৰ আৰিৰ্ভাৱ ঘটে আৰু তেওঁ মহিষাসুৰক বধ

শাৰদীয় বিশেষ

কৰে। এই কাহিনীৰ মূল তাৎপর্য হৈছে অশুভৰ ওপৰত শুভৰ বিজয়।

দুর্গাৰ দশভুজা ৰূপো প্রতীকী। তেওঁৰ হাতত বিভিন্ন অস্ত্র-ত্রিশূল, খড়্গ, চক্র, ধনু, বাণ, শংখ, পাশ, অংকুশ আদি শক্তিৰ বিভিন্ন ৰূপক প্রতিনিধিত্ব কৰে। সিংহ তেওঁৰ বাহন। মহিষাসুৰ অশুভ, অহংকাৰ, অত্যাচাৰ আৰু অন্যায়ৰ প্রতীক। সেয়েহে দুর্গাৰ মহিষাসুৰ বধক কেৱল পৌৰাণিক যুদ্ধ হিচাপে চালে ইয়াৰ গভীৰ সামাজিক বার্তাটো উপেক্ষিত হয়।

মানুহৰ বাহ্যিক পৃথিৱীত যেনেকৈ অন্যায়, হিংসা, শোষণ আৰু অসত্যৰ বিৰুদ্ধে সংগ্রাম চলি থাকে, তেনেদৰে প্রতিজন মানুহৰ অন্তৰতো শুভ আৰু অশুভ প্রবৃত্তিৰ মাজত এক নিৰন্তৰ সংঘাত চলি থাকে। দুর্গাপূজা সেই অন্তর্দ্বন্দ্বৰ কথাও সোঁৱৰাই দিয়ে।

অকালবোধন আৰু শাৰদীয় দুর্গোৎসৱ ঃ

ৰামায়ণৰ পৰম্পৰাত শ্রীৰামচন্দ্রই সীতাক উদ্ধাৰৰ উদ্দেশ্যে শৰৎকালত দেৱী দুর্গাৰ আৰাধনা কৰিছিল বুলি কাহিনী প্রচলিত। শৰৎকালত অনুষ্ঠিত হোৱা এই পূজাক 'অকালবোধন' বুলি কোৱা হয়। দক্ষিণায়নৰ সময়ত দেৱীক জাগ্রত কৰাৰ বাবে কৰা বোধনৰ সৈতে এই পৰম্পৰা জড়িত।

এই কাহিনী ঐতিহাসিক তথ্য হিচাপে নহয়, মূলতঃ পৌৰাণিক আৰু ধর্মীয় পৰম্পৰাৰ অংশ হিচাপে গ্রহণ কৰা হয়। কিন্তু ইয়াৰ সাংস্কৃতিক প্রভাৰ গভীৰ। শৰৎকালৰ সৈতে দুর্গাপূজাৰ যি নিবিড় সম্পর্ক গঢ়ি উঠিছে, সেয়া বাঙালি আৰু পূৱ ভাৰতীয় সংস্কৃতিৰ এক অন্যতম বৈশিষ্ট্য।

দুর্গাপূজা আহিলেই শৰৎ যেন নতুন ৰূপত ধৰা দিয়ে। নীল আকাশ, শুভ্র মেঘ, কঁহুৱা, শেৱালি আৰু উৎসৱৰ সংগীতে মানুহৰ মনত এক বিশেষ আনন্দৰ সৃষ্টি কৰে। প্রকৃতি আৰু সংস্কৃতিৰ এই মিলনেই শাৰদীয় দুর্গোৎসৱক অন্য বহু উৎসৱৰ পৰা পৃথক কৰি তোলে।

ধর্মীয় উৎসৱৰ পৰা সার্বজনীন উৎসৱলৈ ঃ

দুর্গাপূজাৰ অন্যতম গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে ইয়াৰ সার্বজনীন ৰূপ। কোনো এটা পৰিয়ালৰ ঘৰুৱা পূজা বা কোনো ৰাজবাড়ীৰ পৰম্পৰাগত পূজাৰ সীমা অতিক্রম কৰি দুর্গাপূজা ক্রমে সমাজৰ সকলো স্তৰৰ মানুহৰ অংশগ্রহণেৰে অনুষ্ঠিত হোৱা উৎসৱলৈ ৰূপান্তৰিত হৈছে।

কলকাতাৰ শোভাবজাৰ ৰাজবাড়ীত ৰাজা নবকৃষ্ণ দেৱে ১৭৫৭ চনত বৃহৎ পৰিসৰত দুর্গাপূজা আয়োজন কৰিছিল বুলি পশ্চিমবংগ পর্যটন বিভাগৰ তথ্যত উল্লেখ আছে। পৰৱর্তী সময়ত কলকাতাত বাৰোৱাৰী আৰু সার্বজনীন পূজাৰ পৰম্পৰাই শক্তিশালী ৰূপ লাভ কৰে।



শাৰদীয় বিশেষ

এই ৰূপান্তৰ সামাজিক ইতিহাসৰ দৃষ্টিৰে গুৰুত্বপূর্ণ। পূজা যেতিয়া একক পৰিয়ালৰ পৰা সমুহীয়া আয়োজনলৈ আহে, তেতিয়া ইয়াৰ সৈতে সমাজৰ অধিকসংখ্যক মানুহ জড়িত হয়। পূজা কমিটী, শিল্পী, মৃৎশিল্পী, পোহৰ-সজ্জাকাৰী, কাঠমিস্ত্রী, বিদ্যুৎকর্মী, সংগীতশিল্পী, লেখক, চিত্রশিল্পী, স্বেচ্ছাসেৱক, ব্যৱসায়ী আৰু অসংখ্য সাধাৰণ মানুহৰ পৰিশ্রমে এটা পূজাক পূর্ণতা দিয়ে। অর্থাৎ দুর্গাপূজা নিজেই এক বৃহৎ সামাজিক সহযোগিতাৰ মডেল।

সমাজৰ বিভিন্ন শ্রেণীৰ মানুহৰ মিলন ঃ

এখন দুর্গাপূজা সফলভাৱে অনুষ্ঠিত কৰিবলৈ বহু মানুহৰ সহযোগিতা লাগে। কোনোবাই মণ্ডপ নির্মাণ কৰে, কোনোবাই প্রতিমা নির্মাণ কৰে, কোনোবাই আলোকসজ্জা কৰে, কোনোবাই সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰে, কোনোবাই অতিথিক আদৰণি জনায় আৰু কোনোবাই শৃংখলা ৰক্ষাৰ দায়িত্ব পালন কৰে।

এই প্রক্রিয়াত সমাজৰ বিভিন্ন পেশা আৰু আর্থিক স্তৰৰ মানুহ একে উদ্দেশ্যত একত্রিত হয়। এই সমন্বয়ৰ মাজতে দুর্গাপূজাৰ সামাজিক শক্তি নিহিত আছে। ইয়াত এটা গুৰুত্বপূর্ণ শিক্ষা আছে-বৃহৎ সামাজিক কাম কেৱল ব্যক্তিগত সামর্থ্যৰে সম্পন্ন কৰিব নোৱাৰি। সমূহীয়া সহযোগিতা আৰু দায়িত্ববোধৰ প্রয়োজন হয়। দুর্গাপূজাৰ আয়োজনত এই সহযোগিতাৰ এক বাস্তৱ অনুশীলন ঘটে।

ইউনেস্কোৰ স্বীকৃতি আৰু দুর্গাপূজাৰ সাংস্কৃতিক মূল্য ঃ

দুর্গাপূজাৰ সামাজিক আৰু সাংস্কৃতিক তাৎপর্যৰ আন্তঃৰাষ্ট্রীয় স্বীকৃতি হিচাপে কলকাতাৰ দুর্গাপূজাৰ ইউনেস্কো স্বীকৃতি বিশেষ উল্লেখযোগ্য। ২০২১ চনত 'Durga Puja in Kolkata' মানৱতাৰ অমূর্ত সাংস্কৃতিক ঐতিহ্যৰ প্রতিনিধি তালিকাত অন্তর্ভুক্ত হয়।

ইউনেস্কোৰ বিৱৰণত দুর্গাপূজাক ধর্ম আৰু শিল্পৰ এক সার্বজনীন প্রদর্শনৰ উৎকৃষ্ট উদাহৰণ আৰু শিল্পী তথা ডিজাইনাৰসকলৰ বাবে এক সৃষ্টিশীল ক্ষেত্র হিচাপে চিহ্নিত কৰা হৈছে। বৃহৎ মণ্ডপ আৰু স্থাপত্যধর্মী সজ্জা, পৰম্পৰাগত ঢাক, প্রতিমা আৰু সামূহিক অংশগ্রহণ ইয়াৰ উল্লেখযোগ্য বৈশিষ্ট্য। ইউনেস্কোৰ বিৱৰণত এইটোও উল্লেখ আছে যে উৎসৱৰ সময়ত শ্রেণী, ধর্ম আৰু জাতিগত বিভাজনৰ সীমা বহু পৰিমাণে ম্লান হৈ যায় আৰু বিভিন্ন মানুহে একেলগে পূজাৰ শিল্প- সৌন্দর্য উপভোগ কৰে।

ইয়াৰ অর্থ এইটো নহয় যে সকলো সামাজিক বিভাজন বাস্তৱ জীৱনৰ পৰা সম্পূর্ণৰূপে বিলুপ্ত হৈ যায়। বৰং দুর্গাপূজাৰ সামূহিক পৰিসৰে মানুহক অন্ততঃ এক নির্দিষ্ট সময়ৰ বাবে



শাৰদীয় বিশেষ

একেলগে অহা, পৰস্পৰৰ সৈতে মত-বিনিময় কৰা আৰু একে সাংস্কৃতিক পৰিসৰ ভাগ-বতৰা কৰাৰ সুযোগ দিয়ে।

মণ্ডপ- আধুনিক শিল্পৰ এখন মুকলি বিদ্যালয় ঃ

আজিৰ দুর্গাপূজাৰ মণ্ডপসমূহ নিজেই একোখন শিল্পকর্ম। বাঁহ, কাপোৰ, মাটি, কাঠ, কাগজ, ধাতু, পুনর্ব্যৱহাৰযোগ্য সামগ্রী আৰু বিভিন্ন স্থানীয় উপকৰণ ব্যৱহাৰ কৰি শিল্পী আৰু কাৰুশিল্পীসকলে সৃষ্টি কৰে অভিনৱ মণ্ডপ।

বহু পূজাৰ মণ্ডপত পৌৰাণিক কাহিনী, লোকসংস্কৃতি, ইতিহাস, পৰিৱেশ, গ্রাম্য জীৱন, নাৰী, কৃষি, নদী, বনাঞ্চল, জলবায়ু পৰিৱর্তন, সামাজিক বৈষম্য আদি বিষয় উপস্থাপন কৰা হয়। ফলত পূজামণ্ডপ কেৱল পূজা কৰাৰ স্থান হৈ নাথাকে; ই এক মুকলি শিল্প-প্রদর্শনী আৰু জনসচেতনতা সৃষ্টিৰ ক্ষেত্রতো পৰিণত হয়।

এইক্ষেত্রত দুর্গাপূজাই আধুনিক শিল্প আৰু লোকশিল্পৰ মাজত এক সেতু সৃষ্টি কৰিছে।

প্রতিমা শিল্প আৰু মৃৎশিল্পীৰ সন্মান ঃ

দুর্গাপূজাৰ আন এক গুৰুত্বপূর্ণ দিশ হৈছে প্রতিমা নির্মাণৰ শিল্প। মাটিৰে দেবী আৰু তেওঁৰ পৰিয়ালৰ প্রতিমা নির্মাণৰ পৰম্পৰা বহু পুৰণি। কলকাতাৰ দুর্গাপূজাৰ ক্ষেত্রত গংগাৰ মাটিৰে প্রতিমা নির্মাণৰ পৰম্পৰাৰ কথা ইউনেস্কোৱে উল্লেখ কৰিছে।

এগৰাকী মৃৎশিল্পীৰ হাতৰ মাটি ক্রমে প্রতিমাৰ ৰূপ লয়। কাঠামো তৈয়াৰ, খেৰ বা অন্যান্য উপাদানেৰে গঠন, মাটি প্রয়োগ, শুকুৰাই লোৱা, ৰং কৰা, অলংকাৰ সংযোজন- প্রতিটো পর্যায়তে দক্ষতা আৰু ধৈর্যৰ প্রয়োজন। এই শিল্পকলা সংৰক্ষণ কৰা মানে কেৱল এটা উৎসৱৰ পৰম্পৰা সংৰক্ষণ কৰা নহয়, এটা জীৱন্ত কাৰুশিল্পৰ পৰম্পৰাকো জীয়াই ৰখা।

লেখা আহ্বান

অসমীয়া বর্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্রবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিটৰ গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্রমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপ নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com



শাৰদীয় বিশেষ

ঢাকৰ শব্দ আৰু লোকসংস্কৃতি ঃ

দুর্গাপূজাৰ কথা ক'লে ঢাকৰ কথা নক'লে আলোচনা অসম্পূর্ণ হৈ থাকে। ঢাকৰ শব্দই পূজাৰ পৰিৱেশক এক বিশেষ আবেগ দিয়ে। ঢাকীসকলৰ বাদ্যশৈলী নিজেই এক লোকসংস্কৃতি। সংগীত, বাদ্য, নৃত্য, আবৃত্তি, নাটক আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠান দুর্গাপূজাৰ সৈতে ওতপ্রোতভাৱে জড়িত। পূজাৰ দিনকেইটাত বহু ঠাইত স্থানীয় শিল্পীসকলে অনুষ্ঠান পৰিৱেশন কৰে। ইয়াৰ ফলত নতুন প্রজন্মৰ শিল্পীসকলে মঞ্চ লাভ কৰে আৰু স্থানীয় সংস্কৃতিও জনসমাজৰ আগত উপস্থাপিত হয়।

শাৰদীয় সাহিত্য আৰু দুর্গাপূজা ঃ

অসমীয়া সমাজত দুর্গাপূজাৰ সৈতে শাৰদীয় সাহিত্যৰ এক গভীৰ সম্পর্ক আছে। পূজা উপলক্ষে সাহিত্য সংকলন, স্মৰণিকা, কবিতা, গল্প, প্রবন্ধ, চিত্র, স্থানীয় ইতিহাস আৰু সাংস্কৃতিক তথ্য প্রকাশৰ পৰম্পৰাই সাহিত্যচর্চাক উৎসাহিত কৰে। এই স্মৰণিকাসমূহত স্থানীয় ইতিহাস, সমাজ জীৱন, ব্যক্তিত্ব, সাহিত্য আৰু সংস্কৃতিৰ বহু তথ্য সংৰক্ষিত হৈ থাকে। সেয়েহে পূজাৰ স্মৰণিকাক ক্ষণস্থায়ী প্রকাশনা বুলি অৱহেলা কৰিব নালাগে। বহু ক্ষেত্রত ই স্থানীয় ইতিহাসৰ মূল্যৱান দলিল হৈ পৰে।

দুর্গাপূজা আৰু অর্থনৈতিক জীৱন ঃ

দুর্গাপূজাৰ সামাজিক প্রভাৱৰ লগতে অর্থনৈতিক প্রভাৱো উল্লেখযোগ্য। পূজাৰ বহু মাহ আগৰ পৰাই প্রতিমা নির্মাণ, মণ্ডপ নির্মাণ, কাপোৰ, ফুল, পোহৰ, সজ্জা, মুদ্রণ, পৰিবহণ, খাদ্য, ক্ষুদ্র ব্যৱসায়, হস্তশিল্প আদি ক্ষেত্রত কাম বৃদ্ধি পায়।

অসংখ্য ক্ষুদ্র ব্যৱসায়ী আৰু শিল্পীৰ বাবে পূজা এক গুৰুত্বপূর্ণ আয়ৰ সময়। স্থানীয় বজাৰত ক্রয়-বিক্রয় বৃদ্ধি পায়। পোচাক, জোতা, মিঠাই, খাদ্য, উপহাৰ, সজ্জাসামগ্রী আদি সামগ্রীৰ চাহিদা বৃদ্ধি পায়।

অৱশ্যে এই অর্থনৈতিক উৎসৱৰ মাজতো অপচয়ৰ পৰা সাৱধান হোৱা প্রয়োজন। উৎসৱৰ আনন্দ যেন ঋণ, অতিৰিক্ত খৰচ বা প্রতিযোগিতামূলক আড়ম্বৰৰ বোজা নহয়।

পূজা আৰু সামাজিক সেৱা ঃ

দুর্গাপূজাৰ প্রকৃত সামাজিক তাৎপর্য তেতিয়াহে অধিক উজ্জ্বল হয় যেতিয়া পূজাৰ সৈতে সমাজসেৱা সংযুক্ত হয়। দৰিদ্র লোকক খাদ্য বিতৰণ, বস্ত্রদান, শিক্ষার্থীক সহায়, ৰক্তদান শিবিৰ, স্বাস্থ্য সচেতনতা, বৃক্ষৰোপণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান, বৃদ্ধ আৰু অসহায় লোকৰ সহায় আদি কার্যসূচী পূজাৰ লগত সংযুক্ত কৰিব পাৰি।

উৎসৱৰ আনন্দ যদি সমাজৰ দুর্বল অংশৰ জীৱনলৈ

শাৰদীয় বিশেষ

সামান্য সুখ কঢ়িয়াই আনিব পাৰে, তেন্তে সেই উৎসৱৰ মানৱীয় মূল্য বহুগুণে বৃদ্ধি পায়।

কেৱল চকু চাট মৰা আলোকসজ্জা বা ব্যয়বহুল মণ্ডপ নির্মাণে কোনো উৎসৱক মহান নকৰে। উৎসৱৰ মহানতা নির্ভৰ কৰে তাৰ অন্তর্নিহিত মানৱীয় মূল্যবোধৰ ওপৰত।

নাৰী শক্তিৰ প্রতীক দুর্গা ঃ

দুর্গাপূজাৰ অন্যতম গভীৰ সামাজিক বার্তা হৈছে নাৰী শক্তিৰ স্বীকৃতি। দেৱী দুর্গা নিজেই শক্তিৰ প্রতীক। তেওঁ অশুভ শক্তিৰ বিৰুদ্ধে যুঁজে আৰু বিজয় লাভ কৰে।

এই প্রতীকী অর্থক আধুনিক সমাজৰ সৈতে সংযোগ কৰা প্রয়োজন। নাৰী শিক্ষাৰ অধিকাৰ, সমান মর্যাদা, নিৰাপত্তা, আত্মনির্ভৰতা, সিদ্ধান্ত গ্রহণৰ অধিকাৰ আৰু সামাজিক সন্মান- এই সকলোবোৰ ক্ষেত্রতে নাৰী শক্তিৰ বাস্তৱ ৰূপ প্রকাশ পাব লাগে।

যদি আমি দেৱীক শক্তিৰ প্রতীক হিচাপে পূজা কৰোঁ, কিন্তু বাস্তৱ জীৱনত নাৰীক অপমান কৰোঁ, নাৰীৰ অধিকাৰ অস্বীকাৰ কৰোঁ বা নাৰী নির্যাতনৰ বিৰুদ্ধে নীৰৱ থাকোঁ, তেন্তে আমাৰ পূজাৰ অন্তর্নিহিত আদর্শ অসম্পূর্ণ হৈ থাকে। সেয়েহে দুর্গাপূজাৰ অন্যতম শিক্ষা হ'ব লাগে-নাৰীক সন্মান কৰা আৰু নাৰীৰ অধিকাৰ সুৰক্ষিত কৰা।

বিজয়া দশমী ঃ মিলনৰ সংস্কৃতি-

দুর্গাপূজাৰ শেষ পর্যায় বিজয়া দশমী। প্রতিমা বিসর্জনৰ লগে লগে উৎসৱৰ আনুষ্ঠানিক সমাপ্তি ঘটে। কিন্তু বিজয়াৰ সামাজিক অর্থ ইয়াতেই শেষ নহয়। বিজয়াৰ শুভেচ্ছা জনোৱা, ডাঙৰজনৰ আশীর্বাদ লোৱা, সৰুজনক মৰম কৰা, বন্ধু-বান্ধৱৰ সৈতে সাক্ষাৎ কৰা আৰু বহুদিনৰ দূৰত্ব হ্রাস কৰাৰ এক পৰম্পৰা গঢ়ি উঠিছে। বিজয়াৰ আলিংগন যেন এক প্রতীকী বার্তা- অহংকাৰ, অভিমান আৰু পুৰণি বিভেদ এৰি নতুন সম্পর্ক গঢ়ি তোলা।

এই মানসিকতা যদি পূজাৰ কেইটামান দিনৰ বাহিৰেও আমাৰ সামাজিক জীৱনত থাকে, তেন্তে দুর্গাপূজাৰ সামাজিক উদ্দেশ্য অধিক সফল হ'ব।

দুর্গাপূজা আৰু সাম্প্রদায়িক সম্প্রীতি ঃ

ভাৰতৰ দৰে বহুধর্মীয় আৰু বহুভাষিক দেশত ধর্মীয় উৎসৱৰ সামাজিক ভূমিকা বিশেষ গুৰুত্বপূর্ণ। কোনো উৎসৱ যদি নিজৰ ধর্মীয় পৰিচয় অক্ষুণ্ণ ৰাখিও আন ধর্মৰ মানুহক সাংস্কৃতিক অংশগ্রহণৰ সুযোগ দিয়ে, তেন্তে সেই উৎসৱে সামাজিক সম্প্রীতি শক্তিশালী কৰিব পাৰে।

বহু ঠাইত দেখা যায়, দুর্গাপূজাৰ মণ্ডপ পৰিদর্শন কৰিবলৈ বিভিন্ন ধর্ম আৰু সম্প্রদায়ৰ মানুহ আহে। স্থানীয় সমাজৰ





বিভিন্ন মানুহে আয়োজনৰ বিভিন্ন কামতো সহযোগিতা কৰে। এই পাৰস্পৰিক অংশগ্ৰহণ সামাজিক সম্পৰ্কৰ বাবে ইতিবাচক।

ধৰ্মীয় পৰিচয় মানুহৰ ব্যক্তিগত আৰু সামূহিক বিশ্বাসৰ অংশ। কিন্তু ধৰ্মীয় উৎসৱ যেন বিভাজনৰ কাৰণ নহৈ পৰস্পৰৰ সংস্কৃতি বুজি পোৱাৰ সেতু হয়- এইটোৱেই আধুনিক সমাজৰ কাম্য।

দুৰ্গাপূজা আৰু বিশ্বায়ন ঃ

এসময়ত দুৰ্গাপূজা মূলতঃ পূব ভাৰতীয় সমাজৰ এক প্ৰধান উৎসৱ আছিল। আজি বিশ্বায়নৰ যুগত ইয়াৰ পৰিসৰ বহু দূৰলৈ বিস্তৃত হৈছে। প্ৰৱাসী বাঙালি সমাজে ইউৰোপ, আমেৰিকা, অষ্ট্ৰেলিয়া, মধ্যপ্ৰাচ্য আৰু এছিয়াৰ বিভিন্ন দেশত দুৰ্গাপূজা আয়োজন কৰে। এই প্ৰৱাসী পূজাসমূহৰ এটা বিশেষ সামাজিক ভূমিকা আছে। বিদেশত বসবাস কৰা পৰিয়ালসমূহে নিজৰ ভাষা, খাদ্য, সংগীত, পোচাক, সাহিত্য আৰু পৰম্পৰাক পৰৱৰ্তী প্ৰজন্মৰ সৈতে সংযোগ কৰি ৰাখে।

বিশেষকৈ দ্বিতীয় বা তৃতীয় প্ৰজন্মৰ শিশুসকলৰ বাবে দুৰ্গাপূজা নিজৰ সাংস্কৃতিক শিপাৰ সৈতে পৰিচিত হোৱাৰ এক সুযোগ। সেয়েহে দুৰ্গাপূজা আজি কেৱল ধৰ্মীয় অনুষ্ঠান নহয়; ই প্ৰৱাসী পৰিচয় আৰু সাংস্কৃতিক স্মৃতি সংৰক্ষণৰো এক মাধ্যম।

প্ৰযুক্তি আৰু ভাৰ্চুৱেল দুৰ্গাপূজা ঃ

ডিজিটেল যুগে দুৰ্গাপূজাৰ পৰিসৰ আৰু অধিক বিস্তৃত কৰিছে। লাইভ ষ্ট্ৰীমিং, সামাজিক মাধ্যম, অনলাইন সাংস্কৃতিক অনুষ্ঠান আৰু ডিজিটেল আলোকচিত্ৰৰ জৰিয়তে বিশ্বৰ বিভিন্ন স্থানৰ মানুহে পূজা উপভোগ কৰিব পাৰে।

ইয়াৰ ফলত সাংস্কৃতিক বিনিময় সহজ হৈছে। অসমৰ কোনো পূজা, কলকাতাৰ কোনো ঐতিহ্যবাহী পূজা বা বিদেশৰ কোনো প্ৰৱাসী পূজাৰ দৃশ্য মুহূৰ্ততে বিশ্ববাসীৰ ওচৰলৈ যাব পাৰে।

অৱশ্যে ডিজিটেল উপস্থাপনে বাস্তৱ সামাজিক সম্পৰ্কৰ বিকল্প নহয়। উৎসৱৰ মূল শক্তি হৈছে মানুহে মানুহক লগ পোৱা, কথা পতা আৰু একেলগে কাম কৰা।

পৰিৱেশৰ প্ৰতি দায়িত্ব ঃ

আধুনিক দুৰ্গাপূজাৰ ক্ষেত্ৰত পৰিৱেশ সুৰক্ষা এক অতি গুৰুত্বপূৰ্ণ বিষয়। বৃহৎ মণ্ডপ, প্লাষ্টিকৰ ব্যৱহাৰ, অতিমাত্ৰা শব্দ, আৱৰ্জনা আৰু বিসৰ্জনৰ ফলত জলাশয় প্ৰদূষিত হোৱাৰ সম্ভাৱনা থাকে।

সেয়েহে পৰিৱেশবান্ধৱ পূজাৰ প্ৰতি অধিক গুৰুত্ব দিব লাগে। মাটি আৰু প্ৰাকৃতিক উপাদানৰ ব্যৱহাৰ, পুনৰ্ব্যৱহাৰযোগ্য সামগ্ৰী, প্লাষ্টিক হ্ৰাস, শক্তি-সঞ্চয়ী আলোকসজ্জা, আৱৰ্জনা



শাৰদীয় বিশেষ

পৃথকীকৰণ আৰু দায়িত্বশীল বিসৰ্জন ব্যৱস্থা গ্ৰহণ কৰা উচিত।

ইউনেস্কোৰ দুৰ্গাপূজা সম্পৰ্কীয় সিদ্ধান্ততো উৎসৱৰ পৰিৱেশগত স্থায়িত্বৰ বাবে যান-বাহন, জনসমাগম, শব্দ আৰু পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণৰ ব্যৱস্থা আৰু ভৱিষ্যৎ সংৰক্ষণমূলক পদক্ষেপৰ কথা উল্লেখ কৰা হৈছে।

প্ৰকৃতি যদি ধ্বংস কৰি আমি উৎসৱ পালন কৰোঁ, তেন্তে উৎসৱৰ অন্তৰ্নিহিত 'শুভশক্তি'ৰ ধাৰণাই নিজেই প্ৰশ্নৰ সন্মুখীন হয়।

আড়ম্বৰ নহয়, মূল্যবোধ হওক উৎসৱৰ কেন্দ্ৰ ঃ

আজিৰ সময়ত দুৰ্গাপূজাক কেন্দ্ৰ কৰি একধৰণৰ প্ৰতিযোগিতামূলক আড়ম্বৰ বৃদ্ধি পাইছে। কোনখন পূজাৰ মণ্ডপ ডাঙৰ, ক'ত অধিক পোহৰ, ক'ত অধিক ব্যয়, কোনটো অনুষ্ঠান অধিক জনপ্ৰিয়- এনে প্ৰতিযোগিতাই কেতিয়াবা উৎসৱৰ মূল উদ্দেশ্যক পিছ পেলাব পাৰে।

উৎসৱ আনন্দৰ বাবেই। কিন্তু আনন্দৰ সৈতে সংযম, দায়িত্ব আৰু মূল্যবোধো থাকিব লাগে।

অশালীন সাংস্কৃতিক অনুষ্ঠান, অত্যধিক শব্দ, অপচয়, খাদ্যৰ অপব্যয়, পৰিৱেশ দূষণ বা সামাজিক বৈষম্য সৃষ্টি কৰা কাৰ্যক উৎসৱৰ নামত স্বাভাৱিক বুলি গ্ৰহণ কৰিব নোৱাৰি।

যি পূজাই মানুহক মানুহৰ ওচৰলৈ আনে, দৰিদ্ৰৰ মুখত হাঁহি বিৰিঙায়, শিল্পীক সন্মান দিয়ে, স্থানীয় সংস্কৃতিক সংৰক্ষণ কৰে, পৰিৱেশৰ প্ৰতি দায়িত্বশীল হয় আৰু সমাজত সম্প্ৰীতি বৃদ্ধি কৰে- সেই পূজাই প্ৰকৃত অৰ্থত উৎসৱৰ মৰ্যাদা লাভ কৰে।

ধৰ্ম আৰু শিল্পৰ মিলন ঃ

দুৰ্গাপূজাৰ অন্যতম অনন্য বৈশিষ্ট্য হৈছে ধৰ্ম আৰু শিল্পৰ মিলন। প্ৰতিমা হৈছে ভাস্কৰ্যশিল্প, মণ্ডপ হৈছে স্থাপত্য আৰু নকশাৰ সমন্বয়, আলোকসজ্জা হৈছে দৃশ্যশিল্পৰ অংশ, ঢাক হৈছে সংগীত, সাংস্কৃতিক অনুষ্ঠান হৈছে পৰিৱেশনমূলক কলা আৰু শাৰদীয় সংকলন হৈছে সাহিত্যৰ প্ৰকাশ। অৰ্থাৎ এটা পূজাৰ ভিতৰত একেলগে বহু শিল্পধাৰা মিলিত হয়।

ইয়াৰ বাবেই দুৰ্গাপূজাক কেৱল ধৰ্মীয় আচাৰ হিচাপে সীমাবদ্ধ কৰি চালে ইয়াৰ সম্পূৰ্ণ ৰূপ উপলব্ধি কৰা নাযায়। ইউনেস্কোৰ স্বীকৃতিতো ধৰ্মীয় অনুষ্ঠানৰ লগতে শিল্পী আৰু ডিজাইনাৰসকলৰ সৃষ্টিশীল ক্ষেত্ৰ হিচাপে দুৰ্গাপূজাৰ গুৰুত্ব বিশেষভাৱে উল্লেখ কৰা হৈছে।

দুৰ্গাপূজা আৰু নতুন প্ৰজন্ম ঃ

এখন সংস্কৃতি জীয়াই থাকে নতুন প্ৰজন্মৰ মাজেৰে। সেয়েহে শিশুসকল আৰু যুৱ-প্ৰজন্মক দুৰ্গাপূজাৰ সৈতে কেৱল



বিনোদনৰ দিশেৰে নহয়, ইতিহাস, শিল্প, সাহিত্য, সংগীত, পৰম্পৰা আৰু সামাজিক মূল্যবোধৰ দিশেৰেও পৰিচিত কৰোৱা উচিত।

বিদ্যালয়সমূহত দুর্গাপূজাৰ সামাজিক আৰু সাংস্কৃতিক তাৎপর্যৰ ওপৰত আলোচনা, চিত্ৰাংকণ, ৰচনা, বক্তৃতা, কুইজ, সাংস্কৃতিক অনুষ্ঠান আদি আয়োজন কৰিব পাৰি। স্থানীয় শিল্পী আৰু মৃৎশিল্পীৰ সৈতে শিক্ষার্থীসকলক পৰিচিত কৰোৱাটোও এক শিক্ষামূলক পদক্ষেপ হ'ব পাৰে। উৎসৱ যদি শিক্ষাৰ সৈতে সংযুক্ত হয়, তেন্তে পৰম্পৰা কেৱল পুনৰাবৃত্তি নহৈ জ্ঞান আৰু সৃষ্টিশীলতাৰ উৎস হৈ পৰে।

দুর্গাপূজাৰ পৰা সমাজে কি শিকিব পাৰে দুর্গাপূজাৰ গভীৰতম শিক্ষা হয়তো এয়াই-অশুভৰ বিৰুদ্ধে শুভৰ জয় সম্ভৱ, কিন্তু তাৰ বাবে সমূহীয়া শক্তিৰ প্ৰয়োজন। মহিষাসুৰৰ বিৰুদ্ধে দেৱী দুর্গাৰ বিজয় পৌৰাণিক আখ্যান। আধুনিক সমাজত 'মহিষাসুৰ'ৰ ৰূপ ভিন্ন। অন্যায়, দুর্নীতি, হিংসা, নাৰী নির্যাতন, শিশুশোষণ, মাদকাসক্তি, পৰিৱেশ ধ্বংস, অশিক্ষা, কুসংস্কাৰ, বৈষম্য আৰু অসহিষ্ণুতা- এইবোৰেই আধুনিক সমাজৰ অশুভ শক্তি।

এইবোৰৰ বিৰুদ্ধে যুঁজিবলৈ কেৱল ব্যক্তিগত শক্তি যথেষ্ট নহয়। প্ৰয়োজন শিক্ষা, সচেতনতা, সামাজিক সহযোগিতা, আইন, নৈতিকতা আৰু মানৱীয় মূল্যবোধ।

সেয়েহে দুর্গাপূজা যদি আমাৰ জীৱনত কেৱল পাঁচ বা দহদিনীয়া উৎসৱ হৈ থাকে, তেন্তে ইয়াৰ শিক্ষা সীমিত। কিন্তু যদি উৎসৱৰ মূল্যবোধক দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব পাৰোঁ, তেন্তে ইয়াৰ তাৎপর্য বহুগুণে বৃদ্ধি পাব।

সাম্প্রদায়িক সম্প্রীতিৰ অসমৰ পৰম্পৰাত দুর্গাপূজা ঃ

অসমৰ সামাজিক পৰিৱেশত দুর্গাপূজাৰ এক বিশেষ স্থান আছে। অসমৰ নগৰ আৰু গ্ৰামাঞ্চলৰ বহু স্থানত পূজা কমিটীৰ আয়োজনত বিভিন্ন সম্প্রদায়ৰ মানুহে সহযোগিতা কৰে। পূজাৰ মণ্ডপ, বজাৰ, সাংস্কৃতিক অনুষ্ঠান আৰু সামাজিক কার্যসূচীয়ে বহু মানুহক একেলগে আনে।

অসমৰ বহুত্ববাদী সমাজত এই পাৰস্পৰিক অংশগ্রহণ বিশেষ তাৎপর্যপূর্ণ। বিহু, পূজা, ঈদ, ৰবদিন, আলি-আয়ে-লৃগাং, বৈষ্ণৱীয় উৎসৱ আদি বিভিন্ন পৰম্পৰা অসমৰ সামাজিক জীৱনৰ বৈচিত্র্যৰ অংশ। এই বৈচিত্র্যই আমাক শিকায়-নিজৰ সংস্কৃতিক ভালপোৱাৰ অর্থ আনৰ সংস্কৃতিক অপমান কৰা নহয়। ৰবং নিজৰ শিপা দৃঢ় কৰি আনৰ সংস্কৃতিৰ প্ৰতিও সন্মান দেখুওৱাটোৱেই সুস্থ সমাজৰ লক্ষণ।

সত্য, সুন্দৰ আৰু ন্যায়ৰ সন্ধান ঃ

দুর্গাপূজাৰ কেন্দ্রত আছে শক্তি। কিন্তু শক্তি নিজে কোনো



শাৰদীয় বিশেষ

চূড়ান্ত মূল্য নহয়। শক্তি কিহৰ বাবে ব্যৱহাৰ কৰা হৈছে, সেইটোৱেই মূল কথা।

অন্যায় প্ৰতিষ্ঠাৰ বাবে শক্তি ব্যৱহাৰ কৰিলে সেই শক্তি ধ্বংসাত্মক। ন্যায়, সত্য আৰু দুৰ্বলৰ সুৰক্ষাৰ বাবে শক্তি ব্যৱহাৰ কৰিলে সেই শক্তি কল্যাণমুখী।

দেৱী দুৰ্গাৰ প্ৰতীকী শক্তি সেয়েহে ন্যায়ৰ শক্তি। সমাজত সত্য আৰু সুন্দৰ প্ৰতিষ্ঠাৰ শক্তি। মানুহৰ মাজত ভয় নহয়, আস্থা সৃষ্টি কৰা শক্তি। এই দৃষ্টিকোণৰ পৰা দুৰ্গাপূজাৰ সামাজিক তাৎপৰ্য অত্যন্ত গভীৰ।

পূজা হওক আত্মশুদ্ধিৰ উৎসৱ ঃ

উৎসৱৰ বাহ্যিক আনন্দৰ লগতে অন্তৰ্মুখী আত্মশুদ্ধিৰ কথাও দুৰ্গাপূজাই সোঁৱৰাই দিয়ে। আমি নিজৰ ভিতৰত থকা অহংকাৰ, ঈৰ্ষা, ঘৃণা, অসত্য, অন্যায় আৰু অসহিষ্ণুতাক জয় কৰিবলৈ চেষ্টা কৰিব লাগিব।

দেৱীৰ হাতত থকা অস্ত্ৰবোৰক যদি প্ৰতীক হিচাপে চোৱা যায়, তেন্তে সেইবোৰে আমাৰ অন্তৰ্জগতৰ অশুভ প্ৰবৃত্তিৰ বিৰুদ্ধে নৈতিক শক্তিৰ প্ৰতীক হিচাপে ধৰা দিব পাৰে। অন্যায় দেখিও নীৰৱ থকা, দুৰ্বলক অপমান কৰা, মিছা কথা কোৱা, দায়িত্বৰ পৰা পলায়ন কৰা, অসহিষ্ণু হোৱা-এইবোৰো আমাৰ ভিতৰৰ অশুভ শক্তিৰ প্ৰকাশ। সেয়েহে পূজাৰ সময়ত মন্দিৰ বা মণ্ডপত গৈ প্ৰাৰ্থনা কৰাৰ লগতে নিজৰ আচৰণকো পৰ্যালোচনা কৰা উচিত।

দুৰ্গাপূজা ভাৰতীয় সমাজজীৱনৰ এক বহুস্তৰীয় সাংস্কৃতিক পৰিঘটনা। ইয়াৰ এটা দিশ ধৰ্মীয়, আনটো পৌৰাণিক; এটা দিশ আধ্যাত্মিক, আনটো সামাজিক; এটা দিশ শিল্পময়, আনটো অৰ্থনৈতিক; এটা দিশ স্থানীয়, আনটো বিশ্বজনীন।

কলকাতাৰ দুৰ্গাপূজাই ২০২১ চনত ইউনেস্কোৰ মানৱতাৰ অমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিনিধি তালিকাত স্থান লাভ কৰাটো এই উৎসৱৰ শিল্প, সামাজিক অংশগ্ৰহণ আৰু সাংস্কৃতিক পৰম্পৰাৰ আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি।

কিন্তু কোনো আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিতকৈও ডাঙৰ হৈছে মানুহৰ হৃদয়ত উৎসৱৰ স্থান। পূজাৰ দিনকেইটাত যদি মানুহে পৰস্পৰৰ ওচৰলৈ আহে, অভিমান পাহৰি বন্ধুত্বৰ হাত আগবঢ়ায়, শিল্পী আৰু কাৰুশিল্পীক সন্মান কৰে, দৰিদ্ৰ আৰু অসহায় লোকক সহায় কৰে, নাৰীক সন্মান কৰে, পৰিৱেশ ৰক্ষা কৰে আৰু সমাজৰ প্ৰতি নিজৰ দায়িত্ব উপলব্ধি কৰে-তেতিয়াহে দুৰ্গাপূজা প্ৰকৃত অৰ্থত সাৰ্থক হয়।

দুৰ্গাপূজাৰ মূল বাণী অশুভৰ ওপৰত শুভৰ বিজয়। কিন্তু আজিৰ পৃথিৱীত এই বিজয় কেৱল মহিষাসুৰ বধৰ পৌৰাণিক কাহিনীৰ মাজত সীমাবদ্ধ থাকিব নালাগে। আমাৰ সমাজৰ অন্যায়, অসত্য, হিংসা, বৈষম্য, অসহিষ্ণুতা আৰু অমানৱীয়তাৰ



শাৰদীয় বিশেষ

বিৰুদ্ধেও শুভশক্তিৰ জাগৰণ ঘটিব লাগিব।

দুর্গাৰ আৰাধনা তেতিয়াহে অর্থপূর্ণ হ'ব, যেতিয়া মানুহৰ অন্তৰত মানৱতা জাগিব। পূজাৰ দীপৰ পোহৰ তেতিয়াহে সার্থক হ'ব, যেতিয়া সেই পোহৰে অজ্ঞতা আৰু ঘৃণাৰ অন্ধকাৰ দূৰ কৰিব। ঢাকৰ শব্দ তেতিয়াহে সার্থক হ'ব, যেতিয়া তাৰ ছন্দত মানুহে মানুহৰ সৈতে মিলনৰ আহ্বান শুনিব।

সেয়েহে দুর্গাপূজা কেৱল মণ্ডপত প্রতিমা স্থাপন আৰু বিসর্জনৰ মাজত সীমাবদ্ধ কোনো উৎসৱ নহয়। ই আমাৰ সামাজিক বিবেক জগাই তোলাৰ এক সুযোগ। ই শিল্পক সন্মান কৰাৰ সুযোগ। ই পৰম্পৰাক নতুন প্রজন্মলৈ আগবঢ়াই নিয়াৰ সুযোগ। ই সামাজিক সম্প্রীতি শক্তিশালী কৰাৰ সুযোগ। ই নিজৰ ভিতৰৰ অশুভ শক্তিৰ বিৰুদ্ধে আত্মসংগ্রাম কৰাৰ সুযোগ।

দুর্গাপূজাৰ প্রকৃত সার্থকতা তেতিয়াই, যেতিয়া দেৱীৰ আগত জ্বলি থকা প্রদীপৰ পোহৰ পূজামণ্ডপৰ পৰা ওলাই আমাৰ ঘৰলৈ, সমাজলৈ আৰু সমগ্র মানৱসমাজলৈ বিস্তাৰিত হয়।

লেখা আহ্বান

অসমীয়া বর্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্রবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিটৰ গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্রমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।


আমাৰ ঠিকনা

হোৱাটচ্ এপ নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

শাৰদীয় বিশেষ

প্ৰবন্ধ



নৱৰাত্ৰি আৰু
শাৰদীয় দুৰ্গাপূজা
এক আধ্যাত্মিক দৃষ্টিভংগী

— উৰিশ্মা নাথ

যা দেৱী সৰ্বভূতেষু শক্তিৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।

সনাতন ধৰ্মৰ অন্যতম ধৰ্মীয় উৎসৱসমূহৰ ভিতৰত এটা হৈছে নৱৰাত্ৰি। যিটো বেছিভাগ হিন্দুৰ দ্বাৰা পৰম শ্ৰদ্ধাৰে উদযাপন কৰা হয়। হিন্দু বৰ্ষপঞ্জী অনুসৰি, নতুন বছৰৰ আৰম্ভণিৰ পৰা ৰাম নৱমীলৈ নৱৰাত্ৰি উদযাপন কৰা হয়। মা দুৰ্গাৰ কৃপা দৃষ্টি আৰু আশীৰ্বাদ লাভ কৰিবলৈ নৱৰাত্ৰিত দেৱী দুৰ্গাৰ নটা ৰূপৰ পূজা-অৰ্চনা আৰু অন্যান্য ধৰ্মীয় ৰীতি-নীতি পালন কৰা হয়।

দেশত বেছিভাগ চ'ত মাহৰ আৰু শৰৎকালত অহা নৱৰাত্ৰি উদযাপন কৰা হয়। আনহাতে খুব কম মানুহে জানে যে বছৰটো নৱৰাত্ৰি চাৰিবাৰ আহে যিটো নিম্নলিখিত ধৰণৰ- আহাৰ, চ'ত, আহিন আৰু মাঘ ইত্যাদি। চ'ত মাহৰ নৱৰাত্ৰি "বসন্ত নৱৰাত্ৰি" হিচাপে উদযাপন কৰা হয় আৰু আহিন মাহৰ নৱৰাত্ৰিক "শাৰদীয় নৱৰাত্ৰি" বুলি কোৱা হয়। কিন্তু আহাৰ আৰু মাঘৰ নৱৰাত্ৰিক "গুপ্ত নৱৰাত্ৰি" বুলি গণ্য কৰা হয়।

দেৱী দুৰ্গাৰ ভক্তসকলৰ বাবে নৱৰাত্ৰিৰ ন দিন বিশেষ। এই ন-দিনত দেৱী দুৰ্গাৰ ভক্তসকলে প্ৰকৃত হৃদয়ৰ পৰা তেওঁক ভক্তিৰে উপাসনা কৰে, লগতে নৱৰাত্ৰিৰ ন-দিন কিবা নতুন বা মাংগলিক কামৰ বাবে শুভ বুলি গণ্য কৰা হয়। নৱৰাত্ৰিৰ ন দিনত দেৱী দুৰ্গাৰ নটা ৰূপৰ পূজা কৰা হয় যিটো নিম্নলিখিত ধৰণৰ-

(১) মা শৈলপুত্ৰী - মাতৃ দুৰ্গাৰ নটা ৰূপৰ ভিতৰত প্ৰথমটো

শাৰদীয় বিশেষ

ৰূপ হৈছে দেৱী শৈলপুত্ৰীৰ। যি চন্দ্ৰক প্ৰতিনিধিত্ব কৰে। দেৱী শৈলপুত্ৰীৰ উপাসনাৰ দ্বাৰা চন্দ্ৰৰ লগত জড়িত দোষ নিবাৰণ হয়।

(২) মা ব্ৰহ্মচাৰিণী - জ্যোতিষীয়া দৃষ্টিকোণৰ পৰা মাতৃ ব্ৰহ্মচাৰিণীৰ দ্বাৰা মঙ্গল গ্ৰহক নিয়ন্ত্ৰণ কৰা হয়। মাতৃৰ উপাসনাৰ পৰা মঙ্গল গ্ৰহৰ নেতিবাচক প্ৰভাৱবোৰ আঁতৰি যায়।

(৩) মা চন্দ্ৰঘণ্টা - দেৱী দুৰ্গাৰ তৃতীয় ৰূপ হৈছে দেৱী চন্দ্ৰঘণ্টা শুক্ৰ গ্ৰহৰ নিয়ন্ত্ৰণৰ কাম কৰে। তেওঁক উপাসনা কৰিলে শুক্ৰ গ্ৰহৰ বেয়া প্ৰভাৱ কম হয়।

(৪) মা কুষ্মাণ্ডা - দেৱী কুষ্মাণ্ডাই ভগৱান সূৰ্যৰ পথ প্ৰদৰ্শন কৰে। সেয়েহে তেওঁক উপাসনা কৰি, সূৰ্যৰ অশুভ প্ৰভাৱ পৰিহাৰ কৰিব পাৰে।

(৫) মা স্কন্দমাতা - দেৱী স্কন্দমাতাৰ উপাসনাৰ দ্বাৰা বুধ গ্ৰহৰ সৈতে সম্পৰ্কিত দোষ আৰু নেতিবাচক প্ৰভাৱ কম হয়।

(৬) মা কাত্যায়নী - মা কাত্যায়নীক উপাসনা কৰি বৃহস্পতি গ্ৰহৰ লগত জড়িত বেয়া প্ৰভাৱ নাইকিয়া কৰিব পাৰি।

(৭) মা কালৰাত্ৰি - শনি গ্ৰহক মা কালৰাত্ৰিয়ে নিয়ন্ত্ৰণ কৰে আৰু তেওঁৰ উপাসনাৰ দ্বাৰা শনি দেৱৰ অশুভ প্ৰভাৱবোৰ আঁতৰাব পাৰিব।

(৮) মা মহাগৌৰী - দেৱী দুৰ্গাৰ অষ্টম ৰূপ হ'ল মহাগৌৰী। তেওঁৰ উপাসনাৰ দ্বাৰা ৰাহু গ্ৰহৰ ত্ৰুটি নাইকিয়া কৰিব পাৰি।

পৌৰাণিক গ্ৰন্থসমূহত বৰ্ণনা কৰা কিংবদন্তি অনুসৰি, মহিষাসুৰ নামৰ ৰাক্ষসটো ভগৱান ব্ৰহ্মাৰ পৰম ভক্ত আছিল। তেওঁ কঠোৰ তপস্যাৰে ব্ৰহ্মাক প্ৰসন্ন কৰি বৰদান লাভ কৰিছিলে যে কোনো দেৱতা, ৰাক্ষস নাইবা পৃথিৰীৰ কোনো মানুহে তেওঁক হত্যা কৰিব নোৱাৰে। ব্ৰহ্মাৰ পৰা বৰদান পোৱাৰ পিছতহে মহিষাসুৰ অতি নিষ্ঠুৰ হৈ পৰিছিল, সমগ্ৰ ত্ৰিলোকতে তেওঁ সন্ত্ৰাসৰ সৃষ্টি কৰিছিল।

(৯) মা সিদ্ধিদাত্ৰী - দেৱী সিদ্ধিদাত্ৰীৰ দ্বাৰা কেতু গ্ৰহক নিয়ন্ত্ৰণ কৰা হয়। এওঁক পূজা-অৰ্চনা কৰি কেতু গ্ৰহৰ বেয়া প্ৰভাৱ নাইকিয়া কৰিব পাৰি।

'নৱৰাত্ৰ' শব্দটোৰ পৰা 'নৱৰাত্ৰি' অৰ্থাৎ ৰাতিৰ অৰ্থ বুজায়। এই সময়ছোৱাত, দেৱী ভাগৱতীৰ নটা ৰূপৰ পূজা কৰা হয়। নৱৰাত্ৰিত 'ৰাত্ৰি' শব্দটো সিদ্ধিৰ প্ৰতীক বুলি গণ্য কৰা হয়। প্ৰাচীন কালৰ পৰায়েই আমাৰ ঋষিসকলে দিনটোতকৈ

শাৰদীয় বিশেষ

ৰাতিটোক অধিক গুৰুত্ব দিছিল। এইকাৰণেই শিৱৰাত্রি, দীপাৱলী আৰু নৱৰাত্রি আদি উৎসৱ ৰাতি উদযাপন কৰাৰ পৰম্পৰা আছে। যদি ৰাতি কোনো অজ্ঞাত গোপনীয়তা বা অদৃশ্য শক্তি লুকাই নাথাকিল হয়, তেতিয়া এনে উৎসৱবোৰ ৰাত্রি বুলি নকয়। দিন' বুলি ক'লেহেঁতেন।

পৌৰাণিক গ্রন্থসমূহত বর্ণনা কৰা কিংবদন্তি অনুসৰি, মহিষাসুৰ নামৰ ৰাক্ষসটো ভগৱান ব্রহ্মাৰ পৰম ভক্ত আছিল। তেওঁ কঠোৰ তপস্যাৰে ব্রহ্মাক প্রসন্ন কৰি ৱৰদান লাভ কৰিছিলে যে কোনো দেৱতা, ৰাক্ষস নাইবা পৃথিৱীৰ কোনো মানুহে তেওঁক হত্যা কৰিব নোৱাৰে। ব্রহ্মাৰ পৰা ৱৰদান পোৱাৰ পিছতহে মহিষাসুৰ অতি নিষ্ঠুৰ হৈ পৰিছিল, সমগ্র ত্রিলোকতে তেওঁ সন্ত্রাসৰ সৃষ্টি কৰিছিল। তেওঁৰ সন্ত্রাসৰ দ্বাৰা বিচলিত হৈ দেৱতা আৰু দেৱীসকলে ব্রহ্মা, বিষ্ণু আৰু মহাদেৱৰ সৈতে লগ হৈ মা শক্তিক সহায়ৰ বাবে প্রার্থনা কৰিছিল।

দেৱী দুর্গাই পৃথিৱীখনক অত্যাচাৰৰ পৰা মুক্ত কৰিবলৈ প্রকট হ'ল। যাৰ পিছত মা দুর্গা আৰু মহিষাসুৰৰ মাজত ন দিনৰ বাবে ভয়ংকৰ যুদ্ধ হ'ল। অৱশেষত দশম দিনা মা দুর্গাই মহিষাসুৰক হত্যা কৰিছিল। সেইদিনাৰ পৰাই, ন দিনৰ যুদ্ধক বেয়াৰ ওপৰত ভালৰ জয়ৰ পর্ৱৰূপে পালন কৰা হয়।

বৈদিক মান্যতাৰ অনুসৰি ভগৱান শ্রীৰামে লংকা আক্রমণ কৰাৰ আগতে, ৰামেশ্বৰমৰ সাগৰৰ পাৰত ন দিনৰ বাবে দেৱী দুর্গাক পূজা কৰিছিল। লংকাপতি ৰাৱণৰ সৈতে যুদ্ধত জয়ী হ'বলৈ দেৱী মা ভাগৱতীক পূজা কৰা হৈছিল। শ্রীৰামৰ ভক্তিত সন্তুষ্ট হৈ মা দুর্গাই যুদ্ধত তেওঁক জয় লাভ কৰিবলৈ আশীর্বাদ প্রদান কৰিছিল। যাৰ পিছত ভগৱান ৰামে লংকাপতি ৰাৱণৰ লগত যুদ্ধ কৰি ৰাৱণক পৰাজিত কৰি বধ কৰিলে। লগতে লংকাটো বিজয় লাভ কৰিলে। সেই সময়ৰ পৰাই ন-দিনৰ নৱৰাত্রি পালন কৰা হয়। লংকাত বিজয় প্রাপ্ত কৰা দিনটোক দশেৰাৰ ৰূপত পালন কৰা হয়।

বছৰৰ যিকেইটা ঋতুৱে প্রাকৃতিক জগতক ৰং ৰূপেৰে সজাই-পৰাই মনোৰম আৰু মোহনীয় কৰি তোলে, পৃথিৱীলৈ অপাৰ সৌন্দর্য কঢ়িয়াই আনি জীৱ জগত, জড় জগত সকলোতে আনন্দ, ৰঙৰ মেলা পাতি জগত জোনালীময় কৰি তোলে, সেই শৰৎ আৰু বসন্ত ঋতুতেই দুর্গাপূজা অনুষ্ঠিত হয়। পু�ৰাণৰ মতে গিৰিৰাজ হিমালয়ৰ ঔৰসত মেনকাদেৱীৰ গর্ভত দুর্গাদেৱীৰ জন্ম হয়। দেৱাদিদেৱ মহাদেৱ দুর্গাদেৱীৰ স্বামী। দুর্গাদেৱী ৰণচণ্ডী, কালী, কাপালী, নৃমুণ্ডমালিনী আদি বিভিন্ন নামে অভিহিতা। সত্যযুগত সুৰথ নামৰ এজন ৰজাই শত্রুৰ হাতত পৰাস্ত হৈ ৰাজ্য হেৰুৱাই মেধস মুনিৰ আশ্রমত গৈ মুনিৰ শৰণাপন্ন হয়। মুনিৰ পৰামর্শ মতেই সুৰথ ৰজাই মধুময় বসন্তৰ পৰিৱেশত সর্বপ্রথম দুর্গাপূজা অনুষ্ঠিত কৰি দেৱীৰ প্রসাদ লভি শত্রুক পৰাভূত কৰে আৰু হৃত ৰাজ্য উদ্ধাৰ কৰে। বসন্তকালত



শাৰদীয় বিশেষ

অনুষ্ঠিত হোৱাৰ বাবে সেই পূজা বাসন্তী পূজা নামে অভিহিত হয়।

কৃত্তিবাসী ৰামায়ণৰ মতে ত্রেতাযুগৰ শ্রীৰামচন্দ্রই ৰাৱণক বধ কৰিবলৈ শক্তি লাভৰ কাৰণে অকালতে শৰৎকালত দুর্গাদেৱীৰ পূজাৰ আয়োজন কৰে। সেই সময়ৰ প্রচলিত বিধিৰ ব্যতিক্রম ঘটাই ৰামচন্দ্রই অকালতে দেৱীক আহ্বান জনোৱাৰ বাবে ৰামচন্দ্রই অনুষ্ঠিত কৰা শাৰদীয় পূজাকে অকালবোধন বুলি কোৱা হয়। অৱশ্যে বাল্মীকি ৰামায়ণত ৰামচন্দ্রই পতা দুর্গাপূজাৰ কোনো উল্লেখ নাই। তথাপি সেইদিন ধৰি বঙালীসকলে শাৰদীয় অনুষ্ঠানকেই দুর্গা আৰাধনাৰ অনুষ্ঠান হিচাপে পৰিগণিত কৰি আহিছে। বংগদেশত প্রায় চাৰে তিনিশ বছৰৰ আগতে তাৰেপুৰৰ ৰজা কংশ নাৰায়ণে সর্বপ্রথমে দুর্গাপূজা অনুষ্ঠিত কৰিছিল বুলি প্রবাদ আছে।

দুর্গাদেৱী দশভুজা। দশ হস্তে দহ পাত শাণিত অস্ত্র, সিংহৰ পিঠিত আৰোহণ কৰি তেওঁ পৰম পৰাক্রমী মহিষাসুৰক নিধন কৰিবৰ কাৰণে উদ্যতা। তেওঁৰ সোঁকাষত ঐশ্বর্য বিভূতিৰ অধিষ্ঠাত্রী দেৱী লক্ষ্মী আৰু সিদ্ধিদাতা গণেশ, বাওঁকাষত বিদ্যাৰ অধিষ্ঠাত্রী দেৱী সর্বশুক্লা আই সৰস্বতী আৰু বীর্যৱান দেৱতাসকলৰ সেনাপতি কার্তিক। একেখন বেদীতে এইসকল দেৱ-দেৱীৰ স্থাপনত এক বিশেষ অর্থ নিহিত আছে। অসুৰ জগতৰ সকলো অশুভ শক্তিৰ প্রতীক। এই অশুভ শক্তিয়ে দশোদিশৰ পৰা মানুহক আক্রমণ কৰি জীৱন দুর্বিষহ কৰি তোলাৰ লগতে জগতত দুর্যোগৰ সৃষ্টি কৰে। জগতৰ আদ্যাশক্তি দুর্গাই দহ হস্তে দহ অস্ত্র লৈ দশোদিশৰ এই মহাবীর্যৱন্ত অসুৰৰূপী অশুভ শক্তিক দমন কৰি, নির্মূল কৰি ঐশ্বর্যবিভূতি, শিক্ষা-দীক্ষাৰে জগত জোনালী-সোণালী কৰি বিশ্ববাসীৰ মাজত মহাশান্তি প্রতিষ্ঠা কৰিব।

আহিন মাহৰ শুক্লা ষষ্ঠী তিথিত (এই তিথি কোনো কোনো বছৰত কাতি মাহতো পৰেগৈ) দেৱীৰ বোধন কার্য আৰম্ভ কৰি আৱাহন আৰু অধিবাস কার্য সম্পন্ন কৰে। সপ্তমী, অষ্টমী আৰু নৱমী এই তিনিটা তিথিত দেৱীৰ ভক্তসকলে পুৰ্ণা হিতৰ পৰিচালনাত ষোডশোপচাৰে দেৱীক পূজা কৰি ভক্তি অঞ্জলি প্রদান কৰে। অষ্টমী আৰু নৱমী তিথিৰ সন্ধিক্ষণত যি বিশেষ পূজা অনুষ্ঠিত হয়, তাক সন্ধি পূজা বোলে। দশমী তিথিত দেৱী বন্দনা আৰু আৰাধনাৰ সকলো কাম সমাপ্ত হয় আৰু দেৱীক বিসর্জন দিয়া হয়। নানা বাদ্য ভাণ্ডাৰে শোভাযাত্রা কৰি কোনো নদী বা জলাশয়ত প্রতিমা উটুৱাই দিয়া হয়।

ওঁ সৃষ্টিস্থিতিবিনাশানাং শক্তিভূতে সনাতনি।
গুণাশ্রয়ে গুণময়ে নাৰায়ণি নমোহস্তুতে।।

পূজাৰ এই পবিত্র অনুষ্ঠানত ধূপ-ধূনা আৰু হোমৰ গোন্ধই, দবা, তাল, শংখ, ঘণ্টাৰ সম্মিলিত সময়ে মানুহৰ অন্তৰে অন্তৰে



শাৰদীয় বিশেষ

স্বৰ্গীয় পবিত্ৰতা সানি দিয়েহি। হিংসা, দ্বেষ, কপটতা বিসৰ্জন দি ভক্তসকলে দেৱীৰ চৰণত মূৰ দোৱাই শক্তি, বিদ্যা বুদ্ধি, ঐশ্বৰ্যবিভূতি কামনা কৰে। মানুহেৰে উদুলি-মুদুলি পূজামণ্ডপ যেন বৈকুণ্ঠধামত পৰিণত হয়। ভাওনা, থিয়েটাৰ আদিয়ে পূজাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

দেৱী বিসৰ্জনৰ পাছত পুৰোহিতৰ দেহ-মন ক্লান্তিৰে ভৰি পৰে; মন আচ্ছন্ন হৈ যায়। ভক্তসকলৰ অন্তৰতো দেৱী-বিসৰ্জনৰ বিচ্ছেদে বিষাদৰ সৃষ্টি কৰে। বঙালীসকলে আত্মীয়-স্বজনৰ সৈতে আলিংগন কৰি পৰস্পৰক শ্ৰদ্ধা, ভক্তি আৰু শুভেচ্ছা নিবেদন কৰে। এই অনুষ্ঠানটি বিজয়া নামে জনাজাত।

দুৰ্গাপূজা প্ৰকৃতপক্ষে এটি ধৰ্মীয় অনুষ্ঠান। কিন্তু বৰ্তমান সময়ত সকলো শ্ৰেণীৰ হিন্দুৱেই সহযোগিতা কৰাৰ ফলত ই এক উদাৰ সামাজিক অনুষ্ঠানত পৰিণত হৈছে। মানুহৰ মিলনৰ মহা-মহোৎসৱে ইয়াৰ পৰিসৰ এনে ব্যাপক কৰি তুলিছে যে ইয়াক সমুহীয়া জাতীয় উৎসৱ হিচাপে গণ্য কৰিব পৰা যায়। অসমৰ বিভিন্ন ঠাইত উলহ-মালহেৰে দুৰ্গাপূজা অনুষ্ঠিত হয়।

দুৰ্গাপূজা চাৰিদিনতে সমাপ্ত হয়; তাতকৈ বেছিদিন পূজা নহয়। ইয়াৰ এটা অন্তৰ্নিহিত লৌকিক কাহিনী বঙালীসকলৰ মাজত প্ৰচলিত আছে। হিমালয়ৰ কন্যা উমাই (দুৰ্গাই) বিবাহৰ বহু বছৰৰ পাছত পুত্ৰকন্যা সমন্বিত মাত্ৰ তিনিদিনৰ বাবেহে পতি-গৃহৰ পৰা পিতৃগৃহলৈ আহিছিল আৰু মাতৃ-মেনকাক কন্দুৱাই চতুৰ্থদিনাই পুনৰ পতি-গৃহলৈ গমন কৰিছিল। সেইবাবেই পূজাৰ চতুৰ্থ দিনা দেৱীৰ বিসৰ্জন হয়। বঙালীসকলৰ পাৰিবাৰিক জীৱনতো এই কাহিনীৰ সামঞ্জস্য তেওঁলোকে দেখিবলৈ পায়। বিবাহিতা কন্যাৰ পিতৃ-গৃহলৈ আগমনত অন্যান্যসকলৰ লগতে মাতৃৰ অন্তৰ আনন্দত উদ্বেলিত হৈ উঠে। সেইদৰে স্বামী-গৃহলৈ প্ৰত্যাগমনৰ দিনা বিদায়বেলাত মাতৃৰ অন্তৰেই আটাইতকৈ বেদনাসিক্ত হৈ পৰে; অশ্ৰুনীৰে বেদনা-সাগৰ পূৰ্ণ হৈ যায়; এই সাদৃশ্যই, সামঞ্জস্যই দুৰ্গাপূজাক বঙালীসকলৰ



অতি দৰদৰ, অতি মৰমৰ প্ৰাণৰ আপোন কৰি তুলিছে।

দুৰ্গাপূজা বঙালীসকলৰ পাৰিবাৰিক জীৱনত মিলনৰো উৎসৱ বুলি ক'ব পাৰি। সুদীৰ্ঘ প্ৰৱাসী জীৱন-যাপনৰ পাছত পূজাৰ সময়ত ভাই-ককাই, বাই-ভনী, আত্মীয়-স্বজন ঘৰলৈ ফুৰিব আহি মাতৃৰ স্নেহৰ স্নেহময়ী কোলাৰ আচলত জিৰণি লৈ হিয়া শাঁত পেলায়। অতদিনে উৰুঙা-উৰুঙা, ৰিঙা-ৰিঙা লগা ঘৰখন আনন্দমুখৰ হৈ উঠে। পিতৃ-মাতৃৰ অন্তৰ আনন্দত নাচি উঠে। সেয়েহে ই মিলনৰো উৎসৱ।

ব্ৰহ্মবৈৱৰ্ত পু�ৰাণত উল্লেখ থকা অনুসাৰে এই দুৰ্গাপূজাৰ প্ৰৱৰ্তক স্বয়ং শ্ৰীকৃষ্ণ। দুৰ্গাপূজাৰ প্ৰৱৰ্তনৰ একোটা কথিত আখ্যানো এই পুৰাণত পোৱা যায়। কোৱা উচিত হ'ব যে, এই ইতিহাসৰ কোনো প্ৰামাণিক তথ্য নাই।

দেৱী ভাগৱত অনুসৰি ব্ৰহ্মাৰ মানস পুত্ৰ মনুৱে পৃথিৱীৰ শাসনভাৰ পাই ক্ষীৰদধি তীৰত দেৱী দুৰ্গাৰ মৃণ্ময় মূৰ্তি নিৰ্মাণ কৰি আ�ৰাধনা কৰে আৰু এই সময়খিনিত তেওঁ তিনি বাগ্‌ভৱ বীজ জপ কৰে লগতে আহাৰ আৰু শ্বাস গ্ৰহণ পৰিত্যাগ কৰি বহুৰ বহুৰ ধৰি তেওঁ ঘোৰ তপস্যা কৰে। আৰু তাতে দেৱী দুৰ্গা প্ৰসন্ন হৈ মনুৰ আগত উপস্থিত হৈ মনুক বৰ দিলে "হে মহাবাহু, তোমাৰ প্ৰাৰ্থনা সিদ্ধ হওক। মই তোমাৰ সকলো প্ৰাৰ্থনীয় বিষয় দান কৰিছোঁ। বৎস! তোমাৰ ৰাজ্য নিষ্কণ্টক হওক আৰু তুমি পুত্ৰ লাভ কৰা।

দুৰ্গা দেৱীৰ মূৰ্তিটো সাধাৰণতে দুৰ্গাৰ পৰিয়ালৰ লগতে থকা দেখা যায়। এই মূৰ্তিসমূহৰ মধ্য স্থানত দেৱী দুৰ্গা থাকে আৰু তেওঁৰ সোঁফালে থাকে দেৱী লক্ষ্মী আৰু গণেশ আনহাতে বাওঁফালে থাকে দেৱী সৰস্বতী আৰু কাৰ্তিক। কলিকতাত পোনপ্ৰথমবাৰৰ বাবে ১৬১০ চনত সাৰ্বণ ৰায়চৌধুৰী পৰিয়ালে এই প্ৰথাৰ প্ৰচলন কৰিছিল।

"দুৰ্গা" এই শব্দটিৰ 'দ'-আখৰে দৈত্যনাশ, 'উ'-কাৰে বিঘ্ননাশক, 'ৰেফ' ৰোগনাশক, 'গ'-আখৰে পাপনাশক, আৰু 'আ'-কাৰে ভয় তথা শত্ৰুনাশক। অৰ্থাৎ, দৈত্য, বিঘ্ন, ৰোগ, পাপ আৰু ভয়-শত্ৰুৰ পৰা যিয়ে ৰক্ষা কৰে সেয়ে দুৰ্গা। দেৱী দুৰ্গা হ'ল সৃষ্টিৰ আদি। পিতামহ ব্ৰহ্মা, ভগৱান বিষ্ণু আৰু ভগৱান শংকৰে তেখেতৰে শক্তিৰে এই সৃষ্টিৰ সৃজন, পালন-পোষণ আৰু সংহাৰ কৰে।

- খং নকৰিবা, নিজৰ সৰ্বনাশ হ'ব, অহংকাৰ নকৰিবা, পতন হ'ব, কাকো ঘৃণা নকৰিবা, নিজেও ঘৃণিত হ'বা, ফাঁকি নিদিবা, ফাঁকত পৰিবা। -স্বামী বিবেকানন্দ
- ফুল আৰু পখিলাক বাহ্যিক ৰূপেৰে জুখিবা, মানুহক নুজুখিবা। -ৰবীন্দ্ৰনাথ ঠাকুৰ


শাৰদীয় বিশেষ

শাৰদীয় দুর্গোৎসৱ

শক্তি আৰু সংস্কৃতিৰ এক অপূর্ব সমন্বয়

— কল্পনা দত্ত

প্রবন্ধ



ভূমিকা ঃ

শৰতৰ শুভ্ৰ কঁহুৱা ফুল, নীলা আকাশ আৰু শেৱালিৰ মিঠা গোন্ধে প্রকৃতিক যেতিয়া এক নান্দনিক ৰূপেৰে সজাই তোলে, তেতিয়াই সমগ্র দেশজুৰি আৰম্ভ হয় শাৰদীয় দুর্গোৎসৱ। ঢাক-ঢোলৰ মধুৰ শব্দ, ধূপ-ধূনাৰ সুগন্ধি আৰু দেৱী-দুগাৰ বন্দনাৰে চৌদিশ মুখৰিত হৈ পৰে। দুর্গোৎসৱ কেৱল এটা ধর্মীয় উৎসৱ নহয়; ই শক্তি সংস্কৃতিৰ, পৰম্পৰাই, সম্প্রীতি আৰু মানৱীয় মূল্যবোধৰ এক অপূর্ব সমন্বয়।

শক্তিৰ আৰাধনা ঃ

দুর্গাদেৱী হৈছে শক্তিৰ প্রতীক। পৌৰাণিক কাহিনী অনুসৰি মহিষাসুৰৰ অত্যাচাৰত দেৱতা আৰু মানুহ অতিষ্ঠ হৈ পৰাত দেৱতাসকলৰ সন্মিলিত শক্তিৰ পৰা দেৱী দুর্গাৰ আৱির্ভাৱ হৈছিল। দেৱীয়ে মহিষাসুৰৰ সৈতে যুদ্ধ কৰি তেওঁক বধ কৰিছিল। এই কাহিনীয়ে আমাক এটা গভীৰ শিক্ষা- অশুভ শক্তি যিমানেই শক্তিশালী নহওক কিয়, সত্য আৰু ন্যায়ৰ শক্তিৰ ওচৰত এদিন পৰাজিত হ'বই।

দেৱী দুর্গাৰ দশভুজ ৰূপত বিভিন্ন অস্ত্রৰ উপস্থিতিয়ে সাহস, আত্মবিশ্বাস আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজাৰ শক্তিৰ প্রতীক বহন কৰে। সেয়েহে দুর্গাপূজা হৈছে কেৱল দেৱী বন্দনাই নহয়, নিজৰ ভিতৰৰ সাহস আৰু শক্তিক জাগ্রত কৰাৰো এক উপলক্ষ।

নাৰী শক্তিৰ প্রতীক ঃ

দুর্গোৎসৱৰ অন্যতম গুৰুত্বপূর্ণ দিশ হৈছে নাৰী শক্তিৰ আৰাধনা। দেৱী দুর্গাই প্রমাণ কৰে যে নাৰী কেৱল স্নেহ, মমতা আৰু ত্যাগৰ প্রতীক নহয়; নাৰী হৈছে শক্তি, সাহস, নেতৃত্ব আৰু সৃষ্টিশীলতাৰ প্রতীক।

আজিৰ সমাজত নাৰীসকল শিক্ষা, বিজ্ঞান, প্রশাসন, ৰাজনীতি, ক্রীড়া, সাহিত্য-সংস্কৃতি আদি সকলো ক্ষেত্রতে আগবাঢ়িছে। সেয়েহে দুর্গাপূজাৰ মূল বার্তা হ'ব লাগে- নাৰীক সন্মান কৰা, নাৰীৰ অধিকাৰ সুৰক্ষা কৰা আৰু নাৰী শক্তিক আগু�ৰাই লৈ যোৱা।



সংস্কৃতিৰ উৎসৱ ঃ

দুৰ্গোৎসৱ ভাৰতীয় সংস্কৃতিৰ এক জীৱন্ত প্ৰতিচ্ছবি। মৃৎশিল্পীসকলে মাটিৰে দেৱ-দেৱীৰ প্ৰতিমা নিৰ্মাণ কৰে, শিল্পীসকলে মণ্ডপ সজায় আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানে পূজাৰ পৰিৱেশ অধিক মনোমোহা কৰি তোলে।

ঢাক-ঢোল, কাঁহ-শংখৰ ধ্বনি, আৰতি, ভক্তিগীত, নৃত্য, নাটক আৰু বিভিন্ন লোক-সংস্কৃতিৰ উপাদানে দুৰ্গোৎসৱক এক বৰ্ণিল সাংস্কৃতিক উৎসৱত পৰিণত কৰে। প্ৰতিমা নিৰ্মাণৰ পৰা আৰম্ভ কৰি মণ্ডপ সজালৈকে প্ৰতিটো ক্ষেত্ৰতে আমাৰ শিল্পীসকলৰ প্ৰতিভা আৰু সৃষ্টিশীলতা প্ৰকাশ পায়।

সামাজিক সম্প্ৰীতিৰ বাৰ্তা ঃ

দুৰ্গাপূজাৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে সামাজিক সম্প্ৰীতি। পূজাৰ সময়ত জাতি, ধৰ্ম, ভাষা আৰু সামাজিক পৰিচয়ৰ ভেদাভেদ পাহৰি বহু মানুহ একেলগে উৎসৱ উপভোগ কৰে। পূজা মণ্ডপত সকলোৰে সমান অংশগ্ৰহণে সমাজত ভাতৃত্ববোধ আৰু ঐক্যৰ ভাব শক্তিশালী কৰে।

এইদৰে দুৰ্গোৎসৱে আমাক শিকাই যে সমাজৰ প্ৰকৃত শক্তি বিভাজনত নহয়; ঐক্য আৰু সম্প্ৰীতিত নিহিত হৈ আছে।

পৰম্পৰা আৰু আধুনিকতাৰ সমন্বয় ঃ

সময়ৰ পৰিৱৰ্তনৰ লগে লগে দুৰ্গাপূজাৰ উদযাপনতো বহু পৰিৱৰ্তন আহিছে। আধুনিক প্ৰযুক্তি, নতুন ধৰণৰ মণ্ডপ সজ্জা আৰু আলোকসজ্জাই উৎসৱক অধিক আকৰ্ষণীয় কৰি তুলিছে। তথাপিও পূজাৰ মূল পৰম্পৰা আৰু আধ্যাত্মিক ভাবধাৰা আজিও অটুট আছে।

বৰ্তমান সময়ত পৰিৱেশ-বান্ধৱ দুৰ্গোৎসৱৰ ওপৰতো গুৰুত্ব দিয়া উচিত। প্ৰদূষণ নিয়ন্ত্ৰণ, প্লাষ্টিকৰ ব্যৱহাৰ হ্ৰাস কৰা আৰু পৰিৱেশৰ প্ৰতি দায়িত্বশীল হোৱা আমাৰ সকলোৰে কৰ্তব্য।

উপসংহাৰ ঃ

শাৰদীয় দুৰ্গোৎসৱ হৈছে শক্তি আৰু সংস্কৃতিৰ এক মহৎ মিলন। ই আমাক সত্যৰ পথত আগবাঢ়িবলৈ, অন্যায়ৰ বিৰুদ্ধে সাহসেৰে থিয় দিবলৈ, নাৰীক সন্মান কৰিবলৈ আৰু সমাজত ঐক্য-সম্প্ৰীতি বজাই ৰাখিবলৈ অনুপ্ৰেৰণা দিয়ে।

সেয়েহে দুৰ্গোৎসৱ কেৱল প্ৰতিমা পূজা বা আনন্দ-উৎসৱৰ মাজতে সীমাবদ্ধ নহয়। ইয়াৰ অন্তৰালত নিহিত আছে শক্তিৰ জাগৰণ, সংস্কৃতিৰ সংৰক্ষণ, নাৰী সন্মান আৰু মানৱীয়তাৰ এক মহান বাৰ্তা। শাৰদীয় দুৰ্গোৎসৱৰ এই চিৰন্তন আদৰ্শই আমাৰ সমাজ আৰু নতুন প্ৰজন্মৰ সদায় সত্য, ন্যায় আৰু সুন্দৰৰ পথত আগুৱাই লৈ যাওক- এয়াই আমাৰ কামনা।

▶ এটা বন্দুকৰ গুলীতকৈ এবটল চিয়াহীৰ মূল্য বেছি।
-মাদাৰ টেৰেছা

▶ গৃহ হ'ল শিক্ষাৰ আৰম্ভণি বিন্দু। -ৰোচেন ক্ৰেজ



শাৰদীয় বিশেষ

শৰৎ, তোমাক স্বাগতম

— হিয়াশ্রী শর্মা

শেৱালিৰ সুবাসে
যেতিয়া বাট ভৰাই তোলে,
নীল আকাশৰ বুকুত
শুভ্ৰ মেঘে ছবি আঁকে—
তেতিয়াই বুজোঁ,
শৰৎ আহিছে।
শৰৎ, তোমাক স্বাগতম—
তুমি কেৱল ঋতু নহয়,
তুমি যেন ক্লান্ত মনৰ
এটি নিৰ্মল বিৰতি,
এটি নতুন আশাৰ
নীৰৱ আগমনী।
কাশফুলৰ দোলনিত
প্ৰকৃতিয়ে সজায় নতুন সপোন,
শৰৎ, তুমি আহা—
মনবোৰৰ আকাশ পৰিষ্কাৰ কৰি,
দুখৰ ডাৱৰ আঁতৰাই
আশাৰ ৰ'দ বিলোৱা।
তোমাৰ আগমনে আকৌ এবাৰ কয়
শেষ বুলি একো নাই,
প্ৰতিটো অন্তৰ আঁৰত
এটি নতুন আৰম্ভণি থাকে।
শৰৎ, তোমাক স্বাগতম।



ক বি তা

শৰতৰ জোনাক

— ভূপালী কলিতা

কঁহুৱা ফুলা ৰাতি
শৰতৰ জোনাক নিশা
নিয়ৰৰ মুকুতামণিবোৰে
শুভ্ৰ ৰঙেৰে বিয়পাই
আনে আহিনৰ বতৰা।

নিশাৰ আকাশত
কঁহুৱাৰ মাজে মাজে
নৈৰ কাষত
জ্বলি থকা জোনাকী পৰুৱাবোৰেও
শুভ্ৰতাৰ আঁচল উৰুৱাই
বৈ আনে শেৱালিৰ সুবাস।

জোনাকী ৰাতিৰ কোমল পৰশে
ভৰাই তোলে প্ৰাণৰ উল্লাস।



শাৰদীয় বিশেষ

এমুঠি হাঁহি

— ৰাণু দত্ত ৰৰা

আহিনৰ ডঁৰিয়লিত
সুখৰ ভৰুণ বাগিচা,
চৌদিশে ফলে ফুলে জাতিষ্কাৰ
নিয়ৰৰ টোপালবোৰ যেন
একো একোটা মুকুতা।

এয়া যে শৰতৰ বতৰ

নৈৰ পাৰে পাৰে
কঁহুৱা ফুলিছে,
শৰালিজাকে প্ৰাণ খুলি হাঁহিছে
ডাৱৰবোৰ আঁতৰি গৈছে।

এয়া যে প্ৰেম ভালপোৱাৰ
বাবে এক উপহাৰ,
বিষাদৰ আৱৰণে ঢাকি ৰখা হৃদয়ত
শেৱালি ফুলিছে



ঢোল, মৃদংগৰ তালে তালে
লচমীজনীয়ে মনৰ হেঁপাহেৰে নাচিছে।

আকৌ এবাৰ শৰৎ আহিছে
সেউজীয়াবোৰে মিচিকিয়াই হাঁহিছে।

মৰীচিকা আহিনৰ

— বৰষাৰাণী শইকীয়া

ফুল নে মোৰ ভুল;
হোৱাৰ কথাই আছিল আহিনৰ মায়াত মচগুল।

আহিন বা কিয় নাহিল!

ভুল আছিল
চাগৈ ভুল আছিল;

সেই ঠিকনা;
তোমাৰো, আহিনৰো...

ফুলৰ বাটত ইমানবোৰ হুল!

শাৰদীয় বিশেষ

দূবৰি

— লাকী ভূঞা



মোৰ পদুলিত দূবৰি দলিচা পাৰি
প্ৰশ্ন কৰে তুমি ক'ত?
শেৱালি জোপাই যে পৰিছে,
ভাগৰি সময় গণি গণি
মোৰ চোতালত নিয়ৰ গণি গণি
মোৰ নাই আহৰি।

মোৰ চোতালত সুগন্ধি কুসুম ফুলে
মন ব্যাকুল হৈ পৰে।
শাৰদী ৰাণী হেনো তোমাৰ নাম
তোমাক কেনেকৈ পাহৰি যাম
তুমি শৰতৰ শেৱালি হৈ আহা
তোমাৰ ফুল বুটলিম চোতালৰ পৰা।
দুই ওঁঠত হেঁপাহৰ খিলখিলনি
আকাশত তৰা জিলমিল।

মোৰ চোতালৰ বকুলজোপাই নিয়ৰ সানে
বকুলজোপাই নিয়ৰ লগত খেলিছে
মনৰ হেঁপাহত নাচিছে গাইছে
শৰৎ মানে পূজাৰ বতৰ
কোনে দিব তোমাৰ খবৰ?
মোৰ পদুলি আজি সুগন্ধি
ফুৰিছো না না ফুল বুটলি।

শৰৎ মোৰ শ্ৰেষ্ঠ কবিতা

— কৰিশ্মা নেওগ

নজহা নপমা ঋতু এটাৰ বাটেৰে গৈ থাকোঁতে
দেখিলোঁ মোৰ যৌৱন , এচোতাল শেৱালি,
দূবৰিৰ চেঁচা স্পৰ্শ!
লাস্যময়ী হৈ উঠা নদীখন
শুভ্ৰ কঁহুৱাৰ চাদৰখনে মেৰিয়াই লওঁতেই
তুমি কি জোনাকী এটিৰ দৰে
বুকুৰ ভিতৰে বাহিৰে জ্বলে
প্ৰেমৰ আৱাহন!
গেৱধৰা ধানৰ গোন্ধ এটাই হেঁচুকি আহে।



শাৰদীয় বিশেষ

পদযুগলত এটি প্রার্থনা-পুষ্প

— পিকি পাৰবীন

কলিযুগৰ কালিকা লগা পলবোৰত
প্রায়শ্চিত্তৰ সাহস তেনেই তাকৰ!
পাহৰা জানো সম্ভৱ
এজনী নির্যাতিতা, ধর্ষিতাৰ
ডেডাউৰি পৰা চিঞৰবোৰ...?
কিমান কাতৰ...
কত গহীন-গভীৰ নিসংগ...

হে দশভুজা ত্রিনয়না...
আদ্যাশক্তি মহামায়া উৎপত্তি
তুমি জগত জননী, সর্বত্র বিৰাজিত
সৃষ্টি-স্থিতি-লয়ৰ অধিকাৰিণী
মহিষমর্দিনী...
নাৰী তুমি আমাৰ মাজত
তোমাৰ বুকুত আমাৰ সাহসিকতাৰ উশাহ।

বর্ষাৰ শেষ কান্দোনৰ জোৱাৰে
ধুৱাই নিয়া মৰতৰ কোলাত
নামি আহে শাৰদীয় পূর্ণিমাৰ
কেঁচা ৰূপোৱালী পৰশ...
পাষণ্ড মহিষাসুৰৰ কোঁচখোৱা মুখাবোৰত
ভয়ৰ বেলিটি দগ্ধ হয়,
তুমি নাৰীৰ
মৃণ্ময়ী মূর্তিৰ পদগতিৰ সমান্তৰালত...
চাৰিবেদৰ অমৰ শব্দমালা
দুর্গতিনাশিনী তুমি।

হে শক্তিদায়িনী...
জাগ্রত হোৱা তুমি প্রতিজনী নাৰীৰ তেজত
উদগীৰিত হোৱা ভণ্ড সময়ৰ বিপৰীতে,
সত্ব-ৰজ-তম গুণবাহী এক আগ্নেয়াস্ত্র হৈ
যাৰ কম্পনত স্থলন হ'ব
অনৈতিক-অনাচাৰ-অপৰাধী এজাকৰ
সভ্যহীন দাম্ভিকতাৰ বালিঘৰ...।

প্রিয় শৰৎ

— নীলপক্ষী

আকাশত শুকুলা মেঘৰ উর্মিমালা,
এয়া শৰতৰ বতৰ,
প্রিয় শৰৎ
স্নিগ্ধ পুৱাত সৰিব আশাৰ শেৱালি
শৰতৰ নিশা
এটি কণা দুটি নিয়ৰ সৰিব...

শুকুলা কঁহুৱাই আৱৰিব
মনৰ নিজান,
শাৰদীয় এছাটি কোমল বতাহে
উল্লাস আনিব জীৱনৰ।
শৰৎ মাথোঁ এটি ঋতু নহয়
এটি হেঁপাহ।



গল্প

অসম্পূর্ণ

সপোনৰ মালিতা

— স্মৃতি ডেকা খাউণ্ড

শাৰদীয় বিশেষ

গভীৰ নিশা। চৌদিশে মাথোঁ নীৰৱতা আৰু অন্ধকাৰ। আন্ধাৰলৈ তেওঁ ভয় কৰে। কিন্তু কি হ'ল জানো আজি চাৰিদিনে তেওঁৰ আন্ধাৰলৈ ভয় লগা নাই। আন্ধাৰৰ মাজেদিয়ে তেওঁ ঢপলিয়াই আহিছে। প্ৰায় নোহোৱা হৈ পৰা ছাইখিনি খুঁচৰি ফুৰিছে। কিন্তু নাই, বহুত চেষ্টা কৰিও তেওঁ তাইৰ চিনস্বৰূপে ধূলিকণা এটাও বিচাৰি নাপালে।

"মাথোঁ এবাৰলৈ আহচোন সোণ। তোক অলপমান বুকুত সামৰি লওঁ।" —তেওঁ বিৰবিৰালে। শেষবাৰৰ বাবে হ'লেও ছোৱালীজনীক এবাৰ ওচৰৰপৰা চোৱাৰ হেঁপাহ তেওঁৰ বুকুত এতিয়াও আছে।

কিন্তু তেওঁৰ বিৰবিৰনি শুনিবলৈ কাষত যে কোনেও নাছিল। তেওঁৰ চকুলো বাগৰি আহিল। কান্দি কান্দিয়ে কেতিয়া তেওঁ তাত বাগৰি পৰিল তেওঁ ধৰিবই নোৱাৰিলে।

ৰাতিপুৱা যেতিয়া সাৰ পালে তেতিয়া তেওঁ নিজকে বিছনাত পালে। তেওঁ খপজপাই উঠি বহিল।

ঃ মামুনু। —তেওঁ চিঞৰিলে।

তেওঁৰ চিঞৰ শুনি মানুহ এজন দৌৰি আহিল। আহি য়ে মানুহ জনে মানুহ গৰাকীক সাবটি ধৰিলে।

ঃ তুমি কিয় এনেকুৱা কৰিছা মলয়া? তুমি এনেকুৱা কৰিলে মই বাৰু কেনেকৈ থাকিম?

ঃ তাই বাৰু কিয় এনেকুৱা কৰিলে?

ঃ নাজানোঁ। হয়তো আমি দিয়া মৰম আৰু সংস্কাৰতে কিবা কম হ'ল।

ঃ হ'লেও তাইক যদি

উস...। মাতৃ হৈও এগৰাকী বান্ধৱীৰ দৰেই তাইৰ কোনোবা আপোন আছে নেকি সেই কথা বাৰে বাৰে সুধিছিল তেওঁ। প্ৰতিবাৰেই তাই না কৈছিল। তাইৰ চালচলনতো তেনেকুৱা ভাবিবলগীয়া একো নাছিল। মাক হিচাপে তেওঁ তাইৰ সকলো খবৰে ৰাখিছিল। কিন্তু তাই তাইৰ মনত গোপনে থৈ দিয়া কথাৰ উমান তেওঁক কোনোদিনে দিয়া নাছিল। আৰু মাক হ'লেও তেওঁতো মানুহহে। সৰবজানতো নহয়। আনে মনৰ ভিতৰত গোপনে কি লুকুৱাই ৰাখিছে কেনেকৈ জানিব! কিন্তু তেওঁলোকৰ এই বিশ্বাস, ভালপোৱাৰ প্ৰতিদান যে তাই এনেদৰে দিব সেই কথা তেওঁ সপোনতো ভাবিব পৰা নাছিল।

এবাৰ চাবলৈ পালোহেঁতেন!

ঃ ভালেই হ'ল নেদেখিলা। তাইক দেখাহেঁতেন তুমি আৰু কষ্ট পালাহেঁতেন।

ঃ জানা নে তাই যে নাই, সেই কথা মোৰ এতিয়াও বিশ্বাসে হোৱা নাই।

ঃ নাকান্দিবা মলয়া। আমাৰ চাগে ভাগ্যত এয়াই আছিল।" —মানুহগৰাকীক সান্ত্বনা দিলে ঠিকেই, কিন্তু তেওঁৰো যে বুকুখন ভৰি পৰিল।

দুয়ো একেলগে কান্দি উঠিল। তেনেদৰেই বহু পৰ পাৰ হৈ গ'ল।

ঃ চাওঁ মলয়া। চকুপানীখিনি মচি পেলোৱা। —এটা সময়ত চেতনা ঘূৰাই পোৱা মানুহৰ দৰে মানুহজনে ক'লে।

ঃ মলয়া আজি চাৰিদিনে তুমি একো এটাই মুখত দিয়া নাই। ৰ'বা মই তোমালৈ কিবা এটা ৰান্ধি আনো। তুমি কিন্তু ইয়াতে বহি থাকিবা দেই মলয়া। ক'লৈকো নাযাবা।

তাই মানুহজনলৈ চালে। ইমান আকুলতা। কিমান যে সহজ-সৰল মানুহজন। এই মানুহজনৰ কথাও তাই এবাৰ ভাবিব নোৱাৰিলে নে? নিজৰ সংস্কাৰৰ ওপৰতে তেওঁৰ ধিক্কাৰ জন্মিল।

তেওঁৰ দুচকুৰ আগত তাইৰ ছবিখন ভাঁহি আহিল। নিশিতা। তেওঁলোকৰ একমাত্ৰ সন্তান। তাই কষ্ট পাব বুলি দ্বিতীয় এটা সন্তানৰ কথা কোনোদিনে নাভাবিলে তেওঁলোকে। একমাত্ৰ ছোৱালীজনীৰ সপোন পূৰণ কৰিবৰ বাবেই যে কিমান কষ্ট কৰিছিল মানুহজনে। নিজে নাখায়ো তাইক খুৱাইছিল। নিজে

শাৰদীয় বিশেষ

নিপিন্ধিও তাইক পিন্ধাইছিল। তাইৰ প্ৰতিটো প্ৰয়োজন পূৰাবলৈ তেওঁলোকে পাৰ্যমানে চেষ্টা কৰিছিল। সৰুৰেপৰা তাই এয়াৰ হোষ্টেজ হোৱাৰ সপোন দেখিছিল। দিন হাজিৰা কৰা দেউতাকে আপত্তি কৰা নাছিল।

ঃ তুমি চিন্তা নকৰিবা মলয়া। মই পাৰিম দিয়া। এজনীয়ে ছোৱালী। তাইৰ সপোন যদি পূৰাব নোৱাৰোঁ, মোৰ দেউতাক হোৱাৰ অৰ্থই কি থাকিব? — মানুহজনে কৈছিল।

তাই হায়াৰ ছেকেণ্ডাৰীত উত্তীৰ্ণ হৈয়ে এয়াৰ হোষ্টেজৰ কোৰ্চ ল'বলৈ চহৰলৈ গুচি গৈছিল। নাই তেওঁলোকে বাধা দিয়া নাছিল। নিজৰ ছোৱালীজনী ডাঙৰ মানুহ হোৱাটোনো কোন মাক-দেউতাকে নিবিচাৰিব! দেউতাকৰ কষ্টবোধ বাঢ়িছিল। মানুহজনৰ কষ্টবোধ দেখি তেওঁৰ বেয়া লাগিছিল।

ঃ মামুনু দেউতাৰাৰ কষ্টবোধৰ মান ৰাখিবা। তোমাৰপৰা আমি একো নিবিচাৰোঁ। মাথোঁ তুমি ভাল মানুহ হোৱাটো বিচাৰোঁ। তোমাৰ কোনো কামে যেন আমাৰ মূৰ তল কৰিবলগীয়া অৱস্থাৰ সৃষ্টি নকৰে। সেই কথা মনত ৰাখিবা।

ঃ মা তুমি চিন্তা নকৰিবা। চাবা মই ভাল মানুহ হ'ম। ডাঙৰ চাকৰি কৰিম। তেতিয়া দেউতাই আৰু কষ্ট কৰিবলৈ নালাগে। মই তোমালোক দুয়োকে বহুত সুখত ৰাখিম।

সকলোবোৰতো ঠিকেই আছিল। পুৰা ওলাই যাওঁতে মাত দি যোৱা ছোৱালীজনীয়ে ক্লাছৰ পৰা উভতি আহিয়ে ফোন কৰিছিল। কেতিয়াবা ক'ৰবালৈ যাবলগীয়া হ'লেও তেওঁলোকৰ অনুমতি লৈহে গৈছিল। অযথা খৰচো নকৰিছিল।

কিন্তু তাৰ মাজতে... হঠাতে আহিছিল খবৰটো। প্ৰেমিকৰ লগত ফুৰিবলৈ ওলাই যোৱা ছোৱালীজনীৰ মৃতদেহ নৈৰ পাৰত উদ্ধাৰ কৰা হৈছিল।

উস...। মাতৃ হৈও এগৰাকী বান্ধৱীৰ দৰেই তাইৰ কোনোবা আপোন আছে নেকি সেই কথা বাৰে বাৰে সুধিছিল তেওঁ। প্ৰতিবাৰেই তাই না কৈছিল। তাইৰ চালচলনতো তেনেকুৱা ভাবিবলগীয়া একো নাছিল। মাক হিচাপে তেওঁ তাইৰ সকলো খবৰে ৰাখিছিল। কিন্তু তাই তাইৰ মনত গোপনে থৈ দিয়া কথাৰ উমান তেওঁক কোনোদিনে দিয়া নাছিল। আৰু মাক হ'লেও তেওঁতো মানুহহে। সৰবজানতো নহয়। আনে মনৰ ভিতৰত গোপনে কি লুকুৱাই ৰাখিছে কেনেকৈ জানিব! কিন্তু তেওঁলোকৰ এই বিশ্বাস, ভালপোৱাৰ প্ৰতিদান যে তাই এনেদৰে দিব সেই কথা তেওঁ সপোনতো ভাবিব পৰা নাছিল।

কথাবোৰ ভাবি ভাবি তেওঁ পুনৰ বিছনাতে বাগৰি দিলে।

ঃ মা।

ঃ মামুনু তই? তই আহিছ মামুনু?

ঃ অ' মা। এয়া চোৱা মই আহিছোঁ। কিন্তু এয়া কি? তোমাৰ চেহেৰাই দেখোন একেবাৰে সলনি হৈ গ'ল।

ঃ মামুনু।





ঃ এইবোৰ সব মোৰ বাবেই হৈছে নহয় নে মা? কিন্তু ময়ো কি কৰিম কোৱা মা? তেওঁৰ মাজত মই ভৱিষ্যতটো বিচাৰি পাইছিলোঁ। আৰু তেৱোঁ মোক প্ৰেম-ভালপোৱাৰে বুৰাই ৰখাৰ প্ৰতিশ্ৰুতি দিছিল। কথাবোৰ মই তোমালোকক কম বুলি ভাবিছিলোঁৱে। কিন্তু হঠাতে...। তেওঁ মোক বিশ্বাসঘাতকতা কৰিব বুলি মই সপোনতো ভবা নাছিলোঁ মা।

ঃ মামুনু!

ঃ মই জানোঁ মা তোমালোকে দুখ পাইছা। মোৰ এই ভুলৰ ক্ষমাও নাই। কিন্তু তথাপিও কওঁ পাৰিলে মোক ক্ষমা কৰিবা। নিজৰ স্বাস্থ্যৰ যতনা ল'বা। দেউতাকো চাবা। পাৰিলে অহা জনমত মই পুনৰ তোমালোকৰ সন্তান হিচাপেই জন্ম হ'ব। তেতিয়া আৰু মই কেতিয়াও এনে ভুল নকৰোঁ মা। মই যাওঁ। পাৰিলে মোক মাফ কৰি দিবা।

ঃ মামুনু। —মানুহজনীয়ে পুনৰ চিঞৰি উঠিল। তেওঁৰ চিঞৰ শুনি মানুহজন ল'ৰালৰিকৈ ওলাই আহিল।

ঃ কি হ'ল মলয়া?

ঃ তাই আহিছিল।

ঃ কোন তাই?

ঃ আমাৰ মামুনু।

ঃ মলয়া অ' নিজকে চম্ভালা। আমাৰ মামুনু আমাৰপৰা বহু দূৰলৈ আঁতৰি গৈছে। তাই আৰু কেতিয়াও নাহে।

ঃ এই দুখ বৰ অসহনীয়।

ঃ মলয়া।

ঃ বৰ কষ্ট হৈছে অ'। বৰ কষ্ট। নমাহ নদিনে গৰ্ভত কঢ়িয়াই লৈ ফুৰা সন্তানটো যেতিয়া নোহোৱা হৈ যায়। তেতিয়া সঁচাকৈয়ে বৰ কষ্ট হয়। সেই দুখ আনে কেতিয়াও বুজিব নোৱাৰে।

ঃ নোৱাৰে মলয়া। সেইবাবেইতো মানুহবোৰে ইমান নিষ্ঠুৰভাৱে কথাবোৰ ক'ব পাৰে।

ঃ শুনিছে।

ঃ কোৱা মলয়া।

ঃ কেতিয়াবা যদি আমাৰ পুনৰ জন্ম হয়, আমাৰ যদি পুনৰ বিবাহ হয়, আমি কিন্তু তেতিয়া আৰু কোনো সন্তান নিবিচাৰোঁ দেই।

ঃ মলয়া। —কথাখিনি কৈ মানুহজনীয়ে কান্দিলে। তেৱোঁ কান্দিলে। কান্দি কান্দিয়ে মানুহজনে তেওঁক সাবটি ধৰিলে। জোৰেৰে আৰু জোৰেৰে।


▶ তোক কাটিলে মই কান্দো, তোকো নাকাটি থাকিব নোৱাৰোঁ। উত্তৰ ঃ পিঁয়াজ

▶ আছে গুটি বাকলি নাই, মুখত দিলে পমি যায়। উত্তৰ ঃ বৰফ





গল্প



দশমীৰ বোকোচা

— কিশোৰ কুমাৰ কলিতা

মূৰৰ ওপৰৰ বেলিটো ক্ৰমশঃ লহিয়াবলৈ লৈছে। তাইৰ ঘৰৰ পৰা বেছি দূৰৈত নহয় যদিও কেবাবছৰো ধৰি তালৈ যোৱা নাই। শাহুৱেকৰ মুখৰ ভাষা মতে তালৈ মাত্ৰ তামোল এখনৰহে বাট। মানুহগৰাকী থাকোঁতে একেলগে প্ৰতি বছৰেই গৈছিল, দশমীৰ বিয়লিটো নিজৰ মতেই উদযাপন কৰিছিল। সন্তান দুটি উপহাৰ হিচাপে বোকোচাত তুলি দি তেওঁ চিৰদিনৰ বাবে গুচি যোৱাৰ পিছত তাই আৰু এবাৰো তালৈ যোৱা নাই। এক কথাত ক'বলৈ গ'লে অকাল বৈধব্য যন্ত্ৰণা আৰু দৰিদ্ৰতাৰ ভৰত আঁত হেৰুওৱা জীৱনৰ বাট বিচাৰি তাই আজি ভাগৰুৱা, তাই আজি অসহায়। এমা-ডিমা নাতি দুটাক লৈ প্ৰতিবাৰে আইতাকেই তালৈ যায়। এইবাৰ আইতাক নৰিয়াত। লৰা-ছোৱালীহালে কোনোমতে নেৰেহে নেৰে। উপায়হীন হৈ তায়ে দুয়োকো লৈ যোৱাৰ বাবে পুৰণি সাজ এজোৰেই গাত মেৰিয়াই লৈছে। নতুন কাপোৰ পিন্ধি দুয়ো কেতিয়াবাৰে পৰা সাজু হৈ আছে। আইতাকক মাত লগাই সিহঁতহালে চোতালতে ৰৈ আছে। দশমীয়ে অনিশ্চা সত্ত্বেও দুয়োকে দুয়োহাতে ধৰি আবেলিটোৰ স'তে এখোজ-দুখোজকৈ আগবাঢ়িল।

খোজবোৰ বেছি খৰখেদা হোৱা নাই যদিও সন্তান দুটিৰ উৎসাহক তাই অস্বীকাৰো কৰিব পৰা নাই। ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিজয়া দশমীৰ বিয়লি বিদায় দিয়াৰ দৃশ্যবোৰ তাইৰ বাবে এতিয়া সঁচাকৈয়ে অসহনীয়। এৰা, বহু কথাই





এফালে কলহীৰ বুকুত নাও খেলৰ উছাহ, আনফালে প্ৰতিমা বিসৰ্জন দিয়াৰ প্ৰতিযোগিতা। কিছু সময় নৈৰ পাৰৰ জন-অৰণ্যৰ মাজত কটাই সন্তান দুটিৰ স'তে মিঠাইৰ দোকানলৈ বুলি খোজ ল'লে। শাহুৱেকে সবাহৰ মিঠাই খুব ভাল পায়। আঁচলৰ গাঁঠিত লৈ অহা টকাখিনিৰে মিঠাই, তাৰ পিছত দুয়োটাক কিবা কিবি বস্তু কিনি দি অস্তাচলৰ বেলিটোৰ স'তে তাই ঘৰমুৱা খোজ থ'লে। ল'ৰা-ছোৱালীহালৰ উছাহৰ যেন অন্ত নাই। সিহঁতে এতিয়াও বুজা হোৱা নাই জীয়া জীৱনৰ কাহিনী। পখিলা খেদাৰ বয়সতে সিহঁতে দেউতাকক হেৰুৱাই নিঠৰুৱা হৈছে যদিও মাক আৰু আইতাকৰ পৰা সকলো সময়তে মৰম আকুলতাৰে পাৰ কৰিছে দিনবোৰ।

আজি তাইৰ মন-মগজুত দোলা দিছে। বছৰৰ আজিৰ এই বিশেষ দিনটো তাইৰ বাবে সদায়ে বিশেষ এক কথাত অসহনীয়। আজিৰ দিনটো আহিলেই হা-হুমুনিয়াবোৰে তাইক আগচি ধৰে। প্ৰতিবাৰেই আজিৰ দিনটোত তাই কেৱল চকুলোকে টুকিছে। আজিও তাৰ কোনো ব্যতিক্ৰম হোৱা নাই। পুৱাৰ ভাগতে স্বামী দেৱতাৰ বছৰেকীয়া কাম-কাজখিনি শেষ কৰিছে। আজিৰ পৰা প্ৰায় পাঁচবছৰ পূৰ্বে এই দশমীৰ দিনটোতে সন্ধিয়া তাইৰ জীৱনলৈ নামি আহিছিল কাল অমানিশা। ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিজয়াৰ বিয়লি বিসৰ্জন দিয়াৰ সেই উৎসৱ মুখৰ পৰিৱেশ উপভোগৰ অন্তত সন্তান দুটিৰ সৈতে তাইক ঘৰত থৈ মাকৰ বাবে ঔষধ ল'বলৈ বুলি পুনৰ ওলাই আহিছিল তেওঁ। সেই যি সন্ধিয়াটোৰ স'তে ওলাই আহিছিল তেওঁ আৰু উভতি নগ'ল। চাইকেলখন চলাই গৈ থকাৰ সময়তে পিছফালৰ পৰা ট্ৰাকে মহটিয়াই লৈ গৈছিল মানুহজন, সন্ধিয়াৰ আন্ধাৰে যেন কাল অমানিশা হৈ বুকুতে শিপালে। কেৱল সেয়াই নহয়। এই দশমীৰ দিনটোতেই তাই আপোন মানুহজনৰ স'তে কলহীৰ পাৰত লগ হোৱাটোৱেই হৈ পৰিছিল অভিশাপ। তেওঁৰ সৈতে কথা-বতৰা পাতি ঘৰলৈ ওভতাৰ সময়ত ককায়েকে দুয়োকো দেখা পাইছিল। বহু অপমান তিৰষ্কাৰ কৰাৰ পিছত ঘৰাল উভতি যোৱৰ পথ বন্ধ কৰি দিছিল। অসহায় ৰাংঢালী ছোৱালীজনীয়ে অৱশেষত দশমীৰ সন্ধিয়াটো বুকুত সাবটি জোনাকৰ ৰূপোৱালী মাদকতাৰে তেওঁৰ সৈতে গুচি আহি সংসাৰৰ পাতনি মেলিছিল।



শাৰদীয় বিশেষ

নিজৰ মতে কাৰোবাক ভালপোৱাটোৱেই তাইৰ হোনো ভুল আছিল। তেতিয়াৰে পৰা আজিলৈকে নিজৰ আপোন ঘৰখনলৈ যোৱা হোৱা নাই। অৱশ্যে ঘৰৰ মানুহেও তাইক কোনোদিনেই আপোন বুলি বিচৰা নাই। একপ্ৰকাৰ তাইৰ স'তে সম্পৰ্ক শেষেই কৰিছে। আৰু যিদিনা এই ঘৰখনলৈ গুচি আহিছিল, সেইদিনাই শাহুৱেকে আদৰ-সাদৰ কৰি মৰমতে তাইক দশমী নামেৰে মাতিবলৈ লৈছিল। তেতিয়াৰে পৰা তাই দশমী হৈ পৰিছিল। কথাবোৰ ভাবি ভাবি আহি থাকোঁতে কেতিয়া ভিৰৰ মাজত সোমাই পৰিল তাই গমেই নাপালে। সন্তান দুটিক দুই হাতেৰে জোৰকৈ ধৰি কলহীৰ পাৰৰ ভিৰৰ মাজত তায়ো নিজকে বিলীন কৰি দিবলৈ চেষ্টা কৰিলে। মানুহজনেও তাইক এনেকৈয়ে জোৰকৈ সাবটি ধৰি ৰাখিছিল। এৰা, তাইক জোৰকৈ সাবটি ধৰি ৰাখিছিল...

এফালে কলহীৰ বুকুত নাও খেলৰ উছাহ, আনফালে প্ৰতিমা বিসৰ্জন দিয়াৰ প্ৰতিযোগিতা। কিছু সময় নৈৰ পাৰৰ জন-অৰণ্যৰ মাজত কটাই সন্তান দুটিৰ স'তে মিঠাইৰ দোকানলৈ বুলি খোজ ল'লে। শাহুৱেকে সবাহৰ মিঠাই খুব ভাল পায়। আঁচলৰ গাঁঠিত লৈ অহা টকাখিনিৰে মিঠাই, তাৰ পিছত দুয়োটাক কিবা কিবি বস্তু কিনি দি অস্তাচলৰ বেলিটোৰ স'তে তাই ঘৰমুৱা খোজ থ'লে। ল'ৰা-ছোৱালীহালৰ উছাহৰ যেন অন্ত নাই। সিহঁতে এতিয়াও বুজা হোৱা নাই জীয়া জীৱনৰ কাহিনী। পখিলা খেদাৰ বয়সতে সিহঁতে দেউতাকক হেৰুৱাই নিঠৰুৱা হৈছে যদিও মাক আৰু আইতাকৰ পৰা সকলো সময়তে মৰম আকুলতাৰে পাৰ কৰিছে দিনবোৰ। অৱশ্যে আইতাকে সিহঁতক বৰ মৰম কৰে। অ'ত বহুৰ পাৰ হৈ যোৱাৰ পিছতো মামাকহঁতৰ ঘৰৰ কোনোৱে আজিলৈকে বিচৰা নাই। আইতাক হিচাপে নাতি-নাতিনীহালে মামাকহঁতৰ মৰম-আদৰ পোৱাৰ কথাবোৰ ভাৱে। কেতিয়াবা কথা প্ৰসংগত বিষয়বোৰ চৰ্চা কৰি দীঘলকৈ দুখৰ হুমুনিয়াহ কাঢ়ে। হুমুনিয়াহৰ মৰ্মবেদনা দশমীয়ে উপলব্ধি কৰে। অৱশ্যে তাই এইবোৰ কথা ল'ৰা-ছোৱালীহালক ক'বলৈ মানা কৰে।

এনেকৈয়ে, এনেকৈয়ে গৈ আছে দিনবোৰ-সময়বোৰ। অ'তদিনে বোকোচাত কঢ়িয়াই ফুৰা অতীতৰ দুখৰ দিনবোৰ মনত পেলাই দশমীয়ে ঘৰলৈ উভতিছে। এৰা, আজিৰ এই দিনটোতে তাইৰ জীৱনত বহু ঘটনা ঘটি আহিছে। সেইবাবেই আপোন মানুহজনক হেৰুওৱা দিন ধৰি তাই কোনোদিনেই কলহী নৈৰ পাৰত বিজয়া দশমী উপভোগ কৰিবলৈ অহা নাই। আইতাকে দুয়োটি নাতি-নাতিনীক লৈ আহে। দশমীয়ে স্বামীৰ বছৰেকীয়া কামখিনি সমাপন কৰি অতীত সুঁৰৰি ঘৰতে থাকে। আজি তাই সঁচাকৈয়ে আৱেগিক হৈ পৰিছে। জীৱনৰ উত্থান-পতনৰ জীয়া কাহিনীবোৰ এই দশমীৰ দিনটোতে লিপিবদ্ধ হৈ আছে যদিও আপোন মানুহজনৰ সৈতে তাই এই দিনটোক





উদযাপনো কৰিছিল। কিন্তু আজি বৈধব্য যন্ত্ৰণা আৰু দৰিদ্ৰতাই তাইক কোঙা কৰি পেলাইছে। তথাপিও, তথাপিও তাই জীয়াই আছে। সাধু কোৱাৰ দৰেই নাতি দুটিক কাষত বহুৱাই আইতাকে জীৱনবোধৰ বহু কথাই কয়। অৱশ্যে দুয়োৰো বয়সে সেইবোৰ ভালকৈ উপলব্ধি কৰিব পৰা হোৱা নাই। দশমীয়ে ভাৱে, এদিন দুয়ো সকলো কথা বুজিব পৰা হ'ব। এদিন দুয়ো ভাল মানুহ হ'ব, এদিন আকাশ চুই চাব। অৱহেলা আৰু জীৱনবোধৰ কাহিনীৰে সিহঁত পৰিপূৰ্ণ হৈ উঠিব। দেউতাকৰ সপোন পূৰণ কৰি এদিন ভাল মানুহ হৈ সমাজত প্ৰতিষ্ঠা লাভ কৰিব। তাৰ বাবে তাই যিমান ত্যাগ আৰু পৰি আৰু যি কৰিব লাগে কৰিব। কথাবোৰ ভাবি থাকোঁতেই তাইৰ দুচকুৰে দুধাৰি তপত চকুলো বৈ আহিছিল। অৱশ্যে সেই তপত চকুলো ব্যস্ততাৰে ভৰা সন্ধিয়াৰ কাণিমুনি পৰিৱেশত কোনোৱে প্ৰত্যক্ষ নকৰিলে। চকুলোবোৰ হাঁহিৰ আঁৰতেই তাই ৰাখি থ'ব বিচাৰে। তাই নিজৰ মতে জী আছে। এনেকৈয়ে, এনেকৈয়ে জীয়াব খোজে জীৱন।

সন্ধিয়াটোৰ স'তে চোতালত উপস্থিত হোৱাৰ লগে লগে হাতৰ টোপোলাকেইটা লৈ পিৰালিত বহি থকা আইতাকৰ ওচৰলৈ দুয়ো দৌৰ মাৰিলে। অকলশৰে সিহঁতৰ বাবেই ৰৈ থকা আইতাকেও দুহাত প্ৰসাৰী দুয়োকো আকুলতাৰে সাবটি ধৰিলে। দশমীয়ে চোতালতে থিয় হৈ নাতি আৰু আইতাৰ মৰম আকুলতাৰ সেই মুহূর্তটো উপভোগ কৰাৰ চেষ্টা কৰিলে। ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিজয়াৰ বিয়লি বিসর্জন দি বিষণ্ণ মনেৰে উভতি অহাৰ লেখীয়াকৈ আহিছিল দশমীয়েও। কিন্তু দুখৰ মাজতো সুখৰ সন্ধান কৰি থকা দশমীৰ মন-প্ৰাণ মুহূর্ততে ভৰি পৰিল নাতি-আইতাৰ অকৃত্ৰিম মৰম আৰু আৱেগৰ আলিংগনৰ এই মুহূর্তটোৱে।

দশমীয়ে সন্ধিয়াটোৰ ৰূপোৱালী মাদকতাৰ স'তে চোতালতে থৰ হৈ দূৰৈৰ পৰাই সিহঁতক চাই থাকিল। বহু সময় তেনেকৈয়ে তাই একেথৰে থাকিল। আগচোতালত ফুলিবলৈ ধৰা শেৱালিজোপাৰ সুবাসিত মিঠা মিঠা যন্ত্ৰণাই ক'ব নোৱাৰাকৈয়ে তাইক যেন মেৰিয়াই ধৰিলে। চৌদিশে ৰূপোৱালী ৰঙে আৱিৰ সানিলে। এৰা, জীৱন এনেকুৱাই। দুখৰ মাজতো বিচাৰিব জানিলে সুখে আহি দোলা দিয়ে মন-মগজুত। এসময়ৰ ৰাংঢালী ছোৱালীজনীৰ জীৱনলৈ আজিৰ এই দিনটোৱে বহু পৰিৱর্তন আনিছিল। ক'ব নোৱাৰাকৈয়ে, ক'ব নোৱাৰাকৈয়ে দশমীৰ দীঘলকৈ হুমুনিয়াহ এটা ওলাই আহিল। এৰা, আজিৰ দিনটোৱে তাইক দশমী সজাইছিল আৰু এই দশমী নামটোৰ বোকোচাতেই সুখ-দুখ, হর্ষ-বিষাদবোৰ সামৰি-সুতুৰি থৈ তাই জী থাকিব বিচাৰে। এৰা, সপোনবোৰ সাকাৰ ৰূপ দিবলৈ তাই জীয়াব খোজে জীৱন। তাই দশমী হৈয়ে উজাব খোজে জীৱনৰ বাকীচোৱা বাট। অথচ আপোন মানুহবোৰে...! আৰু আজি...!



শাৰদীয় বিশেষ

ধূলিস্যাৎ

— যুতিকা সভাপণ্ডিত



গল্প

পূজাৰ এইমাত্ৰ শেষ সম্পৰ্কটোও শেষ হৈ গ'ল। এই বিশাল বিশ্বত তাই এতিয়া একেবাৰে অকলশৰীয়া। পিছফালৰ পৰা তাইক কোনোবাই মতা যেন লাগিল। বোধহয় সুৰভিয়ে হব। বাইদেউ আপুনি আজি অফিচলৈ নাযায় নেকি বুলি সুধি সুধি তাইৰ ঘৰত কাম কৰা মানুহজনী চিৰিয়েদি উঠি আহিল। লগে লগে পূজাই ঘড়ীলৈ চালে। এৰা, অফিচলৈ যোৱাৰ সময়েইচোন হ'লহি। তথাপি তাই একেথৰেই ৰৈ থাকিল। তাই অলপো লৰচৰ কৰিব নোৱাৰিলে। তাইৰ সন্মুখত এটা কথাই স্পষ্ট হৈ পৰে- তাই অকলশৰীয়া।

পূজাৰ মৰমৰ একমাত্ৰ ভায়েকটো তাইৰ হাততে লালিত-পালিত হৈ ডাঙৰ-দীঘল হ'ল। তাইৰ মুখে সাধু শুনি শুনিয়েই সি সৰুকালত শুই পৰে। তাই তাৰ বাবে মাক বায়েক সকলোৰেই আছিল। অত্যধিক মৰম-চেনেহেৰে নিস্বাৰ্থভাৱে তাই তাক ডাঙৰ কৰে। জীৱনত স্বাৰ্থসিদ্ধিৰ বাবে আশা নকৰাৰ প্ৰতিদান পালে এয়া-নিষ্ঠুৰ সত্য।

তাইৰ মনত পৰাৰো আগেয়েই কোনোবা অতীতৰ বুকুত তাইৰ মাক হেৰাই গৈছিল। তথাপি তাইৰ সাহস হিচাপে আইতাক তাইৰ ঊনৈচ বছৰ বয়সলৈকে জীয়াই আছিল। পক্ষাঘাত ৰোগত আক্ৰান্ত দেউতাক সম্পূৰ্ণৰূপে শয্যাশায়ী হৈ পৰাত ঊনৈচ বছৰীয়া ছোৱালী এজনীৰ ওপৰত ঘৰৰ সকলো দায়িত্ব আহি পৰে। ককাকৰ যিহেতু চাকৰি আছিল সেই সূত্ৰে আইতাকে



পোৱা পেন্সনটোৰে তেখেত জীয়াই থকালৈকে সিহঁতৰ সংসাৰখন চলি গৈছিল।

কিন্তু এতিয়া পূজাই ঊনৈচ বছৰ বয়সতে পঢ়া-শুনা বাদ দি চাকৰিৰ বাবে ইফালে সিফালে আবেদন কৰিবলৈ ধৰিলে। শেষত তাই সৰু চাকৰি এটাত যোগদান কৰি সাধাৰণ অথচ নতুন জীৱন এটা আৰম্ভ কৰি অপৈণত বয়সৰ এটা ভায়েক আৰু ক্ৰমে গাভৰু হ'বলৈ আগবঢ়া ভনীয়েকৰ বাবে তাই অবিবাহিতা মাক হৈ পৰে।

দেউতাক আছিল সমাজকৰ্মী। সমাজৰ হকে কাম কৰি কৰি তেওঁৰ সুস্থ শৰীৰটোক ৰুগীয়া কৰে। অৱশেষত ক্লান্তিত শুই পৰি বিছনাৰ পৰা উঠিব নোৱাৰা হ'ল। ৰোগত পৰা কিছুদিনৰ পিছলৈকে দেউতাকৰ খবৰ ল'বলৈ কিছুমান মানুহ আহিছিল। কিন্তু লাহে লাহে খবৰ ল'বলৈ অহা মানুহৰ সংখ্যাও কমি আহিল।

আগতে দেউতাকে প্ৰায়ে কয়, মই কিবা পোৱাৰ আশাত এইবোৰ কৰা নাই বা কাৰোবাক তোষামোদ কৰাৰো চেষ্টা কৰা নাই। দেউতাক পতংগৰ দৰে আদৰ্শবাদৰ জ্বলা জুইত জাহ গৈছিল। ইপিনে ঘৰত চৌকাত জুই জ্বলিছেনে নাই তাৰ খবৰ নাৰাখিছিল।

চাকৰি কৰা দুবছৰমানৰ পিছত তাইক প্ৰেমৰ প্ৰস্তাৱ দিছিল তাইৰে কলিগ এজনে। কিন্তু সেই সময়ত তাইৰ পৰিয়ালটোৰ পাহাৰ সমান দায়িত্ব থকাৰ বাবে তাইৰ জীৱনত সেইবোৰ কথাৰ কোনো স্থান নিদিলে। সেয়েহে সেইটো প্ৰশ্নৰ উত্তৰৰ বাবে তাই কেতিয়াও ভাবিবলৈকে সময় পোৱা নাছিল।

সকলোবোৰ দায়িত্ব তাই তাইৰ ওপৰত লৈছিল। পিতৃৰ চিকিৎসা আৰু ভাই ভনীৰ ভৱিষ্যতৰ সকলো দায়িত্ব বাস্তৱত ৰূপায়ণ কৰিবৰ বাবে তাইৰ সম্পূৰ্ণ ভৱিষ্যতকেই অৰ্পণ কৰি নাৰী জীৱনৰ আকাংক্ষা ত্যাগ কৰিব লগা হ'ল। সেই সিদ্ধান্তত উপনীত হ'বলৈ যাওঁতে তীব্ৰ মানসিক যন্ত্ৰণাত ভুগিব লগা হৈছিল।

লাহে লাহে তাইৰ জীৱনটো তপস্বিনীৰ দৰে কঠোৰ হৈ পৰে। তাই নিজৰ দায়িত্ব আত্মসন্তুষ্টিৰে পালন কৰি গৈ থাকে। দেউতাকো তেনেকৈ বিছনাত অলপদিন পৰি থাকিয়েই জীৱনৰ পৰিসমাপ্তি ঘটে। ভনীয়েকক বিয়া দিয়ে। ভায়েকেও ভাল চাকৰি এটা পাই কৰ্মৰ খাতিৰত বেলেগ এখন চহৰত থাকে। দায়িত্বৰ বোজা এটা এটাকৈ শেষ হৈ আহে। কিন্তু এতিয়া বয়সে তাইৰ মূৰত শুকুলা ফুলৰ পাপৰি খেলিছে, সুকোমল গালৰ কমনীয়তাও নাইকিয়া হয়। যৌৱনৰ মাদকতাও লাহে লাহে শেষ হৈ আহিছে।

পূজাৰ এতিয়া একেবাৰে ভাগৰি পৰা যেন অনুভৱ হোৱাত ভায়েকক মাতি আনি ক'লে, মই এতিয়া চাকৰি কৰিব নোৱাৰোঁ। তই যে চাকৰি পোৱাৰ পিছতে কৈছিলি নহয় মোৰ চাকৰিটো



শাৰদীয় বিশেষ

এৰি দি তোৰ লগত থাকিবলৈ। গতিকে মই চাকৰিটো ইস্তফা দি তোৰ লগত থাকিমগৈ।

কিন্তু এতিয়া ডাঙৰ চাকৰি কৰা ভায়েকৰ বাবে অপমানৰ কথা যে তাৰ বায়েক এজনী সাধাৰণ কেৰাণী, তাৰ সন্মানত আঘাত পৰা যেন পায়। বোধহয় তাৰ বিয়াৰ প্ৰস্তাৱ লৈ অহা লোকৰ কোনোবাই সেইটো কথাৰ ইংগিত দিবও পাৰে।

পূজাই চাকৰি এৰি দিয়াৰ কথা কোৱাৰ লগে লগেই ভায়েকে খঙত টিঙিৰি-তুলা হৈ ক'লে, "তুমি যে মোৰ বাইদেউ ক'বলৈ লাজ লাগে। মূৰ তুলি কোনো ফালেই যাব নোৱাৰোঁ। তোমাৰ কাৰণে লাজ আৰু অপমান পাব লগা হৈছে। শুনা আজিৰ পৰা তোমাৰ ভাই নহয়। তোমাৰ সৈতে মোৰ কোনো সম্বন্ধ নাই।"

স্তব্ধ হৈ তাই শুনি থাকে। কান্দিবলৈও তাইৰ চকুত এটোপাল পানী নাছিল। নিৰ্বিকাৰভাৱে তাই শুনি থাকে। কথাখিনি কৈ সি বতাহৰ গতিৰে গুচি যায়। যিজন ল'ৰাক তাই মাক-দেউতাক দুয়োজনৰে মৰম দি আতোলতোলকৈ ডাঙৰ-দীঘল কৰি এটা সুন্দৰ জীৱন দিলে তাইকে অযথা কটু বাক্য শুনাই থৈ গ'লহি। যিটো চাকৰি তাই নোপোৱাহেতেঁন সি সমাজত ডাঙৰ মানুহ বোলাব পাৰিলেহেতেঁন জানোঁ?

এই কঠোৰ আঘাত। তাই এই আঘাত পাবলৈ কেতিয়াও আশা কৰা নাছিল। সাগৰৰ পানীত ঢৌ উঠাৰ দৰে ঘটনাটো কিমান সোনকালে ঘটিল। অতীতৰ দুৱাৰ বন্ধ কৰি তলা লগোৱাতো জানো ইমান সহজ কাম? গোটেই জীৱন তাই এই কষ্ট কাৰ বাবে কৰিলে? একোৱেই পোৱা নগ'ল।

পূজাই ভাবিলে, গোটেই জীৱনৰ কষ্টৰ পিছত এইটো বয়সত তাৰ পৰা মাত্ৰ অকণমান মৰম আৰু সহানুভূতিৰ বাহিৰে একো আশা কৰা নাছিল। সি তাইৰ ভৰণ-পোষণৰ কোনো খৰচ বহন কৰিব নালাগে। মাত্ৰ এটা আশ্ৰয়ৰ ভৰষাতহে।

দেউতাক আছিল সমাজকৰ্মী। সমাজৰ হকে কাম কৰি কৰি তেওঁৰ সুস্থ শৰীৰটোক ৰুগীয়া কৰে। অৱশেষত ক্লান্তিত শুই পৰি বিছনাৰ পৰা উঠিব নোৱাৰা হ'ল। ৰোগত পৰা কিছুদিনৰ পিছলৈকে দেউতাকৰ খবৰ ল'বলৈ কিছুমান মানুহ আহিছিল। কিন্তু লাহে লাহে খবৰ ল'বলৈ অহা মানুহৰ সংখ্যাও কমি আহিল। আগতে দেউতাকে প্ৰায়ে কয়, মই কিবা পোৱাৰ আশাত এইবোৰ কৰা নাই বা কাৰোবাক তোষামোদ কৰাবো চেষ্টা কৰা নাই।





শাৰদীয় বিশেষ

গল্প

শুভচিন্তক

— শতাব্দী শর্মা



মাইনাৰ অ'কে মেছেজটো চাবলৈ মই ৰৈ থাকোঁ। মোৰ টি-ছার্টৰ কালাৰ, মোৰ অফিচলৈ পিন্ধি যোৱা টাইডালৰ কালাৰ, মোৰ কফি মগৰ আকাৰ সব তাই চাই দিবই লাগিব। এটা মেচেজ আৰু এটা ৰিপ্লাই; মুঠতে আমিয়েই বুজি পাওঁ ইয়াৰ কি মাদকতা! তাই মোৰ সপোন পূৰণ কৰিব লাগিব বুলি মই যুক্তি নিদিওঁ কিন্তু এই পর্যন্ত মোৰ প্ৰথম পৰিচয় তাইৰ এজন শুভচিন্তক। মাইনাক কোনোবাই বেয়াকৈ ক'লেও মই সহজে গ্ৰহণ কৰিব নিবিচাৰোঁ। দৰৰ এটা খাব খুজিলেও নিজেই এক্সপাৰী ডেট চাই দিয়া মই মাইনাক নিজৰ মৰমেৰে আৰৰি থওঁ। মাইনা আছে কাৰণেইটো মই আছোঁ। পংকজ নেওগ মোৰ নাম। মই এজন চৰকাৰী চাকৰিয়াল। আমাৰ অসমৰ কোনোবা মুলুকত থকা জমিদাৰৰ সন্তান মই। জমিদাৰৰ নাতিনীয়েক বুলি এটা সময়ত বিৰাট নাম থকা মোৰ ঘৰুৱা অৱস্থা সবাতোকৈ চহকী। গাঁৱৰ ভিতৰতে এখন ধনী ঘৰৰ দ্বিতীয় পুত্ৰ মই। মোৰ ককাই দেউৰে তেতিয়াৰ দিনত কলিকতাত পঢ়িছিল, তাকো ইংৰাজী সাহিত্যত অনার্ছ লৈ। গতিকে আমাৰ ঘৰখনৰ নাম এটাই আছিল। ককাদেউতাক সকলোৱে সমীহ কৰি চলিছিল। ককাইদেউ পিছত অসমলৈ ঘূৰি আহি ইয়াতে গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। মই তেতিয়া ঘৰৰ ওচৰৰ মহাবিদ্যালয়খনত স্নাতক শিক্ষা সম্পূৰ্ণ কৰি স্নাতকোত্তৰ শিক্ষাগ্ৰহণৰ বাবে নামভর্তিৰ ফর্ম ওলোৱালৈ ৰৈ আছোঁ। ককাইদেৰে বিচাৰিছিল, তেওঁ অধ্যাপনা কৰা বিশ্ববিদ্যালয়তে ময়ো মোৰ নামটো লগোৱাটো। কিন্তু মই পিছে সৰুৰে পৰাই কটন কলেজত পঢ়িবলৈ বিচাৰিছিলোঁ। কটন কলেজতে সেয়ে নামটো লিখালো। ককাইদেৰে বৰকৈ অভিযোগ নকৰিলেও, তেওঁৰ অসন্তোষ মনটোৰ কথা মই বুজিব পাৰিছিলোঁ। তথাপি মই মোৰ মনৰ আশাটোক ককাইদেউৰ ইচ্ছা অনুসৰি আগবাঢ়ি গৈ দমাব বিচৰা নাছিলো। ককাইদেউৰে যিটো ৰূমত ভাৰা লৈ থাকে, তাতে দুদিনমান মই আছিলোঁ। পিছত হোষ্টেলত ছীট পাই গুচি গ'লোঁ। হোষ্টেলৰ দিনবোৰ ৰোমাঞ্চকৰ। তিতা-মিঠা সকলো অভিজ্ঞতা পোৱা যায়। লগৰ ল'ৰাৰ লগত

আড্ডা দি দি, ইটো-সিটো প্ৰগ্ৰাম কৰি বহুসময় পাৰ হৈ যায়। পঢ়াটো ভালদৰে নহয়। ককাইদেউ এইক্ষেত্ৰত চিন্তিত কিন্তু মই পিছে হোষ্টেল এৰাবিধৰ নহয়। এজাক ল'ৰা একেলগে থাকিলে মেহফিল জমিবই আৰু! কোনোবাই গীটাৰ লৈ বাৰাণ্ডাৰ এচুকত বহিলেই সকলোবোৰ ল'ৰা দৌৰি আহে। মোৰ লোকেল গার্জেন ককাইদেউ। ককাইদেউক জনাই কৰবালৈ গ'লেও আচলতে মই সঠিক ঠাইখিনিৰ কথা নকওঁ, নহ'লে তেওঁ মোৰ পিছত জোক লগাদি লাগিব। ককাইদেউৱে পঢ়াৰ বাহিৰে একো বুজি নাপায়। মই হ'লো বেক নলগাকৈ পাছ কৰিলেই হ'ব বুলি ভবা মধ্যমীয়া ছাত্ৰ। ককাইদেউৱে মোৰ পৰা বহুত আশা কৰে। চোকা, গ'ল্ড মেডেল পোৱা মোৰ ছিনিয়'ৰবোৰক দেখি মাজে মাজে মনে ধৰে, তেওঁলোকে দিনটো কিতাপৰ পৰা মূৰ আঁতৰাব নুখুজেই চাগে! পঢ়িবলৈ সময় পায় যে সেয়াই বহুত। ইয়াততো পঢ়াটো পৰীক্ষাৰ সময়তহে হয়। পিছে মেধাৰ জগতখনত গ'ল্ড মেডেল পোৱাৰ ইচ্ছা প্ৰকাশ নহৈছিল যদিও যৌৱনৰ বা গাত ঠিকেই লাগিছিল। ডেকা তেজ উঠলি উঠা সময়তে গুৱাহাটী বিশ্ববিদ্যালয়লৈ কিবা কাৰণত ককাইদেউক লগ কৰিবলৈ যাওঁতে যাওঁতে এদিন ৰঙা কপাহী চুৰিদাৰ এযোৰ চকুত পৰিল । দীঘল মেঘালী চুলিকোছাও চকুত সাঁচ বহুৱাই যাব পৰাবিধৰ। পিছে, গৰাকীৰ মুখখন দেখা পোৱা নাছিলোঁ। তাৰপিছত দুদিনমান ককাইদেউক লগ কৰাৰ অজুহাত এটা লৈ তেওঁকেই বিচাৰি চলাথ কৰিছিলোঁ। দীঘল চুলি, কপাহী ৰঙা চুৰিদাৰ পৰিহিত যুৱতীৰ অভাৱ নাই। সদায় হতাশ হৈ হোষ্টেললৈ উভতি আহো।

এদিন গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা মাহীৰ ল'ৰাটোক এই বিষয়ে কোৱাত সি ছোৱালীজনীক চিনি পাওঁ বুলি ক'লে। কাৰণ সেই ছোৱালীজনীৰ চুলিত ৰঙীন আভা নাই, মুখত নাই কোনো প্ৰসাধন, একদম কিচকিচিয়া একোছা ক'লা চুলি আৰু সদায়েই পিন্ধনত বেলেগ বেলেগ ৰঙৰ এযোৰ চুৰিদাৰ। অন্য যুৱতীসকলৰ দৰে, তেওঁৰ অত্যাধুনিক বেশভূষা নাই। মাহীৰ ল'ৰাটোক ছোৱালীজনীৰ ফোন নম্বৰটো বিচৰাৰ লগতে এইটোও ক'লো যে , এইখিনি কথা যাতে ককাইদেৱে গম নাপায়। সি মোক আশ্বাস দিলে। মই নিশ্চিন্ত হৈ থাকিলোঁ। তেতিয়া নকিয়া ম'বাইলৰ যুগ আছিল। তিনিদিনমান পিছত সি ফোন কৰি নম্বৰটো দিলে। মোৰ ম'বাইলত নম্বৰটো ছেভ কৰি মই ফোন কৰিবলৈ ল'লেই বাৰম্বাৰ ককাইদেউৰ মুখখন মনত অহা হ'ল। তেওঁৰেই বিশ্ববিদ্যালয়ৰ ছাত্ৰী, জানিব পাৰিলে মোৰ কি গতি হ'ব! ফোন কৰা নহ'ল। বন্ধত ঘৰলৈ আহিছিলোঁ ককাইদেউৰ লগত, গতিকে ঘৰৰ পিছফালে, পথাৰৰ মাজত অকলে বহাৰ সৌভাগ্য নহ'ল গতিকে ফোন কৰাটোও সম্ভৱ নহ'ল। প্ৰথমেই লগ পাই কথা পাতিবলৈ মোৰ ইচ্ছা যোৱা নাছিল। বন্ধ খোলাৰ পিছত ককাইদেউ আৰু মই দুয়ো গুৱাহাটী



খবৰবোৰ তাৰপিছত চিঠিত মোলৈ গৈছিল, নকিয়া ফোনটো সন্ধিয়া হ'লেই বাজিছিল। মাৰ চিন্তাবোৰৰ ফুলষ্টপ ক'ত? দিল্লীত ছাত্ৰৰ মৃত্যুৰ খবৰ নতুন নাছিল কিন্তু মাৰ টোপনি নগৈছিল। মাৰ মত অনুসৰি মই গৱেষণাৰ বাবে দিল্লীলৈ যোৱাৰ কথাই নাই...

অভিমুখে যাত্ৰা কৰিলোঁ। ককাইদেউ মোৰ ছাঁ। ককাইদেউ নহ'লে মইনো কি আৰু!

সেইবাৰ ঘৰৰ পৰা অহাৰ পিছত ককাইদেউৰে মোক বহুদিন বিশ্ববিদ্যালয়লৈ মতা নাছিল। মাহীৰ ল'ৰাটোৰ মুখৰ পৰা ভুলত কিবা ওলাল, মোৰ চিন্তা হৈছিল। তাক এদিন সোধাত সি নাই কোৱা বুলিয়েই ক'লে। মই পুনৰাই তাক অবিশ্বাস নকৰাৰ মানসেৰে সেইবোৰ বাদ দি দুয়োটাই এদিন লগ খাই সেই ছোৱালীজনীক লগ কৰাৰ প্লেন বনাবলৈ আৰম্ভ কৰিছিলোঁ। সি তেওঁক চিনি পায়, তাৰ লগৰ। কিন্তু মোৰ জুনিয়ৰ। এদিন তেওঁৰ লগত কথা হৈছিল। সিয়েই দীঘলীপুখুৰীৰ পাৰত আমাক লগ কৰাৰ ঠাই অলপ উলিয়াই দিছিল আবেলিপৰত। তেওঁ সেইদিনা এযোৰ নীলা-বগা চুৰিদাৰ পিন্ধি আহিছিল। আকাশে যেন তেওঁক দেখা পাই আনন্দিত হৈছিল। নদীখন যেন তেওঁৰ চুলিত বৈ গৈছিল। মোৰ প্ৰথম দেখাৰ প্ৰত্যেকটো অনুভৱ তেওঁক বুজাই দিয়াৰ লগতে তেওঁৰ কথাবোৰো শুনি গ'লো। সংশয় আৰু উৎকণ্ঠাই বেৰি ধৰিছিল- সংশয় আছিল ককাইদেউৰে ধৰা পেলোৱাৰ আৰু উৎকণ্ঠা আছিল তেওঁক লগ পোৱাৰ। তেওঁৰ কথাবোৰো ঠিক সাধু এটাৰ দৰেই। আধাঘণ্টা ধৰি কথা পাতি আমি বিদায় ল'লো। পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতি দি তেওঁ ৰিক্সা এখনত উঠি গুচি গৈছিল।

তাৰপিছত মোৰ বিশ্ববিদ্যালয় যোৱাৰ সময় নোহোৱা হৈছিল, ককাইদেউৰে সেয়ে মতা নাছিল। মাহীৰ ল'ৰাটোক সুধি তেওঁৰ খবৰ লওঁ মাজে মাজে। সেইদিনা তেওঁক লগ পাইও যোগাযোগৰ নম্বৰ বিচৰা নাছিলোঁ, নাৰ্ভাছ হোৱাৰ কাৰণেই। মাহীৰ ল'ৰাটোৰ পৰা লোৱা কথাটোও তেওঁক কোৱা নহৈছিল। সেয়ে তেনেকৈয়ে দিনবোৰ গৈ থাকিল। ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ককাইদেউৰে মনোনয়ন দাখিল কৰিবলৈ মোক নিদিছিল, পেটে পেটে খং এটা উঠাৰ কাৰণ সেইটোৱেই আছিল। যিটো অজুহাতত ককাইদেউৰ লগত ঘৰলৈও অহা নাছিলোঁ। এদিন দুদিনকৈ সময়বোৰ তীব্ৰগতিত গৈ থাকিল। এদিন মই তেওঁক আকৌ লগ কৰাৰ প্ৰস্তাৱ দিলোঁ। এই মাজৰ সময়খিনিত মাথোঁ দূৰৰ পৰা হাঁহি মৰা, ওচৰ চাপিলেও এটা- দুটা কথা পতা, বজাৰত লগ পালেও হাঁহিৰে সম্ভাষণ জনোৱা আদি এইখিনিয়েই আমাৰ মাজত হৈছিল। মাহীৰ ল'ৰাটো মোৰ আৰু

শাৰদীয় বিশেষ

তেওঁৰ ডাকোৱাল। চিঠি এখন লিখি এবাৰ তাৰ হাতত দি তেওঁক জন্মদিনৰ শুভকামনাও জনাইছিলোঁ। সেইদিনা মই দুগুণ সুখী হৈ গপতে গংগাটোপ হৈ পৰিছিলোঁ, কাৰণ তেওঁ মোৰ চিঠিখন স্বীকাৰ কৰি উত্তৰ তাৰ হাততেই পঠাইছিল। লগ কৰিম বুলিয়েই সেইদিনা উপহাৰ কিনিছিলোঁ। এখন ৰেষ্টুৰেণ্টত যোৱাৰ কথা পাণ্ডি আগদিনাই তেওঁক জনাবলৈ কৈছিলোঁ মাহীৰ ল'ৰাটোক, সি জনাই দিছিল। সেইদিনা তেওঁক প্রত্যক্ষভাৱে সকলোবোৰ ক'ম বুলি গৈছিলোঁ। হঠাৎ ৰেষ্টুৰেণ্টৰ দুৱাৰখন খুলি সোমাব লওঁতেই ভুত দেখাদি দেখিলোঁ। কাৰণ সন্মুখত পিঠি দি বহি আছিল ককাইদেউ, লগত সেইগৰাকী কোন বাৰু! মই জনাত ককাইদেউ প্রেম-ভালপোৱা অধ্যায়টোৰ পৰা শতযোজন দূৰৈত। ঘৰতো মায়ে বিয়াৰ কথা কৈ কৈ ভাগৰি পৰিছে। তথাপি মই নিজাকৈ অভিযান চলাবলৈ চেষ্টা কৰি সেইদিনা আটাইতকৈ ভুল কৰা যেন অনুভৱ হৈছিল কিয়নো ককাইদেউৰ লগত বহি কথা পতাগৰাকী মই যাক লৈ ভৱিষ্যতৰ সপোন দেখি আছিলোঁ, তেওঁৰেই! মই আচৰিত হৈ ওলাই গুচি আহিছিলোঁ তাৰ পৰা আৰু মই নিয়া উপহাৰটো পেলাই দিছিলোঁ আৱর্জনা পাত্রটোত। তেওঁ দেখোন মোক এদিনো নকৈছিল। মোক ইমানদিনে মিছা আশাত ডুবাই ৰাখিছিল নেকি তেওঁ? বহুত প্রশ্ন মনলৈ আহিছিল কিন্তু সুধিম কাক? কোনে উত্তৰ দিব? ৰাতি খণ্ডতে হোষ্টেলৰ বাৰাণ্ডাৰ এচুকত অকলে বহি আছিলোঁ, কাণত হেড ফ'ন লৈ জুবিন দাৰ "জোনাক গ'লা জাৰৰ নিশা" বাজি আছিল' ফোনটো অহা গম পোৱা নাছিলোঁ। লগৰ দুটাই চাদলৈ মাতিছিল নগ'লো। মুঠতে একো ভাল লগা নাছিল। বহুত সময় তেনেকৈ থকাত টোপনি আহিছিল হ'বলা। ৰুমমেটে দেখি হেঁচুকি দিওঁতেহে মই গম পালোঁ। ইপিনে গান বন্ধ হৈ গ'ল। উঠি গৈ ৰুম সোমাওঁতে দেখিলোঁ মাহীৰ ল'ৰাটোৰ ফোন। মই কলবেক কৰি গোটেইখিনি ক'লো। সিও আচৰিত হৈছিল কিন্তু সি মোক বুজাইছিল যে যি হ'ল হৈ গ'ল! এতিয়া ককাইদেউৰ বিয়াখন পতাটোহে জৰুৰী। সি মোক যিমান বুজাইছিল, মই নিজক হেৰুৱাই পেলাইছিলোঁ। ককাইদেউৰ ওপৰত খং উঠিছিল, খণ্ডতে ৰঙা হৈ বিছনাত হেলান দি শুবলৈ চেষ্টা কৰা মই ৰাতি সপোনত দৰাৰ ভায়েকটো হৈ বিয়াখনৰ দায়িত্ব বহন কৰিছিলোঁ। বিয়াখন পিছে সপোন নহয়, দিঠকেই আছিল। দেউতাইও মাখনৰ দৰে বগা, জাপানী পুতলা হেন ছোৱালীজনীক একে উশাহতে বোৱাৰী কৰিবলৈ মান্তি হৈছিল। মই তেতিয়ালৈ ফাইনেল পৰীক্ষা দি উঠি আজৰি। ককাইদেউক মই আটাইতকৈ বেয়া পাওঁ কাৰণ নিজে এজন প্রবক্তা হৈ নিজৰেই বিশ্ববিদ্যালয়ৰ ছাত্রীক ভাল পাই বিয়া কৰাইছিল। তেওঁকো মোৰ ভাল নালাগে এতিয়া, কাৰণ তেওঁ মোক প্রৱঞ্চনা কৰিছিল। ককাইদেউৰ সখী আছিল বিশ্ববিদ্যালয়ৰে অন্য এজন প্রবক্তা। বিয়াৰ দিনা ৰাতি দৰাৰ



শাৰদীয় বিশেষ

লগত ৰাতি ময়ো যাব লগা হৈছিল। মই নিৰিচাৰিলেও ঘৰৰ মানুহৰ ওচৰত ধৰা পৰাৰ ভয়ত গুচি গৈছিলোঁ। মাহীৰ ল'ৰাটো, বৰদেউতা, খুৰাইঁতৰ ল'ৰা-ছোৱালীবোৰ লগলাগি কইনা খোজা নিয়ম কৰিবলৈ প্লেন বনাইছিল। মই সেই প্লেনৰ অংশীদাৰ নাছিলোঁ যদিও দৰাৰ ভায়েক হিচাপে মোক সিহঁতে টানি নিয়াদি নিছিল। এজাক গাভৰুৰ খিলখিলনি আৰু মাজত তেওঁ। কইনাৰ মুখ চোৱাৰ ইচ্ছা দমন কৰি মই মাথোঁ নিয়মটোহে কৰিছিলোঁ, কিন্তু তেওঁ হেনো মোৰ মাতটো শুনিয়েই গম পাইছিল আৰু আচৰিত হৈছিল যেতিয়া কোনোবাই কোৱা শুনিছিল মই দৰাৰ নিজৰ ভায়েক! কথাখিনি তেওঁ মোক মই গৱেষণাৰ বাবে দিল্লীলৈ যোৱাৰ আগদিনা কৈছিল। একেখন ঘৰতে মোৰ মনৰ কইনাগৰাকীক নবৌ সম্বোধন কৰি একেলগে থাকিবলৈ ইচ্ছা নোহোৱা মই সৌভাগ্যক্ৰমে দিল্লী বিশ্ববিদ্যালয়ত গৱেষণা কৰিবলৈ সুযোগ পাইছিলোঁ। ভগৱানে যেন মোৰ কথা বুজিছিল, তেনে অনুভৱ হৈছিল। খবৰবোৰ তাৰপিছত চিঠিত মোলৈ গৈছিল, নকিয়া ফোনটো সন্ধিয়া হ'লেই বাজিছিল। মাৰ চিন্তাবোৰৰ ফুলষ্টপ ক'ত? দিল্লীত ছাত্ৰৰ মৃত্যুৰ খবৰ নতুন নাছিল কিন্তু মাৰ টোপনি নগৈছিল। মাৰ মত অনুসৰি মই গৱেষণাৰ বাবে দিল্লীলৈ যোৱাৰ কথাই নাই, গুৱাহাটী বা তেজপুৰতে পাৰিলোহেঁতেন! কিন্তু উচ্চাকাংক্ষী ককাইদেউৰ এশ শতাংশই সন্মতি আছিল। মোৰ গৱেষণা কালছোৱাত তেওঁৰ পৰা এখন অপ্ৰত্যাশিত চিঠি আহিছিল, যিখনত তেওঁ বৰ্ণনা কৰিছিল তেওঁৰ পৰিস্থিতিৰ কথা। যাৰ কাৰণে তেওঁ মোৰ হ'ব নোৱাৰিলে! মই উত্তৰ দিয়াৰ বাবে উৎসুক নাছিলোঁ। তেওঁ এতিয়া মোৰ কোনো নহয়, তেওঁ মোৰ ককাইদেউৰ পত্নী এতিয়া।

এদিন মায়ে ফোন কৰি জনালে মই খুৰা হ'লো। মই সুখী নে দুখী নিজেই ভাবি পোৱা নাছিলোঁ। ঘৰলৈ মোক মাতি মাতি নিব নোৱাৰিলে। ছমাহৰ পিছত তাইৰ অন্নপ্ৰাশন। মোক মায়ে এসপ্তাহৰ পৰাই ফোন কৰি আছিল, মইহে ব্যস্ততাৰ অজুহাতত নধৰি অৱশেষত ক'লো যে দুমাহমান গৱেষণাৰ কাম বাঢ়ি যোৱাৰ বাবে মই আৰু ক'তো যাব নোৱাৰিম! মায়ে আৰু একো নকৈছিল। এদিন চিঠি এখন আৰু লগতে কণমানিজনীৰ ফটো এখন আছিল। ফটোখন চাই মোৰ মৰম লাগিল। ৰঙটো ঠিক মাকৰ দৰেই আৰু চকুটো ককাইদেউৰ দৰে! চিঠিখনত মায়ে মই নোযোৱাৰ দুখবোৰ প্ৰকাশ কৰিছিল। মই নিৰুত্তৰ।

এই দিনবোৰত মই জ্বলি পুৰি ছাই হোৱা কোনে দেখিছিল? ককাইদেউৱে উচ্চ সপোনৰ পথ দেখুওৱা নিজৰ ভায়েকটোক চিনি নাপালে কিয়? ককাইদেৱে পিছলৈ বিশ্ববিদ্যালয়লৈ নমতাৰ কাৰণবোৰ এইবোৰ আছিল নেকি? মোৰ গৱেষণা কাৰ্য শেষ হ'বলৈও বেছি দিন নাছিল। এদিন আবেলিপৰত এইবোৰকে



শাৰদীয় বিশেষ

ভাবি চাহ খাই থাকোঁতে মায়ে মোক ফোন কৰিছিল- থোকাথুকি মাতেৰে কথাকেইটা কোৱাত বুজিবলৈ সমস্যা হৈছিল! মই মাৰ ফোন ৰাখি মাহীৰ ল'ৰাটোক ফোন কৰিছিলোঁ, সি কৈছিল যে- ককাইদেউ আৰু নবৌ নাই! এটা পথ দুর্ঘটনাত তেওঁলোক দুয়োজন থিতাতে নিহত হৈছে। মই সেইদিনাই গুচি আহিছিলোঁ ঘৰলৈ। দুদিনমান মানুহে ঘৰ নধৰা হৈছিল, মাৰ প্রতিটো খোজতে কান্দোনবোৰ ভাঁহি আছিল, ঘৰখন লাহেকৈ নিজম পৰিছিল। মোৰো ককাইদেউৰ মুখখন মনলৈ আহিছিল। আৰু তেওঁৰ মুখখন?

মই বিশ্ববিদ্যালয়ৰ পৰা ঘৰলৈ ঘুৰি অহা এমাহ হৈছিল। মোৰ গাইডে ফোন কৰি আছিল। যাবলৈ খুজিলেই মোৰ এবছৰীয়া ভতিজীজনীৰ মুখখন চকুত ভাঁহি উঠে। তাইক মোৰ বয়সীয়াল পিতৃ-মাতৃৰ হাতত দি মই কেনেকৈ বিশ্ববিদ্যালয়লৈ গুচি যাওঁ? কিন্তু মোৰ হাতত এতিয়াও কেইমাহমান আছিল গৱেষণাৰ কাম সমাপ্ত হ'বলৈ! এটা সময়ত ককাইদেউ আৰু মোৰ মাজত থকা সম্পর্কবোৰ মানুহৰ বাবে আদর্শ আছিল। মই দুদিন বেমাৰত পৰি হস্পিতালত আছিলোঁ, ককাইদেউ বিদ্যালয় নগৈ মোৰ লগতে আছিল। আনকি ককাইদেউ মোৰ বাবে সাহস আছিল। নোকোৱাকৈ ককাইদেউৰে মোৰ বাবে যেন এটা দায়িত্ব এৰি থৈ গৈছে, তেনে লাগিল। সেয়ে মই সিমানতে গৱেষণা আধৰুৱা কৰি ঘৰতে চৰকাৰী চাকৰিৰ বাবে পঢ়া-শুনা কৰিলোঁ। দিনে-ৰাতিয়ে এই ছোৱালীজনীয়ে মোক আৱৰি ৰাখিছিল। তাইক ডাঙৰ কৰাৰ দায়িত্বৰ সমানে সমানে মই নিজেও এটা চৰকাৰী চাকৰি পালোঁ। মায়ে মোৰ বাবে ছোৱালী চাব বিচাৰিছিল, মই বাধা দিছিলোঁ। পৰম পূজ্য ককাইদেউ আৰু মোৰ কল্পনাৰ কইনাগৰাকী, যি পিছলৈ মোৰ নবৌ হৈছিল, তেওঁলোকৰেই কন্যা এই মাইনা। আজি তেৰ বছৰত ভৰি দিলে মাইনাই।

ঃ খুৰা খুৰা মোক এটা উপহাৰ লাগিব।

মাইনাৰ কথাত মই ভাবনাত যতি পেলাই তাইৰ মুখলৈ চাই সুধিলোঁ-

ঃ কি লাগে ক'...

তাই আইতাকৰ ফালে দেখুৱাই ক'লে-

ঃ আমাৰ আইতাজনীৰ বয়স হৈছে দেখিছানে? মোকো কিন্তু বেষ্ট ফ্রেণ্ড এজনী লাগে! এতিয়া মোক কথা দিয়া যে তুমি মোলৈ উপহাৰ হিচাপে খুৰী এজনী আনিবা!

মই তাইৰ কথাত আচৰিত হৈ মালৈ চালোঁ। মায়ে হাঁহি আছে। দেউতাই ফটোখনৰ পৰা হাঁহি আছে। আচলতে ককাইদেউ-নবৌ ঢুকোৱাৰ পিছত দেউতাইও আমাক এৰি থৈ গুচি গ'ল জগিচতে। আজি তাইক কথা দিছোঁ, মই তাইলৈ বেষ্ট ফ্রেণ্ড এজনী আনিম, মায়ে কৈ থকা মতে মালৈ বোৱাৰী এজনী আৰু মাইনাৰ কাৰণে এগৰাকী শুভচিন্তক।



শাৰদীয় বিশেষ



আগমনীৰ সুৰ

— লিপিৰেখা শইকীয়া

শৰতৰ শেৱালিয়ে মেলিলে পাপৰি
কুঁৱলীৰ আঁচলত দেৱীৰ ছাঁ পৰিল,
কঁহুৱা ফুলে দি যায় ধৰণীক আদৰণি
দেৱী বন্দনাৰ মধুৰ গুঞ্জন।

ঢাকৰ কোবত সাৰ পালে হৃদয়,
মৃদু বতাহত আগমনীৰ সুৰ
মা দুর্গাৰ পদধ্বনিত ধন্য হ'ল ধৰণী
আন্ধাৰ ফালি আহিল পোহৰৰ আগমন।

অজ্ঞানতাঃ আৰু ক্লেশ আঁতৰি যাওক
কৃপাময়ী মা স্নেহৰ আঁচলত,
প্রতিখন ঘৰত সিঁচি দিয়ে যেন
অপৰূপ শান্তি আৰু হাঁহিৰ বৰষুণজাক।

প্রতিখন হৃদয়ৰ ব্যাকুল হেঁপাহবোৰ
পূজাৰ ৰঙত উঠক জিলিকি
উলাহ-মালহেৰে ভৰি পৰক ধৰণী
মাৰ শ্রীচৰণৰ পবিত্র পৰশত।



কবিতা

শৰতৰ স্নিগ্ধ সুবাস

— বৃষ্টি তালুকদাৰ

শৰতৰ সুবাসত সেমেকি উঠিছে
শেৱালিৰ শুকুলা ৰং।
নিয়ৰৰ পাহিত জিলিকে দূবৰি বন
শাৰদী মনৰ পাপৰি তুমি
জীপাল প্রাণৰ সেউজী কুঁহিত
জগালা প্রেমৰ প্রভাত।
নিয়ৰৰ পাহিত জেউতি সৰিলে
প্রত্যাশিত মোৰ গানৰ আভাস..
কঁহুৱা ফুলৰ আঁৰত
স্মৃতিৰ ধূসৰ বাটত..
তুমি আহিছিলা মোক জগাবলে
শৰতৰ নিবিড় সুৰত।
জোনাক নিশাৰ মায়াবী তৃষা এৰি
পৰিধিবিহীন সুৰৰ এনাজৰীত ভাঁহি উঠে
মাথোন দিগন্তৰ প্রতিচ্ছবি...।

শাৰদী ৰাণী

— ৰুবী বৰুৱা



শেৱালিৰ সুবাসে
শৰতক আনে মাতি,
কাশফুলে হাঁহি মাৰে
বতাহৰ লগত নাচি।
নীলা আকাশ জুৰি
বগা মেঘৰ ভেলা,
ঢোলৰ মাতে কঁপাই তোলে
উৎসৱৰ ৰঙীলা বেলা।
শাৰদী ৰাণী আহে
শুভ্রতাৰ আঁচল মেলি,
মা দুর্গাৰ আগমনত
পৃথিৱী উঠে খেলি।
জোনাক নামে লাহে,
নদী বয় কলকল,
দূৰ আকাশৰ সুৰে যেন
মনৰ দুৱাৰ খোল।
সেই সুৰতে কেতিয়াবা
মনত পৰে এটি নাম,
জুবিন-অসমৰ বুকুত
জাগি থকা এটি গান।
জুবিনৰ সুৰৰ দৰে
মিঠা হওক এই বেলা,
শাৰদী ৰাণীৰ আগমনে
ভৰক মৰমৰ মেলা।
শেৱালি সৰি যাব,
কাশফুলো হ'ব নীৰৱ,
তথাপি সুৰ হৈ জীয়াই

দুর্গাপূজা

— জিতামণি গোস্বামী



মা আহিছে ধৰালৈ,
দুর্গতি নাশিবলৈ
সিংহত উঠি মা আহে,
হাতত ত্রিশূল লৈ
অশুভশক্তি আঁতৰাই
শুভশক্তি বিলাই দিবলৈ।
মন্দিৰৰ ঘণ্টাধ্বনি বাজে,
ভক্তিৰ বন্তি জ্বলে মনে।
ঢাকৰ মাতত জাগি উঠে
আনন্দৰ নতুন উল্লাস।
শেৱালিৰ সুবাসে ভৰে
শৰতৰ নীলা আকাশ,
কঁহুৱাৰ শুভ্র পাহিয়ে
ভৰাই তোলে মন-প্রাণ।
মাৰ আশীর্বাদে ভৰি পৰক
প্রতিটো মানুহৰ জীৱন,
দুখ-বেদনা আঁতৰি যাওক,
হাঁহিৰে ভৰক প্রতিটো মন।
মা আহিছে ধৰালৈ,
দশোদিশে পোহৰৰ ঢৌ,
দুর্গতি নাশিবলৈ আজি
মাৰ চৰণত শৰণ লওঁ।



শাৰদীয় বিশেষ

শাৰদীয় বিশেষ

ক বি তা

শৰৎ

— ফুলকণ দেৱী

শৰৎ মানেই শেৱালিৰ গোন্ধ,
শৰৎ মানেই এচোতাল সৰা
শেৱালিৰ সুবাস আমোলমোল।
শৰততেই কোমল কঁহুৱাৰ লিহিৰী নাচোন,
শৰততেই ষোড়শী শেৱালিৰ নিয়ৰৰ স'তে
অভিনৱ সাজোন-কাচোন।
তৰাফুলে শুভ্ৰ সাজেৰে দলিচা পাৰি
শাৰদী ৰাণীক আনিব আদৰি,
ৰাতি দুপৰত শেৱালি ৰৈ থাকিব
আজন্ম প্ৰেমিক হৈ,
নিয়ৰ আৰু আহিনৰ বতৰা লৈ।
কুঁৱলীৰ চামিয়ানা তৰি
শাৰদীয়ে কৈ যাব নিজৰেই কাহিনী
আহিন হৈ ৰ'ব সাক্ষী
নিয়ৰসিক্ত দূৰৰি গচকি।



বিসর্জন

অনুবাদ | কবিতা

মূল কবি ঃ অদিতি ৰায়
অনুবাদ ঃ সপ্তর্ষি বর্ধন

সুঁতিত ওপঙাইছা উমা
স্বর্গৰ বাট জানো সেয়া,
দুয়োপাৰে কঁহুৱাৰ বন ম্লান হৈ আহে
ঘূৰি ঘূৰি ওপঙি উঠে কাঠ খৰ মাটি,
জাগি থাকে চকু, নাক, সোণালী থুঁতৰি।
ইমান দূৰলৈ উঠি অহা খটখটি, সেউজীয়া সোফান
চ'ৰাঘৰত ভৰিৰ সাঁচ লাহেকৈ শুকায়।
নৈ জানো বৈ যাব স্বর্গৰ ওচৰলৈ—
বেহুলাৰ দৰে, সকলোৰে অলক্ষ্যে?
শেৱালি ওৰ পৰা বেলা শুকতৰা ঢাকে কুঁৱলীয়াই
ঘাটৰ পৰা উঠি আহে পূজাৰী, শাঁখাৰী।
ক'ত বিসর্জন, কোন সুঁতিত পেলালে উমাক
স্বর্গলৈ যায় জানো সি আচলতে?
দুয়োপাৰলৈ কঁহুৱাৰ বন ম্লান হৈ আহে—
হেমন্তৰ আন্ধাৰ যেন নাহে তালৈ
য'ত পেলাইছা প্ৰাণ, য'ত পেলাইছা দেহ,
সৰল বিশ্বাসেৰে নীলা পংক সুঁতিত।

এক মিনিটৰ গল্প ঃ



গতিৰ সিপাৰে

— গকুল ডেকা

মহালয়া পাৰ হৈ গ'ল। পূজা মণ্ডপত মা দুর্গাৰ মৃন্ময় মূর্তিত শেষ পৰশ দিয়াত ব্যস্ত মৃৎশিল্পীসকল।

চহৰৰ বজাৰত কাপোৰ কিনিবলৈ অহা মানুহৰ উখল-মাখল ভিৰ, শেৱালিৰ সুবাস আৰু নিয়ৰসিক্ত দূবৰিৰ মাজেৰে ধৰালৈ নামি আহিছে শৰতৰ মাদকতা। কাৰণ, পূজাকেন্দ্রিক এই আনন্দোৎসৱলৈ মাজত মাত্র ১৩ টা দিন বাকী।

এই উছাহৰ মাজতে গাঁৱৰ যুৱ সংঘৰ কার্যালয়ত অংকুৰ আৰু তাৰ বন্ধুসকল এক বিশেষ আলোচনাত বহিল। প্রতিবছৰে পূজাৰ ঠিক আগে-পাছে ডেকা ল'ৰাবোৰৰ মাজত বাইকৰ গতি বৃদ্ধি পায় আৰু তাৰ ফলত হোৱা পথ দুর্ঘটনাবোৰে অংকুৰৰ মনত গভীৰ দাগ বহুৱাইছিল।

অংকুৰে সকলোকে উদ্দেশ্যি ক'লে, "বন্ধুসকল, পূজা পাবলৈ এতিয়াও ১৩ দিন বাকী আছে। এই হাতত থকা সময়খিনি আমি এনে এক কামত লগাওঁ, যাতে এইবাৰ আমাৰ অঞ্চলত এটাও অপ্রীতিকৰ ঘটনা নহয়।

যুৱ সমাজখনে থিৰাং কৰিলে— তেওঁলোকে এতিয়াৰ পৰাই সামাজিক মাধ্যম আৰু মণ্ডপৰ সমীপৰ পথসমূহত এক ব্যতিক্রমী সজাগতা অভিযান চলাব। তেওঁলোকে বজাৰৰ ব্যস্ত পথ আৰু স্কুল-কলেজৰ কাষত সুন্দৰ সুন্দৰ প'ষ্টাৰ আঁৰি দিলে। য'ত লিখা আছিল— "মা দুর্গাই আমাক সুৰক্ষা দিয়ে, গতিকে তীব্র বেগত গাড়ী চলাই নিজৰ জীৱন বিপন্ন নকৰিব," "লাহে চকা ঘূৰক, আপোনাৰ বাবে

ঘৰত কোনোবাই অপেক্ষা কৰিছে।”

অংকুৰহঁতৰ এই ইতিবাচক পদক্ষেপে পূজাৰ পূৰ্বেই সমগ্ৰ যুৱ-প্ৰজন্মৰ মন মগজুত এক গভীৰ জোকাৱণি তুলিলে। বাইক লৈ ঘৰৰ পৰা ওলোৱা প্ৰতিজন ডেকাই এতিয়া নিজৰ বাহনৰ গতি নিয়ন্ত্ৰণ কৰিবলৈ শিকিলে। কাৰণ তেওঁলোকে বুজি পালে যে হুলস্থুল বা তীব্ৰগতিৰ বীৰত্ব নহয়, বৰঞ্চ নিজক সুৰক্ষিত ৰাখি সমাজখনকো সুৰক্ষিত কৰাটোহে আচল দায়িত্ব।

পূজা অহালৈ সকলোৱে দিন গণিছে, কিন্তু এইবাৰ এক সুন্দৰ দায়িত্ববোধ আৰু সংযমৰ সৈতে। সচেতন পাঠক সমাজ আৰু অভিভাৱকসকলে যুৱকসকলৰ এই সুন্দৰ চিন্তাক বিপুলভাৱে আদৰি ল'লে। পূজাৰ এই আগমুহূর্তৰ বতৰাই সমাজলৈ কঢ়িয়াই আনিলে এক সুস্থ, সুৰক্ষিত আৰু সঁচা সুখৰ প্ৰতিশ্ৰুতি।



মকৰধ্বজ

— মানসী শৰ্মা

“বেছিদিন নাথাকে আৰু বুজিছা, খাবলৈ কিবা ভালপোৱা বস্তু আছে যদি সোনকালে খুৱাই দিয়া। খোৱা-বোৱাবোৰ সোনকালে কৰি বা বুজিছা। এই ল'ৰাকেইটাকো ৰাতি-বিয়লি সোনকালে ঘৰ সোমাবলৈ কবা। মই যাওঁ, কিবা দৰকাৰ হ'লে মাতিবা।” -এইবুলি মোহন ককাইদেউ ওলাই গ'ল।

“বোৱাৰী মই টাউনৰ পৰা আহোঁ মাৰাক চাবা। মিঠাই দুটামানকে আনো, মাৰে ভালপোৱা।”

“তই ভালপোৱা কাজু বর্ফি, খাচোন অকণমান।” মিঠাই এটা লৈ তেওঁ ঘৈণীয়েকৰ মুখখনত ঠেলি ভৰাই দিলে। মালতীৰ চকুৱে টপ টপ চকুপানী পৰিব ধৰিলে। তাইৰ মুখত এটা শেঁতা হাঁহি বিয়পি গ'ল। মৰিবৰ সময়ত মকৰধ্বজ। খাব পৰা হৈ থাকোতে এই মিঠাই তাই দেখিয়েই নাপালে। কাজুবর্ফি আৰু ডাঠ একাপ গাখীৰ চাহ, তাইৰ চকুৰ আগত ভাঁহি উঠিল। তাইৰ মুখৰ মাত নাই, কিবা এটা ক'বলৈ তাই পার্যমানে চেষ্টা কৰিছে কিন্তু

একো এটা তাই ক'ব পৰা নাই। তাই বোৱাৰীয়েকৰ ফালে বৰ কৰুণভাৱে চালে। তহঁতি সকলো কুশলে থাকিবি আই। দুইটা ককাই-ভাই মিলি-জুলি থাকিবি। তাই মনতে তাহাঁতক আশীৰ্বাদ দিলে।

"ঘৰখনৰ তায়েই ডাঙৰ আছিল। মাক অসুখীয়া, সেয়ে তাই ঘৰৰ সকলো কাম কৰিহে স্কুল যাব পাৰিছিল। নাইনলৈ প্ৰমোচন পাওঁতেই তাই স্কুল এৰিব লগা হ'ল। পঢ়াত তাই ইমানো বেয়া নাছিল। সেইসময়তে মাকৰ অপাৰেচন এটা হৈ বিছনা ল'বলগা হ'ল। ভনীয়েক-ভায়েককেইটাও সৰু গতিকে তাইৰ আৰু পঢ়া নহ'ল। সেই তেতিয়াই যি পাকঘৰত সোমোৱা নিজৰ বোৱাৰী অহালৈকে ভাতৰ চৰুতে জীৱন গ'ল। তাকো সামান্য কথাতে শাহুৰেকে, গিৰীয়েকৰ চৰটো আছেই। তাঁত-সুত, গৰু-ছাগলী, খেতি-খোলা সকলো চম্ভালিব লগা হ'ল। অকণমান মৰমৰ মাত পোৱাহেঁতেনো, নাই বাইশাহুকেইজনী আহিলে তাইৰ দুখটো বেছিহে হয়। কিমানদিন নোখোৱাকৈ শুই থাকিব লগা হৈছিল। আজি জীৱনৰ সকলো ঘটনা তাইৰ চকুৰ আগত ভাহি উঠিছে।"

এতিয়া এটি সৰগৰ জ্যোতি যেন তাইৰ ফালৰে আহিব লাগিছে। ক্ষন্তেকতে তাইৰ সকলো কষ্ট যেন নাইকিয়া হৈ গ'ল। বোৱাৰীয়েকৰ মূৰত হাতটো থৈ তাই চকু মুদিলে। এটি প্ৰাপ্তিৰ হাঁহি তাইৰ মুখত বিয়পি গ'ল।

"ঘৰখনৰ তায়েই ডাঙৰ আছিল। মাক অসুখীয়া, সেয়ে তাই ঘৰৰ সকলো কাম কৰিহে স্কুল যাব পাৰিছিল। নাইনলৈ প্ৰমোচন পাওঁতেই তাই স্কুল এৰিব লগা হ'ল। পঢ়াত তাই ইমানো বেয়া নাছিল। সেইসময়তে মাকৰ অপাৰেচন এটা হৈ বিছনা ল'বলগা হ'ল। ভনীয়েক-ভায়েককেইটাও সৰু গতিকে তাইৰ আৰু পঢ়া নহ'ল। সেই তেতিয়াই যি পাকঘৰত সোমোৱা নিজৰ বোৱাৰী অহালৈকে ভাতৰ চৰুতে জীৱন গ'ল। তাকো সামান্য কথাতে শাহুৰেকে, গিৰীয়েকৰ চৰটো আছেই। তাঁত-সুত, গৰু-ছাগলী, খেতি-খোলা সকলো চম্ভালিব লগা হ'ল।







অন্যান্য



মহিষমর্দিনী দুর্গতিনাশিনী

— প্রিয়ম ৰাগিণী

বর্ষাৰ ক্লেদাক্তময় সময় সামৰি শৰৎ ঋতুৰ আগমন ঘটে। শৰৎকালত উৎসৱ-পার্ৱণ নাম-প্রসংগৰে পৰিৱেশ যেন মুখৰিত হৈ উঠে। উছাহৰ ঢৌ বিয়পি পৰে চতুর্দিশে। শাওণৰ বোকাময় পথাৰত চহা কৃষকে সপোন সিঁচি আঘোণলৈ বাট চোৱাৰ সময়খিনিতে উৎসৱে আহি পদূলিত খদমদম লগায়হি। বর্ষাৰ দুখ-দুর্গতিক মূৰতে লৈ চহা কৃষকে দুখ তাপৰে সুখৰ সময়ৰ মুখ চাবলৈ। আহিনৰ বোকোচাত উঠি শৰৎ আহে। পদূলিৰ শেৱালি জোপাইও জাননী দিয়ে শৰৎ আগমনৰ। ফৰকাল আকাশ, আকাশত ভাহি ফুৰা শুকুলা মেঘ, মেঘৰ মোহনাত যেন তৰাৰ লুকা-ভাকু। নির্মল আকাশত উৰি ফুৰে শৰালিৰ জাক। সন্ধিয়াৰ আকাশত নীড়মুখী বগলীৰ জাক। ৰ'দৰ হেঙুলীয়া ৰহন লাগি জিকমিকাই থকা পাখিবোৰত যেন ৰ'দমুকুতা ওলমি ৰয়।

বর্ষাৰ বুকুতেই চোপ লৈ থাকে শৰৎ আহিবলৈ। শাওণৰ পংকিলতা সামৰি পথাৰ হৈ পৰে সেউজীয়া। কৃষকে সপোন দেখে। সপোনৰ ৰাজ্যত বিচৰণ কৰি থাকোঁতেই উৎসৱে আহি দুৱাৰত টোকৰ দি সজাগ কৰি তোলেহি মানুহক। কেৱল কষ্ট কৰি থাকিলেই নহয়। কষ্ট কৰিলেই নহয় উৎসৱতো চামিল হ'ব লাগে যেন মানুহবোৰ।

উৎসৱে আনে আনন্দৰ বতৰা। উৎসৱে আনে সম্প্রীতিৰ বতৰা। ধনী-দুখীয়া একাকাৰ হৈ দুর্গোৎসৱত মিলিত হয় সেৱকী ৰূপত। মা দেৱী দুর্গাৰ আশিসধন্যা হৈ সর্বমংগল্যময় ধাৰণাৰে প্রার্থনা জনায়।

বর্ষাৰ বুকুত উঠি শৰৎ আহে। আহিনৰ সুন্দৰ সুশোভিত সেউজীয়াই মনলৈ প্রশান্তি কঢ়িয়াই আনে। শাৰদী ৰাণীৰ নূপুৰৰ





বৰ্তমান দৃষ্টিনন্দন আলোকসজ্জাই পূজা মণ্ডপসমূহক এক নতুন ৰূপত গঢ় দি তুলিবলৈ চেষ্টা কৰিছে। প্ৰতি বছৰে পূজা মণ্ডপবোৰৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। পূজামণ্ডপবোৰো প্ৰতিযোগিতাৰ তুলাচনীত প্ৰথম, দ্বিতীয়, তৃতীয় হিচাপে পুৰস্কাৰ ঘোষণা কৰাটোও এক নিয়ম হৈ উঠিছে। ভক্তপ্ৰাণ ৰাইজক আমোদ আনন্দকৰ পৰিৱেশ দিয়াৰ লগতে আয়োজকসকলৰো মনত ভাল লগা অনুভূতিয়ে মন আলোড়িত কৰি ৰাখে। ই স্বাভাৱিকতে বাৰু ভাললগা কথাই। পূজাৰ বাবেই বহু অৰ্থৰ প্ৰয়োজনো নোহোৱা নহয়।

ছন্দৰ ধ্বনিয়ে সমগ্ৰ মানৱকুলক মনত পেলাই দিয়ে দুৰ্গোৎসৱৰ বতৰাৰ কথা। শুকুলা কঁহুৱাবোৰ ফুলি উঠে নৈৰ দাঁতি অথবা বাৰীৰ ঢাপবোৰত। শুভ্ৰতা কেৱল শুভ্ৰতা চাৰিওফালে। আলফুলীয়া শেৱালিপাহো হৈ পৰে মোহনীয়া। সুগন্ধি বিয়পাই বিয়পাই শেৱালিও যেন আপোন পাহৰা হৈ পৰে শৰতৰ আগমনত। পৃথিৱীৰ বুকুত শৰতৰ পদধ্বনি শুনিবলৈ পোৱা যায় আৰু মায়াৱী শৰতে শাৰদীয় ৰূপ লৈ প্ৰকৃতিৰ বুকুত নৃত্যৰ ছন্দে ছন্দে মহা আলোড়নেৰে পদূলিয়ে পদূলিয়ে শুভ্ৰ শেৱালিৰ স্নিগ্ধ সৌৰভ বিয়পাই দিয়ে।

নিশাৰ চন্দ্ৰমাৰ পোহৰ আৰু অভিশপ্তা শেৱালিৰ স্নিগ্ধ আমোলমোলোৱা গোন্ধে যেন নৈৰ পাৰৰ কঁহুৱাৰ সৈতে মিতিৰালিহে পাতে। শীতৰ নিয়ৰৰ কণিকাৰে দূৰবিৰ দলিচা পাৰি শাৰদী ৰাণীক আদৰণি জনায়। শাৰদী ৰাণীৰ আগমন ঘটে। শাৰদী ৰাণীৰ সৈতেই শাৰদীয় দুৰ্গোৎসৱে আহি পৰিৱেশত ভুমুকি মাৰেহি।

শৰৎ মানেই উৎসৱৰ সময়। উৎসৱেই আনন্দৰ খোৰাক যোগোৱাৰ লগতে মানুহৰ মনত অফুৰন্ত কৰ্মপ্ৰেৰণা যোগায়। বুকুত সাহসৰ সঞ্চাৰ যোগায়। মায়াময় শৰতৰ জোনাক বিধৌত সন্ধিয়া পূজাৰীৰ মন্ত্ৰোচ্চাৰণ, আয়তীৰ উৰুলিৰ ৰোল, ঢাক-ঢোলৰ, মৃদংগৰ, শংখ-ঘণ্টাৰ দবা-কাঁহৰ ধ্বনিৰে মুখৰিত আধ্যাত্মিক এক পৰিৱেশে বিৰাজ কৰে চতুৰ্দিশে।

ওঁ সৰ্বমংগল মংগল্যে শিৱে সৰ্বাৰ্থ সাধিকে।
শৰণ্যে ত্ৰ্যম্বকে গৌৰী নাৰায়ণী নমোহস্তুতে।।
সৃষ্টিস্থিতিবিনাশানাং শক্তিভূতে সনাতনি।
গুণাশ্ৰয়ে গুণময়ে নাৰায়ণী নমোহস্তুতে।।

শাৰদীয় বিশেষ

মহিষমর্দিনী আই ভাগৰতী দুর্গতিনাশিনীৰ মণ্ডপবোৰত পূজা-অর্চনা কৰি ভক্তপ্রাণ ৰাইজৰ মন উন্মাদনাৰে নতুন ৰূপত উদ্ভাসিত হৈ পৰে। সেৱকীসকলে নতুন নতুন বস্ত্র পৰিধান কৰি সকলোৱে একত্রিত হৈ আদ্যশক্তি দেৱী দুর্গাক প্রাণভৰি পূজা-অর্চনা কৰে। আনহাতে দেৱীদুর্গা মা মহামায়া ভগৰতী গোসাঁনী মর্তলৈ আহে নৰমনুষ্যৰ পূজা খাবলৈ আৰু তেওঁ দুষ্টক দমন শান্তক পালন কৰি প্রকৃতিৰ বুকুত প্রাণ প্রতিষ্ঠা কৰে। পূজাস্থলীবোৰ আলোকসজ্জাৰে তথা অত্যাধুনিক কলাকৌশল প্রয়োগ কৰি সুন্দৰকৈ সজোৱা হয়।

বর্তমান দৃষ্টিনন্দন আলোকসজ্জাই পূজা মণ্ডপসমূহক এক নতুন ৰূপত গঢ় দি তুলিবলৈ চেষ্টা কৰিছে। প্রতি বছৰে পূজা মণ্ডপবোৰৰ প্রতিযোগিতা অনুষ্ঠিত কৰা হয়। পূজামণ্ডপবোৰো প্রতিযোগিতাৰ তুলাচনীত প্রথম, দ্বিতীয়, তৃতীয় হিচাপে পুৰস্কাৰ ঘোষণা কৰাটোও এক নিয়ম হৈ উঠিছে। ভক্তপ্রাণ ৰাইজক আমোদ আনন্দকৰ পৰিৱেশ দিয়াৰ লগতে আয়োজকসকলৰো মনত ভাল লগা অনুভূতিয়ে মন আলোড়িত কৰি ৰাখে। ই স্বাভাৱিকতে বাৰু ভাললগা কথাই। পূজাৰ বাবেই বহু অর্থৰ প্রয়োজনো নোহোৱা নহয়। বংগ তথা বাংলাদেশৰ পৰা ঢাকৰ দল মাতি আনি পূজাস্থলীত ঢাক ঢোল বজোৱাটো সহজ কথা হয়তো নহয়। তথাপিও এই কষ্টত নীহিত থাকে উৎসৱ আয়োজনৰ আনন্দ।

সেৱকী তথা ভক্তপ্রাণ ৰাইজে 'নমস্তুসৈ নমস্তুসৈ নমোঃ নমঃ' মন্ত্রোচ্চাৰণ কৰি দেৱীক পূজা-অর্চনা কৰি দুখ শোক তাপ খণ্ডন যোৱাৰ প্রার্থনা জনায়। ত্রেতাৰ যুগত এই পূজা প্রথমে আৰম্ভ কৰিছিল ভগৱান শ্রী ৰামচন্দ্রই। অকালবোধনেৰে সূচনা কৰিছিল শাৰদীয় দুর্গাপূজাৰ। শৰৎকালত অনুষ্ঠিত পূজাক শাৰদীয় আৰু বসন্ত কালত অনুষ্ঠিত পূজাক বাসন্তী পূজা বোলা হৈছিল। এসময়ত দুর্গাদেৱীয়ে মহিষাসুৰ নামৰ অসুৰজনক বধ কৰাৰ বাবেই দেৱীৰ অন্য নাম মহিষমর্দিনী। বৰদানপুষ্ট অভিজাত মহিষাসুৰে ব্রহ্মাক সন্তুষ্ট কৰি মহাপ্রতাপী হৈ উঠিছিল। মহিষাসুৰে স্বর্গ-মর্ত্য-পাতালত ত্রাসৰ সৃষ্টি কৰাত দেৱতাসকল একগোট হৈ নিজৰ নিহৰ তেজশক্তি লগলগাই এগৰাকী তেজস্বিনী সুন্দৰী ৰমণী সৃষ্টি কৰিছিল সেইগৰাকী ৰমণীয়ে অতি বিক্রমেৰে যুঁজি মহিষাসুৰ অসুৰক বধ কৰিছিল। তেঁৱেই হ'ল দেৱী দুর্গা, মহামায়া, ভাগৰতী, গোসাঁনী, চণ্ডিকা নাৰায়ণী, গৌৰী, শিৱানী ৰূপে পৰিচিতা। এইগৰাকী দেৱীকে সকলোৱে মহিষমর্দিনী দুর্গা দেৱীৰূপে পূজা-অর্চনা কৰে। অতীতৰে পৰা বর্তমানলৈকে মহাশক্তিস্বৰূপা আই ভগৰতী দেৱী দুর্গা পূজিতা হৈ আহিছে। আদ্যশক্তি দেৱী দুর্গাৰ দুটা ৰূপ এটা হ'ল সংহাৰকাৰিণী আনটো হ'ল প্রাণদায়িনী। মাতৃস্বৰূপা দেৱী দুর্গা সকলোৱে পূজিতা।

শৰৎকালৰ কথা সুকীয়া। ফৰকাল বতৰ। গৰমৰ প্রকোপ





নাই ঠাণ্ডাৰো প্ৰকোপ নাই। সুন্দৰ বাতাৱৰণৰ লগতে প্ৰকৃতিও হৈ পৰে বৰ মনোমোহা। শৰৎ যেন সুবাসৰ ঋতু। জোনাকৰো। শান্ত সমাহিত ঋতুৱে মানুহৰ মনত জগাই তোলে ভক্তিৰসৰ জোৱাৰ। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পৰা শংকৰদেৱ, মাধৱদেৱ গুৰু দুজনাৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথিও এইহেন মোহনীয় সময়তে পৰে বাবে শংখ দবা-কাঁহৰ সংমিশ্ৰিত ভাবনাই মানুহৰ মনত আধ্যাত্মিকতাৰ প্ৰতি যেন বেছি আকৰ্ষিত কৰিহে তোলে। ভাললগা পৰিৱেশ, ভাললগা অনুভূতি এখিনিয়ে আহি যেন সকলোৰে মনত দোলা দিহে যায়হি। শৰতৰ পৰশতে জীপাল হৈ উঠে প্ৰকৃতিৰাণী। কামদেৱৰ ৰূপত মহাদেৱৰ তপস্যা ভংগ হোৱাৰ দৰেই মায়াৰী শৰতে অতীজৰপৰাই সকলোৰে মন মুহি আপ্লুত কৰাৰ সময়ত দুৰ্গতিনাশিনী মহামায়া দুৰ্গাপূজা এই শৰৎ ঋতুতে অনুষ্ঠিত হয়।

মহিষমৰ্দিনী দেৱী দুৰ্গাপূজাৰ জৰিয়তে মহিষাসুৰক বধ কৰি সমাজৰ পৰা অমংগল হিংসা দ্বেষ আঁতৰ কৰাৰ কাৰণে কামনা কৰা হয়। দশভুজাত থকা দশ অস্ত্ৰই জীৱাত্মাৰ দশইন্দ্ৰিয়ক বুজাইছে। মহিষাসুৰ হ'ল ৰিপুৰ প্ৰতীক, সিংহ হ'ল জ্ঞান আৰু শক্তিৰ প্ৰতীক, দুৰ্গাৰ কাষত থকা লক্ষ্মীদেৱী হ'ল- ঐশ্বৰ্য, সৰস্বতী হ'ল জ্ঞান আৰু বিদ্যাৰ প্ৰতীক। গণপতি গণেশ হ'ল গণশক্তি, কাৰ্তিক হ'ল- শৌৰ্য, বীৰ্যৰ প্ৰতীক। সেইদৰে মানুহৰ মনৰ কাম, ক্ৰোধ, লোভ, মোহ, হিংসা, দ্বেষ আদি ৰিপুবোৰক অসুৰ শক্তি আৰু সত্য, মোহ, ক্ষমা, দয়া, স্নেহ, প্ৰীতিজ্ঞান, বুদ্ধি-প্ৰজ্ঞা আদি হ'ল- দেৱী শকতিৰ প্ৰতীক। মাৰ্কণ্ডেয় পুৰাণত দেৱী দুৰ্গাক শাকম্ভৰী অৰ্থাৎ শস্য প্ৰসৱিনী ৰূপত চিহ্নিত কৰা হৈছে। সেই সময়ত পথাৰবোৰ শস্য-শ্যামলা হয় আৰু ধানৰ থোৰ ওলাবলৈ ধৰে।

দুৰ্গাপূজা ধৰ্মীয় অনুষ্ঠানৰ লগতে ই এক সৰ্বজনীন অনুষ্ঠান। ষষ্ঠীত প্ৰতিষ্ঠা হোৱা দেৱী দুৰ্গা বিজয়া দশমীত হৰ্ষ-বিষাদেৰে বিদায় দিয়া হয়। দেৱী দুৰ্গাই দশহস্তে দশ অস্ত্ৰ লৈ দশোদিশে অশুভ শক্তিক নিধন কৰি জগতত শান্তি প্ৰতিষ্ঠা কৰে। মহামায়া মহিষমৰ্দিনী দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ পৱিত্ৰ অনুষ্ঠানত ধূপ-ধূনা, হোমৰ গোন্ধ, দবা-কাঁহ, ঘণ্টা ধ্বনিৰে সকলো পাহৰি দেৱীৰ চৰণত মূৰ দোঁৱাই শক্তি, বিদ্যা, বুদ্ধি ঐশ্বৰ্য বিভূতি কামনা কৰে। এই সময়ত পূজা মণ্ডপবোৰ এক পৱিত্ৰ ধামলৈ পৰিণত হৈ পৰে।

জনসমাগমৰ মাজত মণ্ডপৰপৰা ভাহি আহে পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ-

"যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমোঃ নমঃ"



শাৰদীয় বিশেষ

দুর্গাপূজা আৰু কলকাতা

— মিতু গোস্বামী



পাতনি ঃ

শৰৎ অহাৰ লগে লগে আমাৰ মনবোৰ এক স্নিগ্ধতাই আৱৰি ধৰে। পুৱাৰ শেৱালিৰ গোন্ধ, নীলা আকাশত তুহিন বৰণীয়া মেঘৰ সঘনে অহা-যোৱা, নিয়ৰসিক্ত দূবৰি— এই সকলোবোৰ মিলি আমাক লৈ যায় শাৰদীয় অনুভৱৰ কাষলৈ। চাৰিওপিনে উৎসৱৰ প্ৰয়োভৰ, মনত আনন্দ। মা দুর্গাৰ আগমনে যেন সকলোৰে মনবোৰ পবিত্ৰ কৰি তোলে

এই দুর্গাপূজাৰ আটাইতকৈ বেছি জনপ্ৰিয় আৰু উৎসাহিত হৈ পৰে কলকাতা (পশ্চিমবংগ)। মা দুর্গাক আদৰিবলৈ প্ৰতিজন লোক অধীৰ হৈ পৰে। তেওঁলোকৰ বাবে পূজা কেৱল আৰাধনাই নহয়, ই মহামিলনৰ ক্ষেত্ৰ, এক মহা উৎসৱ।

ইতিহাস ঃ

বিভিন্ন তথ্য অনুসৰি, ১৬০৬ চনত নদীয়াৰ ৰজা কৃষ্ণচন্দ্ৰৰ পূৰ্বপুৰুষ ভবানন্দই প্ৰথম পশ্চিমবংগত এই পূজা আৰম্ভ কৰে। আকৌ ১৬১০ চনত বাৰিশাৰ সাবৰ্ণ ৰায়চৌধুৰী পৰিয়ালে প্ৰথমবাৰ কলকাতাত এই পূজা কৰে। তেতিয়া ছাগলী, লাও আদি বলি দিয়া হৈছিল। তেতিয়া ই আছিল কেৱল জমিদাৰৰ ঘৰৰ পূজা। সাধাৰণ মানুহৰ প্ৰৱেশ নিষেধ আছিল।

ইয়াৰ পিছত ১৯১০ চনত কলকাতাত প্ৰথমবাৰ বাৰোৱাৰী পূজা অনুষ্ঠিত হয়। বাগবজাৰৰ সনাতন ধৰ্মোৎসাহিনী সভাৰ উদ্যোগত কলকাতাৰ সতীৰ ঘাটত (তেতিয়াৰ মুখার্জী ঘাটত) এই পূজা অনুষ্ঠিত হৈছিল আৰু এই পূজালৈ ব্ৰিটিছসকলকো নিমন্ত্ৰণ দিয়া হৈছিল। তেতিয়াৰ পৰাই দুর্গাপূজা ৰজাৰ ঘৰৰ পৰা ওলাই আহি ৰাইজৰ উৎসৱ হ'ল। "বাৰোৱাৰী" শব্দটো আহিছে বাৰজন





বন্ধুৰ পৰা। কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰেও দুর্গাপূজাৰ সময়ত শান্তি নিকেতনত বিশাল উৎসৱৰ আয়োজন কৰিছিল।

কলকাতাৰ পূজাৰ বৈশিষ্ট্যসমূহ ঃ

থিমৰ পূজা— কলকাতাৰ পূজাৰ আটাইতকৈ ডাঙৰ আকর্ষণ হ'ল থিম। সময়ৰ লগে লগে মণ্ডপবোৰ বেছি আকর্ষণীয় হৈ উঠিছে। কুমাৰটুলি, কলেজ স্কোৱাৰ, চেতলা অগ্রণী, শ্রীভূমি, একডালিয়া এভাৰগ্রীণৰ দৰে পূজা মণ্ডপবোৰে প্রতিবছৰে নতুন নতুন চিন্তাৰে মণ্ডপ সজায়। কেতিয়াবা তাজমহল, কেতিয়াবা বুর্জ খলিফা, কেতিয়াবা গাঁৱৰ কুঁৱেঘৰ।

শিল্প আৰু আলোকসজ্জা— কুমাৰটুলিৰ মৃৎশিল্পীসকলৰ হাতৰ পৰশত মা দুর্গা জীৱন্ত হৈ উঠে। মণ্ডপ সজ্জা আৰু চন্দননগৰৰ আলোকসজ্জাই কলকাতাক পোহৰৰ চহৰ কৰি তোলে।

মহামিলনৰ উৎসৱ— সকলো জাতি-ধর্মৰ লোক মিলি এই পূজাত অংশগ্রহণ কৰে। ষষ্ঠীৰ পৰা দশমীলৈকে গোটেই কলকাতা ৰাতি-দিন সাৰে থাকে। নতুন কাপোৰ পিন্ধা, পেণ্ডেল হপিং কৰা, ভোগ খোৱা, সন্ধিয়াৰ ধুনুচি নাচ — এয়াই কলকাতাৰ পূজাৰ প্রাণ।

অর্থনীতি আৰু সংস্কৃতি— এই পূজাক কেন্দ্র কৰি হাজাৰ হাজাৰ শিল্পী, দর্জী, মৃৎশিল্পী, ব্যৱসায়ীৰ জীৱিকা চলে। UNESCO-য়ে ২০২১ চনত কলকাতাৰ দুর্গাপূজাক Intangible Cultural Heritage হিচাপে স্বীকৃতি দিছে, যিয়ে ইয়াৰ গৌৰৱ আৰু বঢ়াই তুলিছে।

সামৰণি— মুঠতে ক'বলৈ গ'লে, দুর্গাপূজা নহ'লে কলকাতা অসম্পূর্ণ আৰু কলকাতা নহ'লে দুর্গাপূজাৰ অসম্পূর্ণ। ই কেৱল মৃন্ময়ী মূর্তিৰ আৰাধনা নহয়, ই বাঙালীৰ আত্মা, ই মানুহৰ মাজত মিলা-মিছাৰ এক মহান উৎসৱ। প্রতিবছৰে মা আহে শৰত কালত ধৰালৈ। অসুৰ নাশিনী মমতাময়ী মাতৃৰ। আগমনে প্রকৃতি মোহনীয় হৈ উঠে।

বিভিন্ন তথ্য অনুসৰি, ১৬০৬ চনত নদীয়াৰ ৰজা কৃষ্ণচন্দ্রৰ পূর্বপুৰুষ ভবানন্দই প্রথম পশ্চিমবংগত এই পূজা আৰম্ভ কৰে। আকৌ ১৬১০ চনত বাৰিশাৰ সাবর্ণ ৰায়চৌধুৰী পৰিয়ালে প্রথমবাৰ কলকাতাত এই পূজা কৰে। তেতিয়া ছাগলী, লাও আদি বলি দিয়া হৈছিল।

শাৰদীয় বিশেষ

শৰতৰ শেৱালিৰ সুবাস

আৰু আমাৰ হেঁপাহৰ দুর্গাপূজা

— শচীন্দ্র কুমাৰ দাস



শাৰদীয় বিশেষ

আকাশত বগা ডাৱৰৰ টুকুৰাবোৰ ভাঁহি উঠাৰ লগে লগে আৰু পদুলিৰ শেৱালিজোপাই ফুল পেলাবলৈ আৰম্ভ কৰিলেই আমাৰ মনবোৰ কিয় জানো এক অচিনাকি আনন্দৰে ভৰি পৰে। ঠিক তেনেতে কাণত পৰে ঢাকৰ খুম-খুম শব্দ। বুজি পাওঁ যে মা দুর্গাৰ মর্ত্যলৈ আহিবৰে হ'ল। আমাৰ অসমীয়া সমাজত দুর্গাপূজা কেৱল এটা ধর্মীয় পৰম্পৰাই নহয়, ই আমাৰ আৱেগ, ল'ৰালিৰ স্মৃতি আৰু মিলনৰ এক ডাঙৰ উৎসৱ।

পু�ৰণি কথা আৰু কামৰূপৰ শক্তি সাধনা ঃ অসমৰ দুর্গাপূজাৰ কথা ক'বলৈ গ'লে আমাৰ মনলৈ আহে পুৰণি কামৰূপৰ শক্তি সাধনাৰ ইতিহাস। তাহানিৰ পৰাই অসমক দেৱী উপাসনাৰ এখন প্রধান ঠাই বুলি গণ্য কৰা হয়। আমাৰ ইয়াত ৰচিত হোৱা 'কালিকা পু�ৰাণ' বা 'যোগিনী তন্ত্র'ৰ দৰে পুৰণি পুথিবোৰতেই দেৱী দুর্গাৰ পূজা-অর্চনাৰ প্রথম উল্লেখ পোৱা যায়।

নীলাচল পাহাৰত থকা কামাখ্যা ধাম ইয়াৰ আটাইতকৈ ডাঙৰ প্রমাণ। পু�ৰাণৰ মতে, দেৱতাসকলক অত্যাচাৰী মহিষাসুৰৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ দেৱী দুর্গাই দহখন হাতেৰে অস্ত্র লৈ অসুৰ বধ কৰিছিল। সেই পুৰণি বিশ্বাসক বুকুত বান্ধিয়েই আজিও অসমত অতি ভক্তিৰে দেৱীৰ পূজা কৰা হয়।

পূজাৰ দিনকেইটাৰ ঘৰুৱা আৰু শাস্ত্রীয় নিয়ম-

অসমত দুর্গাপূজাৰ নিয়মবোৰৰ এটা সুকীয়া বৈশিষ্ট্য আছে। ইয়াত পূজাৰ মন্ত্রৰ লগতে প্রকৃতিৰ উপাদানবোৰক বৰ গুৰুত্ব দিয়া হয়।

বেল বৰণ (ষষ্ঠী) ঃ ষষ্ঠীৰ দিনা সন্ধিয়া এটা জীৱন্ত বেল গছৰ তলত মা দুর্গাক সাৰ পোৱাই তোলা হয়, যাক 'বোধন' বোলে। গছ এজোপাৰ তলত দেৱীক আদৰাৰ এই নিয়মটোৱে আমাক

প্রকৃতিৰ ওচৰ চপাই লৈ যায়।

কলাবৌ বা নৱপত্রিকা (সপ্তমী) ঃ সপ্তমীৰ দিনা পুৱা কলগছ, হালধি, বেলপাত আদিকে ধৰি ৯ বিধ গছ-লতিকা একেলগে বান্ধি এখন কাপোৰেৰে কইনাৰ দৰে সজোৱা হয়। ইয়াক ওচৰৰ নদী বা পুখুৰীত গা ধুৱাই আনি মণ্ডপত গণেশৰ কাষত বহুওৱা হয়। ইয়াৰ পিছতেই মাটিৰ মূৰ্তিটোত প্ৰাণ প্ৰতিষ্ঠা কৰা হয়।

পুষ্পাঞ্জলি আৰু সন্ধিপূজা (অষ্টমী) ঃ অষ্টমীৰ দিনা সকলোৱে দিনটো উপবাসে থাকি মাৰ চৰণত ফুল-বেলপাত

অসমৰ দুর্গাপূজাৰ আন এটা ধুনীয়া দিশ হ'ল ইয়াৰ সৈতে জড়িত থলুৱা কলা-সংস্কৃতি। বিশেষকৈ নামনি অসমৰ দৰং বা কামৰূপৰ পুৰণি পূজাবোৰত 'সুকনানি-ওজাপালি' আৰু 'দেওধনী নৃত্য' পৰিৱেশন কৰা হয়। ঢাকৰ শব্দৰ তালে তালে দেওধনী নাচ দেখিবলৈ মানুহৰ মাজত হেতা-ওপৰা লাগে। এই থলুৱা কলাবোৰে আমাৰ পূজাক মাটিৰ গোন্ধ দিয়ে।

দি পুষ্পাঞ্জলি যাঁচে। আটাইতকৈ গুৰুত্বপূৰ্ণ সময়ছোৱা হৈছে অষ্টমী আৰু নৱমী তিথিৰ মাজৰ সময়খিনি, যাক 'সন্ধিক্ষণ' বোলে। এই সময়ত ১০৮টা চাকি জ্বলাই দেৱীৰ 'চামুণ্ডা' ৰূপক পূজা কৰা হয়।

মহাযজ্ঞ আৰু প্ৰতীকী বলি (নৱমী) ঃ নৱমীৰ দিনা মণ্ডপত ডাঙৰকৈ হোম-যজ্ঞ কৰা হয়। আজিকালি জীৱ-বলিৰ সলনি কোমোৱা, কুঁহিয়াৰ বা অমিতা কাটি প্ৰতীকী বলি দিয়াৰ নিয়মহে জনপ্ৰিয় হৈ পৰিছে।

সেন্দূৰ খেলা আৰু বিদায় (দশমী) ঃ দশমীৰ দিনা আনন্দৰ মাজতো এক বিষাদৰ ছাঁ পৰে। মহিলাসকলে মাৰ কপালত সেন্দূৰ সানি, মুখত মিঠাই দি বিদায় জনায়। ইয়াৰ পিছত মূৰ্তি লৈ গৈ নদীত বিসৰ্জন দিয়া হয়।

নতুন কাপোৰৰ হেঁপাহ, খেলনা আৰু পূজাৰ বজাৰ ঃ

পূজা অহাৰ কেইবামাহো আগৰে পৰা আমাৰ ঘৰে ঘৰে প্ৰস্তুতি আৰম্ভ হয়। পূজাৰ বজাৰ কৰাটো এক সুকীয়া আনন্দ। পূজা বুলিলেই মনলৈ আহে নতুন কাপোৰ-কানি আৰু জকমকীয়া জোতা-মোজা পিন্ধাৰ সেই হেঁপাহটো। ল'ৰালিৰ সেই দিনবোৰ কাৰনো মনত নপৰে!

পূজাৰ কেইদিন মণ্ডপৰ বাহিৰত বহি থকা দোকানবোৰলৈ মন কৰিলে চকু জুৰাই যায়। সৰু ল'ৰা-ছোৱালীবোৰে হাতত

শাৰদীয় বিশেষ

ৰং-বিৰঙী বেলুন, পিষ্টল, প্লাষ্টিকৰ গাড়ী বা নানাধৰণৰ খেলনা বস্তু লৈ উলাহত আত্মহাৰা হৈ পৰে। মাক-দেউতাকৰ হাতত ধৰি সিহঁতে কৰা সেই আবদাৰবোৰেই পূজাৰ আচল সৌন্দর্য আৰু আটাইতকৈ ডাঙৰ আকর্ষণটো হ'ল- পূজাৰ থলীত থকা মিঠাই দোকানৰ গৰম গৰম মচমচীয়া জিলাপি। সেই গৰম জিলাপিৰ সোৱাদ নল'লে যেন পূজা চোৱা পর্বটোৱেই আধৰুৱা হৈ ৰৈ যায়।

আমাৰ লোক-সংস্কৃতিৰ পৰশ ঃ

অসমৰ দুর্গাপূজাৰ আন এটা ধুনীয়া দিশ হ'ল ইয়াৰ সৈতে জড়িত থলুৱা কলা-সংস্কৃতি। বিশেষকৈ নামনি অসমৰ দৰং বা কামৰূপৰ পুৰণি পূজাবোৰত 'সুকনানি-ওজাপালি' আৰু 'দেওধনী নৃত্য' পৰিৱেশন কৰা হয়। ঢাকৰ শব্দৰ তালে তালে দেওধনী নাচ দেখিবলৈ মানুহৰ মাজত হেতা-ওপৰা লাগে। এই থলুৱা কলাবোৰে আমাৰ পূজাক মাটিৰ গোন্ধ দিয়ে।

বিজয়াৰ জলপান আৰু সম্প্রীতি ঃ

পূজা শেষ হোৱাৰ পিছত আৰম্ভ হয় আচল সামাজিক উৎসৱ- 'শুভ বিজয়া'। সৰুৱে ডাঙৰক সেৱা কৰে, সমনীয়াবোৰে কোলাকুলি কৰে। বিজয়াৰ দিনা আলহী আহিলে চাহৰ লগত চিৰা-দৈ, সান্দহ গুৰি, নাৰিকলৰ লাড়ু আৰু ঘৰতে বনোৱা পিঠাৰে আপ্যায়ন কৰাটো প্রতিগৰাকী অসমীয়াৰ এক অপৰিহার্য নিয়ম। এই নিয়মটিৰ বাবেই মানুহৰ মাজৰ সৰু-বৰ ভেদাভেদ দূৰ হয়।

শেষ কথা ঃ

আজিকালি পূজা বুলিলেই ডাঙৰ মণ্ডপ, নানাৰঙী পোহৰ আৰু আধুনিকতাৰ পয়োভৰ দেখা যায়। কিন্তু এই সকলো জকমকনিৰ মাজতো আজিও প্রতিজন অসমীয়াৰ অন্তৰত নতুন কাপোৰ পিন্ধাৰ সেই সৰু ল'ৰালিৰ হেঁপাহ, বেলুন-খেলনাৰ আনন্দ, গৰম জিলাপিৰ সোৱাদ আৰু ঘৰুৱা ভক্তিভাবটো একেদৰেই বাজি থাকে।

লেখা আহ্বান

অসমীয়া বর্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্রবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিটৰ গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্রমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপ নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**
ইমেইল ঃ bornilmagazine2019@gmail.com



শাৰদীয় বিশেষ



কৰম পৰব

— চৈয়দা তনজিয়া ৰাৰিছা আজমি

পবিত্র কৰম পৰব (কৰম পূজা) অসমীয়া সমাজৰ এক অতি গুৰুত্বপূর্ণ আৰু চহকী সাংস্কৃতিক ঐতিহ্য যিটো মূলতঃ চাহ জনগোষ্ঠীৰ লোকসকলে পালন কৰে। ই মূলতঃ এক কৃষি, উর্ৱৰতা আৰু প্রকৃতি বন্দনাৰ উৎসৱ। কৰম পৰব বছৰৰ তিনিটা সময়ত উদযাপন কৰা হয়। সেইকেইটা ক্রমে— ভাদ মাহৰ শুক্লা একাদশী, আহিন মাহৰ বিজয়া দশমী আৰু আঘোণ মাহৰ পূর্ণিমা তিথি। ভাদ মাহৰ কৰমক জীতিয়া কৰম, আহিন মাহৰ কৰমক বুঢ়ী কৰম আৰু আঘোণ মাহৰ কৰমক ৰাস ঝুমুৰ বোলে। এই তিনিওৰে ভিতৰত জীতিয়া কৰমেই প্রধান হিচাপে প্রচলিত হৈ আহিছে।

কৰম নামৰ এবিধ বিশেষ গছৰ ডালক দেৱতা জ্ঞান কৰি এই পূজা পালন কৰা হয়। বিশ্বাস কৰা হয় যে কৰম দেৱতাৰ আশীর্বাদত শস্যৰ উৎপাদন বৃদ্ধি পোৱাৰ লগতে সমাজলৈ সমৃদ্ধি আৰু পৰিয়ালসমূহ কুশলে থাকে। এই উৎসৱৰ অতিকৈ প্রয়োজনীয় অংশ হৈছে ঝাৱা তোলা। কুমাৰী গাভৰু বা বোৱাৰীসকলে ইয়াত বিশেষ ভূমিকা পালন কৰে। তেওঁলোকক কৰমতী বুলি কোৱা হয়। কৰমতীসকলে পূজাৰ তিনি, পাঁচ বা সাতদিন আগতেই ঢোল, মাদল, বাঁহী আদি বজাই পৰম্পৰাগত নৈবেদ্যৰে নৈৰ ঘাটলৈ গৈ গা-পা ধুই ধূপ-ধূনাৰে আৰতি কৰে। তেওঁলোকে এটি পাচিত একাঁজলিকৈ বালি ভৰাই আৰু মাটিমাহ, বুট, মগুমাহ, সৰিয়হ আদিৰ গুটি সিঁচি নিজা ঠাইডোখৰ চিনি

থয়। ইয়াক নিতৌ সেৱা কৰা হয় আৰু পূজাৰ দিনালৈ ইয়াৰ পৰা সৰু সৰু গজালি ফুটি ওলায়। এইবোৰক ঝাৰা বুলি কোৱা হয়। ইয়াৰ পিছত পূজা থলীত কৰম গছৰ চিকা মৰলীয়া গছৰ ডাল পোতা হয়। বাঁহৰ আগ, কুঁহিয়াৰ, জৰীগছৰ ডাল আদিও কিছুলোকে পোতা দেখা যায়। এনেকৈ ডাল পুতি কৰা পূজাভাগক ডাল কৰম বোলে। বাঁহৰ আগ সৰু সৰুকৈ ফালি মোটোকাই ফুলৰ দৰে সাজি কৰা পূজাভাগৰ নাম ফুল কৰম। এই পৰৱত কৰমতীসকলে ব্ৰত পালন কৰে। সন্ধ্যাৰ সময়ত তেওঁলোকক কৰম পূজাৰ প্ৰৱৰ্তক কৰমা আৰু ধৰমাৰ কাহিনী শুনোৱা হয়। পূজাৰ পিছদিনা কৰম ডালটো উভালি কৰমতীসকলে নৈত উটুৱাই দিয়ে। সেইদিনা গধূলি অথবা পূজাৰ অষ্টম দিনা গোড়া ভোতা পাতে।

কৰম পূজা কেৱল ধৰ্মীয় ৰীতি-নীতিৰ মাজতেই সীমাবদ্ধ নহয়। ইয়াৰ সাংস্কৃতিক দিশটো অতি আকৰ্ষণীয়। পূজাৰ অন্তত পুৰুষ-মহিলা উভয়ে হাতত হাত ধৰি বৃত্তাকাৰে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰে। মাদল, ঢল আৰু কৰতালৰ তালত গোৱা ঝুমুৰ গীতবোৰৰ জৰিয়তে সুখ-দুখ, প্ৰেম আৰু শ্ৰমৰ কাহিনী বৰ্ণনা কৰা হয়। এই উৎসৱ প্ৰকৃতি আৰু মানুহৰ মাজৰ যি নিবিড় সম্পৰ্ক তাক বুজাৰ ক্ষেত্ৰতো প্ৰয়োজনীয়।

কৰম নামৰ এবিধ বিশেষ গছৰ ডালক দেৱতা জ্ঞান কৰি এই পূজা পালন কৰা হয়। বিশ্বাস কৰা হয় যে কৰম দেৱতাৰ আশীৰ্বাদত শস্যৰ উৎপাদন বৃদ্ধি পোৱাৰ লগতে সমাজলৈ সমৃদ্ধি আৰু পৰিয়ালসমূহ কুশলে থাকে। এই উৎসৱৰ অতিকৈ প্ৰয়োজনীয় অংশ হৈছে ঝাৰা তোলা। কুমাৰী গাভৰু বা বোৱাৰীসকলে ইয়াত বিশেষ ভূমিকা পালন কৰে। তেওঁলোকক কৰমতী বুলি কোৱা হয়। কৰমতীসকলে পূজাৰ তিনি, পাঁচ বা সাতদিন আগতেই ঢোল, মাদল, বাঁহী আদি বজাই পৰম্পৰাগত নৈবেদ্যৰে নৈৰ ঘাটলৈ গৈ গা-পা ধুই ধূপ-ধূনাৰে আৰতি কৰে। তেওঁলোকে এটি পাচিত একাঁজলিকৈ বালি ভৰাই আৰু মাটিমাহ, বুট, মগুমাহ, সৰিয়হ আদিৰ গুটি সিঁচি নিজা ঠাইডোখৰ চিনি থয়।





শাৰদীয় বিশেষ তিনিটা অণুগল্প

অণুগল্প

মৰমী মৌ চাহু

মুখা

পূজা মণ্ডপৰ একাষে চেলফি লৈ থকা ছোৱালীকেইজনীৰ সৰ্বাংগৰ পৰা লোলুপ দৃষ্টি আঁতৰাই ল'ৰাকেইটাই অঞ্জলি ল'লে দেৱীৰ চৰণত দিবলৈ।

অন্তর্দাহ

লাইট জ্বলা ৰং-বিৰঙী বেলুনকেইটা বিকিবলৈ আনোতে ছোৱালীজনীয়ে আটাহ পাৰি কান্দিছিল। কথাটোৱে তাক আওকাণ কৰা মানুহবোৰে যেন চিঞৰি চিঞৰি কৈছে।

উত্তৰহীন

"দে'তা, সেই দেওলগা ঘাটত মানুহে মূৰ্তিবোৰ এৰি আহে কিয়?"

দেউতাকে তাইলৈ চাই সেপ ঢুকিলে; "উফ্ ৰক্ষা তাই দেওলগা ঘাটত মানুহে মূৰ্তিবোৰ পেলাই থৈ আহে কিয় বুলি নুসুধিলে।"

দায়িত্ব

— অংশুমান ভূঞা

"মই যাব লাগিব।" পৰীক্ষাৰ আগত সময় অপচয় কৰিব নোখোজা শ্রেণীৰ আটাইতকৈ চোকা ল'ৰাটোৰ উত্তৰত দুই বন্ধু আচৰিত হ'ল।

"ঐ ধন, বুট-বাদামখিনি আজিয়েই আনি থ'।" -মাকৰ নির্দেশ।

ভিতৰত দেউতাকে অনৰ্গল কাহি আছে। বিদ্যালয়ৰ পৰা পৰীক্ষাৰ আগে আগে অনাদায় মাহিলি মাচুল আদায়ৰ জাননী দিছে।

কাইলৈ ফুটবল প্রতিযোগিতাখনৰ ফাইনেল।

মূর্তিৰ নে মনুষ্যৰ

— দীক্ষা চুতীয়া

পূজাৰ মণ্ডপত ধূপ দিয়াৰ সময়ত মাকে পুতেকক কৈছে, "তোমাৰ কিবা ক'বলগা আছে যদি দুর্গা মাক ক'বা তেখেতে সকলো ঠিক কৰি দিব"।

মাকৰ পৰা ধূপ লৈ আগবঢ়াবলৈ যাওঁতে মাকে আকৌ মাত দিলে- "জান, বাওঁহাতেৰে নাপায় দেই, সোঁহাতেৰে দিবা আৰু চাবা কাষৰত চাকি জ্বলোৱা আছে ভৰি নলগাবা।"

তাৰ পাছত মাকে নিজৰ মনতে ক'লে- 'দুর্গা মা সৰু ল'ৰা দোষ নধৰিব কিবা ভুল হ'লেও।

উভতি আহোতে ল'ৰাটোৱে শৰাই এখনৰ পৰা অপেল এটা হাতত লৈ লুকুৰাই আনিছে। মাকে সুধাত ভয়ে ভয়ে কৈছে, "এইটো আইতালৈ ল'লো কালিৰ পৰা গা বেয়া হৈ আছে, তুমি ভাতো দিয়া নাই আইতাক। দুর্গা মায়ে নাখায় নহয় আইতাইহে খায়।"

মাক নিমাত হৈ ৰ'ল।

হত্যাকাৰী

— মোজাহিদুল ইছলাম

"তুমি মানুহজন বেলেগধৰণৰ দেই।" -তাৰ কথাষাৰত মই থতমত খালো।

"কিহৰ কাৰণে বা ক'লা।"

"ইমান প্রভাৱশালী ব্যক্তিজনকো অকণো গুৰুত্বই নিদিলা যে।"

"কোনজন ব্যক্তি?"

"সেইযে দামী বাহনখন লৈ আহিছিল।"

লেখা আহ্বান

অসমীয়া বর্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্রবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিটৰ গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্রমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপ নম্বৰ ঃ ৮৬৩৮৮২৫৪৮৬

ইমেইল ঃ bornilmagazine2019@gmail.com



শাৰদীয় বিশেষ

অনুতপ্ত

— শিখা মনি দত্ত

স্বামীৰ মুখৰ এযাৰ মাথোঁ কথাই পৰীক যেন স্তব্ধ কৰি পেলালে তাই ভাবিবই পৰা নাছিল তেওঁ যে তাইক এনেদৰে কথা ক'ব। বৈবাহিক জীৱনৰ সুদীর্ঘ বছৰ তাই নিজকো পাহৰি কেৱল মাত্ৰ স্বামী আৰু তেওঁৰ ঘৰখন বাবেই নিজৰ সকলো ইচ্ছা, তথা ভাল লগা বেয়া লগা পাহৰি তেওঁলোকক সুখী কৰিবলৈ চেষ্টা কৰিছে। কিয়নো তাই ভাবিছিল স্বামীৰ তাইৰ প্ৰতি আছে অগাধ বিশ্বাস আৰু ভাল পোৱা, সেয়ে তাই তেওঁ ভাল পোৱাৰ দৰেই নিজকে প্ৰস্তুত কৰি লৈছিল কিন্তু আজি তাই অনুভৱ কৰিছে যে সেয়া তেওঁৰ তাইৰ প্ৰতি ভাল পোৱা নাছিল তাইক তেওঁ লোকৰ মতে চলাই নিয়াৰ এক অভিনৱ কৌশল আছিল।

কাৰণ তেওঁ জানিছিল যে তাই মৰম আকলুৱা সেয়ে তেওঁ এনে অভিনয়ৰ আশ্ৰয় লৈছিল। কিন্তু আজি কেইদিনমানৰ পৰা তাই এই মিছা অভিনয়ৰ জালখন চিনিবলৈ সক্ষম হৈছিল আৰু আজি। তথাপিও তাইৰ নাই কোনো আক্ষেপ। দুধাৰি তপত অশ্ৰু দুগালেৰে বাগৰি আহিল। সঁচাকৈ যেতিয়া মানুহ অন্তৰৰ পৰা ভাঙি যায় তেতিয়া কাৰো ওচৰত আক্ষেপ বা প্ৰতিবাদ কৰিবলৈ মন নাযায়, মাথোঁ এবাৰ মাত্ৰ ভগৱানক সুধিবলৈ মন যায় কিয় প্ৰভু কিয় এনে কৰিলা। ভুল মোৰ ক'ত। আলফুলে বুকুৰ মাজত সোমোৱাই হৃদয়ৰ মন্দিৰত বহুৱাই যাক ভগৱানৰ দৰে পূজা কৰিছিলোঁ তেওঁকে চিনাক্ত কৰাত মোৰ ভুল কিয় হ'ল প্ৰভু?

লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, এক মিনিটৰ গল্প, অনুবাদ কবিতা, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপ নম্বৰ ঃ ৮৬৩৮৮২৫৪৮৬





নীলা খামৰ চিঠি

— পূৰৱী হাজৰিকা



শাৰদীয় বিশেষ

প্ৰিয় মৰমৰ,

ভালে আছা নে বুলি আজি তোমাক নুসুধোঁ। কিয় জানা? তোমাৰ ঠিকনাবিহীন ঠিকনাত যেতিয়া মোৰ শব্দৰ ডাকোৱালে এই চিঠিৰ আৱেগৰ পোষ্ট ডিলেভাৰী কৰিব, অভিমানী ছোৱালীজনীৰ মনৰ অনুভূতিবোৰে তোমাৰ মিচিকিয়া হাঁহিটোক আপোনা-আপুনি জিলিকাই তুলিব আৰু দুচকুৰে কৈ উঠিব ৰাগিণী মোৰ ভাল... মই জানো। অপেক্ষাৰ শিকলি ছিঙি মনৰ নোকোৱা কাহিনীবোৰ নীলা চিয়াহীৰ আঁৰেৰে তোমাক জনাব বিচাৰিছোঁ প্ৰত্যুত্তৰ বাবে কিন্তু বাট চাম।

শুনাচোন- তোমাৰ কাহিনীৰ জীপাল নায়িকাগৰাকী হ'ব বিচাৰিছোঁ, হ'ব দিবানে? ২০১৫ চনত ফে'চবুকত আৰম্ভ হোৱা সাধাৰণ কাহিনীটোত নিজৰ আৱেগৰ কথাবোৰ লিখোঁতে কেতিয়ানো তোমাৰ শব্দবোৰৰ প্ৰেমত পৰিল, অজানিতে নিজৰ কৰিলো ধৰিবই নোৱাৰিলোঁ। তোমাক সন্মুখত ৰাখি চিনেমাৰ দৰে কথাখিনি কোৱাৰ হাবিয়াস আছিল, কিন্তু নোৱাৰোঁ। নোৱাৰিম ক'ব যে মই তোমাৰ আকাশৰ এটুকুৰা হ'ব খোজো, নোৱাৰিম ক'ব ভালপোৱাৰ অদম্য যাত্ৰাত তোমাৰ সংগী হ'ব খোজো, নোৱাৰিম ক'ব যে তুমি দিয়া মোৰ। নামৰ সময়কণত মই তোমাক বিচাৰি পালো। কথাখিনি হয়তো তোমাৰ চিনেমা কাহিনীৰ দৰে লাগিব। কিন্তু বিশ্বাস কৰা তুমি যে মাতা- 'ঐ ছোৱালী বুলি' তাতে মই মোৰ ভালপোৱাবোৰ সামৰি পেলালো। তোমাৰ নামত হাঁহি আৰু উশাহক সামৰিলোঁ। কাৰণ তুমি মোৰ হৃদয়ৰ গভীৰতাত নামিছা। আজি অভিমানেৰে নহয় অধিকাৰেৰে চিঠিখনত তোমাক নিজৰ সজাইছোঁ। নিসংগতাৰ আবিৰত তোমালৈ এপৃষ্ঠা লিখিছোঁ- ধৰি লোৱা তোমাৰ হৃদয়লৈ আবেদন-ভালপোৱাৰ আবেদন।

সময়ক সময় দিছিলো কিজানি তুমি

শব্দৰ মেৰপাকত মোক সুধাই- ‘ঐ ছোৱালী শুনা মোৰ গোসাঁনীজনী হ’বা?’ নাই... অভিমান লৈ মোলৈ বাট চালা। সেয়ে অপেক্ষাক সামৰি এজাক বৰষুণ হৈ তোমালৈ মৰমৰ শব্দ নিগৰাইছোঁ নীলা ৰঙেৰে। জানা, চিঠিখন লিখোঁতে জুবিনদাৰ গানক সাক্ষী কৰি লৈছোঁ। আকৌ সুধিছো- কোৱা জীৱনৰ পাত বাহাৰজোপা কৰি ৰাখিবানে মোক? প্রতিশ্রুতি দিছোঁ সেউজ কৰি ৰাখিম তোমাৰ আৱেগবোৰক।

বাট চাম তোমালৈ, তোমাৰ হোৱালৈ, তোমাৰ উত্তৰলৈ...

প্রান্তত

তোমাৰ ঐ ছোৱালীজনী

“শুনাচোন- তোমাৰ কাহিনীৰ জীপাল নায়িকাগৰাকী হ’ব বিচাৰিছোঁ, হ’ব দিবানে? ২০১৫ চনত ফে’চবুকত আৰম্ভ হোৱা সাধাৰণ কাহিনীটোত নিজৰ আৱেগৰ কথাবোৰ লিখোঁতে কেতিয়ানো তোমাৰ শব্দবোৰৰ প্রেমত পৰিল, অজানিতে নিজৰ কৰিলো ধৰিবই নোৱাৰিলোঁ।”


লেখা আহ্বান

অসমীয়া বর্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্রবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিটৰ গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্রমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপ নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

শাৰদীয় বিশেষ



খণ্ডচিত্রৰে জীৱনৰ কাহিনী

আটক মন চাতক

— নিশা ভূঞা

গ্রন্থ আলোচনা ঃ

নিজস্ব ৰচনাশৈলী আৰু কিছু ব্যতিক্রম বিষয়ক নিজৰ ৰচনাৰাজিৰ মাজেৰে তুলি ধৰা সাম্প্রতিক সময়ৰ এগৰাকী অনন্য তথা শক্তিশালী সাহিত্যিক হৈছে মনালিছা শইকীয়া। কেৱল এগৰাকী সাহিত্যিকৰূপেই নহয়, এটি সবল ব্যক্তিত্বৰূপেও নৱপ্রজন্মৰ মাজত তেওঁ অতিকৈ জনপ্রিয়। 'সংগোপনে সেউজীয়া' নামৰ গল্প সংকলনেৰে অসমীয়া সাহিত্যক্ষেত্রত আত্মপ্রকাশ কৰা মনালিছা শইকীয়াৰ অন্য গল্প সংকলনসমূহ হৈছে - 'পুনৰ জনম লৈ তেজীমলাই', 'পানীৰ এই জীৱন নীলপৱন', 'বিগ বজাৰ', 'কেতিয়াবা পখিলা', 'পানীৰ পালক', 'এম আৰ ডি ৰ'ড আৰু য'ত শূন্যতা শেষ হয়' (মৃত্যুঞ্জয় মহন্তৰ সৈতে যুটীয়াভাৱে)। তেওঁ ৰচনা কৰা উপন্যাসসমূহ হ'ল- 'আন্দোলিত আকাশ', 'আৱৰ্ত্তিৰ আকাশ আৰু পৃথিৱী', 'পাপৰ পৃথিৱী', 'সত্যবান দূৰ হৈ নাযাবা', 'শংখনিনাদ' আৰু 'নার্চিছাছৰ চহৰ'। মনালিছা শইকীয়াই তেওঁৰ অনন্য সৃষ্টিৰাজীৰ বাবে বিভিন্ন বঁটা আৰু সন্মানো লাভ কৰিছে। তাৰ ভিতৰত দৈনিক অসম সাহিত্য বঁটা (শংখনিনাদ উপন্যাসৰ বাবে), মুনীন বৰকটকী বঁটা (পুনৰ জনম লৈ তেজীমলাই গল্প সংকলনৰ বাবে) অন্যতম। 'আটক মন চাতক' হৈছে তেওঁৰ শেহতীয়া সৃষ্টি।

কিছু বছৰৰ বিৰতিৰ অন্তত মনালিছা শইকীয়াই 'আটক মন চাতক' শীর্ষক উপন্যাসখন পঢ়ুৱৈ সমাজলৈ আগবঢ়াই দিছে। উপন্যাসখনৰ পাতনিতেই তেওঁ উল্লেখ কৰিছে যে উপন্যাসখন কিছু দৃশ্যপটৰ সমষ্টি মাথোন। সেয়েহে উপন্যাসখনৰ জৰিয়তে এটি নিটোল কাহিনীৰ পৰিৱর্তে কিছু ভিন্নসুৰী কাহিনীখণ্ড অথবা দৃশ্যপটৰ আভাস পঢ়ুৱৈৰে লাভ

শাৰদীয় বিশেষ

কৰিব। মূলতঃ নব্বৈৰ দশকত অসমৰ এচাম যুৱক-যুৱতী উগ্রপন্থী সংগঠনত যোগদান কৰিবলৈ নিজৰ ঘৰ এৰি গুচি গৈছিল। পিছে সেই সংগঠনতেই অলক্ষিতে প্রেমেও পোখা মেলিছিল... সংসাৰৰ মোহ ত্যাগ কৰি যোৱা সেই যুৱক-যুৱতীসকলৰ একাংশই কেৱল নিজৰ সতীর্থসকলক সাক্ষীৰূপে লৈ নিজৰ নতুন সংসাৰ গঢ়িছিল। সময়ত শিশুৰ আগমনৰ দ্বাৰা সংসাৰো বাঢ়িছিল। কিন্তু তেনে সংগ্রামী সেনানীৰ শিশুসকলৰ জীৱন কেনে আছিল? শিশুসকলে বাৰু কি দেখি-কি বুজি অৰণ্যৰ মাজত ডাঙৰ দীঘল হৈছিল? তেনে এটি বিশেষ শিশু হৈছে মাজান... মাজান পিতৃ প্রশান্ত ফুকন ওৰফে টাইগাৰ দৈমাৰী আৰু মাতৃ গামনী। ভূটানৰ অটব্য অৰণ্যত উগ্রপন্থীৰ অস্থায়ী ছাউনিত ডাঙৰ হোৱা মাজানৰ অসমলৈ উভতি আহিবলৈ মন, ব্রহ্মপুত্রখন ওচৰৰ পৰা চাবলৈ মন। এদিন মাজান আৰু মাতৃ গামনী সঁচাকৈয়ে অসমলৈ, মাজুলীত থকা মোমায়েকৰ ঘৰলৈ উভতি আহিল। কিন্তু কি পৰিস্থিতিত? আৰু মাজানৰ সংগ্রামী পিতৃ? মাজানৰ জীৱনৰ সেই কাহিনীকেই অৱলম্বন কৰি উপন্যাসখন আগুৱাই গৈছে। যুৱক-যুৱতীসকল উগ্রপন্থী সংগঠনলৈ গুচি যোৱাৰ পৰৱর্তী সময়ত তেওঁলোকৰ নিজা অঞ্চলবাসী-গাঁওবাসীসকলৰ ওপৰত সেনা-পুলিচৰ নির্মম কিদৰে চলিছিল, নিষ্ঠাৱান সাংবাদিকৰ সেই সময়ত ভূমিকা, আত্মসমর্পণ কৰি মূল সুঁতিলৈ উভতি অহা চামৰ মাজতেই দেখা দিয়া জীৱনশৈলীৰ পার্থক্য, সেনাই ধৰি নিয়া প্রিয়জনৰ অথবা সংগঠনলৈ গৈ নিৰুদ্দিষ্ট হোৱা লোকসকলৰ আপোনজন মনৰ কথা আদি অতি স্পষ্টভাৱে উপন্যাসখনত তুলি ধৰা

'সংগোপনে সেউজীয়া' নামৰ গল্প সংকলনেৰে অসমীয়া সাহিত্যক্ষেত্রত আত্মপ্রকাশ কৰা মনালিছা শইকীয়াৰ অন্য গল্প সংকলনসমূহ হৈছে - 'পুনৰ জনম লৈ তেজীমলাই', 'পানীৰ এই জীৱন নীলপৱন', 'বিগ বজাৰ', 'কেতিয়াবা পখিলা', 'পানীৰ পালক', 'এম আৰ ডি ৰ'ড আৰু য'ত শূন্যতা শেষ হয়' (মৃত্যুঞ্জয় মহন্তৰ সৈতে যুটীয়াভাৱে)। তেওঁ ৰচনা কৰা উপন্যাসসমূহ হ'ল- 'আন্দোলিত আকাশ', 'আৱৰিৰ আকাশ আৰু পৃথিৱী', 'পাপৰ পৃথিৱী', 'সত্যবান দূৰ হৈ নাযাবা', 'শংখনিনাদ' আৰু 'নাৰ্চিছাছৰ চহৰ'।



শাৰদীয় বিশেষ

হৈছে।

এই উপন্যাসখন কেৱল সেই নৱৈ দশকৰ কাহিনীৰ মাজতেই সীমাবদ্ধ হৈ ৰোৱা নাই। উপন্যাসখনৰ কাহিনীয়ে কাল সলাই বৰ্তমান সময়কো স্পৰ্শ কৰিছে। ক'ৰনা মহামাৰীয়ে ছানি ধৰা সেই ক'ভিডকালীন সময়ছোৱাৰ কিছু দৃশ্যপট হৈছে ড াত সামাজিক মাধ্যমত 'ৰমেশ বাবু' নামৰ এটি বৈচিত্র্যময় চৰিত্রৰ অৱতাৰণা কৰি কিছু লেখা লিখিছিল। সেই ৰহস্যময় চৰিত্রটো হৈছে 'আটক মন চাতক'ৰ এটি অন্যতম গুৰুত্বপূর্ণ অংশ। সেই সময়ছোৱাত দিয়া লকডাউনে নিঃসংগভাৱে থকা বহু ব্যক্তিৰ মনত পেলোৱা প্রভাৱ, ৰমেশ বাবুৰ চৰিত্র তথা সেই চৰিত্রৰ সৈতে জড়িত বহু কথা মানসিক স্তৰেৰে মাজান আৰু উপন্যাসখনক সংযুক্ত কৰা দিশটো আকর্ষণীয়। পিছে তাৰ পিছতো যেন কিছু কথা ৰৈ গ'ল... পাতনিতেই ঔপন্যাসিকগৰাকীয়ে উপন্যাসখন কিছু দৃশ্যপটৰ সমষ্টি বুলি উল্লেখ কৰিছে যদিও পটুৰৈৰূপে হয়তো আমি কাহিনীগত দিশেৰে কিছু আশাবাদী। সেয়েহে সেই নোকোৱা কাহিনী সামৰি ঔপন্যাসিকগৰাকীয়ে উপন্যাসখনৰ দ্বিতীয় খণ্ড আমাক উপহাৰ দিব বুলি আশা কৰিলোঁ।


উপন্যাসখনত বহু কেইটা গুৰুত্বপূর্ণ দিশ সামৰি লোৱা হৈছে, কিছু দৃশ্যপটৰ নির্মোহ চিত্রণ দাঙি ধৰা হৈছে। মেদহীনতা আৰু সৰল বিন্যাসে উপন্যাসখন নিতান্তই পঠনীয় কৰি তুলিছে। পটুৰৈ সমাজে এই উপন্যাসখন ইতিমধ্যেই আঁকোৱালি লৈছে। ২০২৩ চনত বনলতাই এই উপন্যাসখন প্রকাশ কৰি উলিয়াইছে। ১২৮ পৃষ্ঠাৰ উপন্যাসখনৰ মূল্য ২০০ টকা।

ঠিকনা ঃ গুৱাহাটী

- শিক্ষক হ'ল এডাল মমৰ নিচিনা, যি নিজে গলি আনক পোহৰ দিয়ে। -জৱাহৰলাল নেহৰু
- যিসকলে স্বাধীনতাক ভাল পাওঁ বুলি কয় অথচ আন্দোলনৰ বিৰোধিতা কৰে, তেওঁলোক হ'ল বিজুলী-ঢেৰেকনি নোহোৱাকৈ বৰষুণ বিচৰা মানুহ। তেওঁলোকে সাগৰ বিচাৰে, কিন্তু সাগৰৰ জলৰাশিৰ গর্জন নিবিচাৰে। -ফ্রেডেৰিক ডগলাছ
- চৰিত্র গঠন কৰাই হ'ল শিক্ষাৰ উদ্দেশ্য। - হার্চলি
- সৰু মনৰ ডাঙৰ মানুহতকৈ ডাঙৰ মনৰ সৰু মানুহ শ্রেষ্ঠ। -ডঃ সর্বেপল্লী ৰাধাকৃষ্ণণ
- জ্ঞানতকৈ পবিত্র বস্তু এই জগতত একো নাই। -আনন্দ চন্দ্র আগৰৱালা







নতুন মুখৰ বিশেষ অতিথি

যুৱ লেখিকা

নাঙ জাছিঙফা খামছেঙ মৌ

পোনপ্রথমে অসমীয়া বর্ণিলৰ মজিয়ালৈ আপোনাৰ স্বাগতম। আমাৰ তৰফৰ পৰা আপোনালৈ কেইটামান প্রশ্ন থাকিব আৰু তাৰ উত্তৰ দিব বুলি আশা কৰিলোঁ।

প্রশ্ন ঃ *"এটি কলম, অলেখ অনুভৱ আৰু এখন সপোনৰ পৃথিৱী"- চতুর্থ শ্রেণীৰ এগৰাকী কণমানি ছাত্রীৰ হাতত আৰম্ভ হোৱা কলমৰ যাত্রাই আজি 'প্রয়াস', 'কেঁচাসোণ' আৰু 'কাঁইটীয়া ফুলৰ সুৰভি'ৰ দৰে গ্রন্থৰ জন্ম দিছে। জীৱনৰ এই সুদীর্ঘ সাহিত্যিক যাত্রাত নিশ্চয় বহু অনুভৱ, অভিজ্ঞতা আৰু নীৰৱ সংগ্রাম জড়িত হৈ আছে। ক'বনে, আপোনাৰ কলমে প্রথমবাৰৰ বাবে কেতিয়া নিজৰ ভাষা বিচাৰি পাইছিল? আৰু সেই কণমানি জিমিৰ সপোনৰ সৈতে আজিৰ জিমি বৰাৰ কিমানখিনি মিল আছে?*

নাঙ জাছিঙফা ঃ এটি দুটি কথা বুজি পোৱা হোৱাৰে পৰা মই নিজৰ মাজতে থাকি খুব ভাল পাইছিলোঁ। লাহে লাহে প্ৰকৃতিৰ সান্নিধ্যলৈ আহি প্ৰকৃতিৰ প্ৰতিটো বস্তুকে ভালপাবলৈ ল'লো। সৰুতে আচলতে গীত, নৃত্য, অভিনয়ৰ লগতহে বেছিকৈ জড়িত আছিলোঁ। যেতিয়া চতুর্থ শ্ৰেণীত পঢ়ি আছিলোঁ তেতিয়া এদিন মনলৈ অহা দুটিমান শাৰী লিখিছিলোঁ, নাজানো সেইয়া কবিতা আছিল নে অন্য কিবা। লাহে লাহে দুই এটা কবিতা, সাধু, প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰিছিলোঁ আৰু সপ্তম শ্ৰেণীৰ পৰা দৈনিক জনমভূমি কাকতত মোৰ কবিতা, সাধু, প্ৰবন্ধ প্ৰকাশ পাবলৈ ধৰিলে। লাহে লাহে মনৰ অনুভৱবোৰ ডাঙৰ হ'বলৈ ধৰিলে আৰু এদিন এখন কবিতাৰ কিতাপ লিখাৰ কথা ভাবিলোঁ, অষ্টম শ্ৰেণীত পঢ়ি থকা সময়তে প্ৰয়াস নামৰ মোৰ সৰু কাব্যগ্ৰন্থখন প্ৰকাশ কৰিলোঁ। আমাৰ হোলোঙাপাৰত সেই সময়ত মানে মই সৰু হৈ থকাৰ পৰা প্ৰয়াস কাব্যগ্ৰন্থখন প্ৰকাশ কৰা দিনালৈকে বহু বছৰ ধৰি সাহিত্যৰ চৰ্চা যথেষ্ট কমি গৈছিল আৰু বহু বছৰৰ পাছত মোৰ এই কিতাপখন প্ৰকাশ হোৱা বাবে বহুতো মৰম আদৰ পালোঁ। এইখিনি সময়ত যথেষ্ট নেতিবাচক সমালোচনাৰ সন্মুখীন হ'বলগীয়াও হৈছিল। তাৰপাছত প্ৰকৃতিৰ মৰমবোৰে বেছিকৈ আমনি কৰিবলৈ ল'লে, সেয়ে দশম শ্ৰেণীৰ পৰীক্ষা শেষ হোৱাৰ পাছত দ্বিতীয় খণ্ড কাব্যগ্ৰন্থ কেঁচাসোণ লিখিছিলোঁ যদিও উচ্চতৰ মাধ্যমিক পৰীক্ষা শেষ হোৱাৰ পাছতহে প্ৰকাশ কৰিলোঁ। লাহে লাহে কবিতা, কথা-কবিতা, চুটি গল্প, অণুগল্প, প্ৰবন্ধ, নীলা খামৰ চিঠি সকলোবোৰ লিখিবলৈ ল'লো, বহুতবে চিনাকি হৈ পৰিলোঁ। বহুতে মোক নিজৰ জীৱনৰ বিশেষ স্থানত ৰাখিছে, বহুতে সমস্যাৰ সমাধান বিচাৰি বা মনলৈ অহা বিভিন্ন প্ৰশ্ন মোলৈ প্ৰেৰণ কৰে, বহুতে নতুনকৈ জীয়াবলৈও শিকিছে বুলি জনাইছে। সেয়ে এই সৰু সৰু অনুভৱবোৰ সামৰি লিখি উলিয়ালোঁ কাঁইটীয়া ফুলৰ সুৰভি নামৰ তৃতীয়খন গ্ৰন্থ। এই সকলোবোৰৰ মাজত মই নিজক বিচাৰি পাওঁ, এয়া কেৱল মোৰ অনুভৱ বা কিতাপ নহয়, এয়া মোৰ সন্তান।

সেই কণমানি জিমিৰ লগত আজিৰ

মোৰ জীৱনলৈ অহা এই সন্মানবোৰৰ বাবে মই যথেষ্ট কষ্টও কৰিছোঁ। নিজকে আনৰ বাবে আগবঢ়াই দিছোঁ। মোৰ বাবে এই সন্মানসমূহ কেৱল সফলতাৰ স্বীকৃতি নহয়, এয়া আচলতে সমাজ আৰু সাহিত্য-সংস্কৃতিৰ প্ৰতি নতুন দায়বদ্ধতা।






নাঙ জাছিঙফা খামছেঙ মৌ (জিমি)ৰ বৰ বেছি মিল আছে বুলিও ক'ব নোৱাৰোঁ, নাই বুলিও ক'ব নোৱাৰোঁ। কণমানি জিমি আৰু বৰ্তমানৰ জিমিৰ আনক বেয়া পাব নোৱাৰা অভ্যাসটো এতিয়াও আছে। কিন্তু আজিৰ নাঙ জাছিঙফা খামছেঙ মৌ (জিমি)য়ে আগৰ দৰে মাত নমতাকৈ, যুক্তি নকৰাকৈ নাথাকে।

প্রশ্ন ঃ আপোনাৰ গ্রন্থৰ নামবোৰতেই যেন লুকাই আছে জীৱনৰ বিভিন্ন ৰং- 'প্রয়াস'ৰ পৰা 'কেঁচাসোণ', তাৰ পৰা 'কাঁইটীয়া ফুলৰ সুৰভি'লৈ। প্রতিটো শিৰোনামেই যেন একোটা জীৱনবোধৰ প্রতিফলন। এই নামবোৰৰ আঁৰত থকা অনুভৱ আৰু দর্শন কি?

আপোনাৰ জীৱনতো এনে কোনো অভিজ্ঞতা আছেনে, যিয়ে আপোনাক শিকাইছে যে কাঁইটৰ মাজতো সুৰভি বিলাব পাৰি?

নাঙ জাছিঙফা ঃ হয়। মোৰ গ্রন্থৰ নামবোৰত জীৱনৰ বিভিন্ন ৰং লুকাই আছে।

প্রয়াস নামটো দিয়াৰ কাৰণ আছিল সেয়া মোৰ জীৱনৰ প্রথম প্রয়াসত প্রকাশ হোৱা প্রথমখন গ্রন্থ। কি লিখিছিলোঁ নাজানো, কবিতা হৈছিল নে



নাই সেয়াও নাজানিছিলোঁ, বহু ঘাত-প্রতিঘাতৰ মাজত এই প্রয়াস কাব্যগ্রন্থ প্রকাশ কৰিছিলোঁ। বহুতে হাঁহিছিলো। মোৰ দৰে আনেও যাতে জীৱনত কিছুমান নতুন নতুন কাম কৰিবলৈ আগবাঢ়ি আহে সেইবাবেই এই গ্রন্থখন প্রকাশ কৰিছিলোঁ। ইয়াত বহুতো সঁচা কাহিনীও আছে যাক মই কবিতাৰ ৰূপ দিবলৈ চেষ্টা কৰিছিলোঁ।

কেঁচাসোণৰ আঁৰত লুকাই থকা কাহিনী আকৌ প্রকৃতিৰ আছিল। প্রকৃতি ইমানেই আপোন হৈ পৰিল যে মই নিজকে প্রকৃতিৰ কন্যা বুলি ভাবিলোঁ আৰু প্রকৃতিৰ প্রত্যেকটো বস্তুৰ মাজতে সোণ বিচাৰি পালোঁ, সেয়ে কেঁচাসোণ নামটো ৰাখিলোঁ। বর্তমান সময়ত প্রকৃতিক যিমান অত্যাচাৰ কৰা হৈছে সেই অত্যাচাৰ কমাবলৈ, প্রকৃতি যে আমাৰ মা, প্রকৃতিৰ অবিহনে যে আমি আধৰুৰা এয়া বুজাবলৈকে কেঁচাসোণ লিখিছিলোঁ।

এতিয়া আহো কাঁইটীয়া ফুলৰ



শাৰদীয় বিশেষ

সুৰভিৰ আঁৰৰ কাহিনীটো লৈ - আচলতে আমাৰ জীৱনটো এজোপা কাঁইটীয়া ফুলৰ দৰে, য'ত দুখ-সুখ দুয়োটা আছে। বহুতে জীৱনৰ সমস্যা আৰু জীয়াই থাকিব পৰাকৈ এটা ভাল ৰাস্তা কেনেকৈ পাম সেই বিষয়ে নানা প্ৰশ্ন কৰে। তেওঁলোকে মোক বহু আশাৰে সমস্যাৰ সমাধান বিচাৰে, আনক ক'ব নোৱাৰা কথাবোৰ মোৰ আগত কয় সেয়ে তেওঁলোকক সাহস দিবলৈকে এই গ্ৰন্থখন লিখিলোঁ।

মই জীৱনত বহু সমস্যাৰ সন্মুখীন হৈছোঁ, মোৰ বয়স কম যদিও মোৰ অভিজ্ঞতা বেছি। জীৱনত কেনেকৈ জিকি জিকি হাৰি যায় , হাৰি হাৰি জিকি যায়, ধ্বংস হৈ যোৱাৰ পাছতো কেনেকৈ মূৰ দাঙি জীয়াই থাকিব লাগে এই সকলোবোৰ পৰিস্থিতিৰ সৈতে মুখামুখি হৈছোঁ মই। যোগ (ধ্যান)ৰ জৰিয়তে নিজক মানুহ কৰিব পাৰিলোঁ মই। নিজৰ মাজতে জীয়াবলৈ শিকিলোঁ। মোৰ জীৱনত ইমানেই সমস্যা যে মই শক্তিশালী নোহোৱা হ'লে মোৰ লগত ভগৱান নথকা হ'লে মই আজিৰ এই নাঙ জাছিঙফা খামছেঙ মৌ (জিমি) কেতিয়াও হ'ব নোৱাৰিলোহেঁতেন।

প্ৰশ্ন ঃ অসম প্ৰকাশন পৰিষদৰ গ্ৰন্থবৰ্ষ ২০২৫ৰ যুৱ লেখক সন্মানকে ধৰি বিভিন্ন সন্মানে আপোনাৰ সাহিত্যিক যাত্ৰাক স্বীকৃতি দিছে। কিন্তু প্ৰতিটো সন্মানৰ আঁৰত থাকে নিৰলস সাধনা, আত্মবিশ্বাস আৰু কেতিয়াবা বহু নীৰৱ ত্যাগ। আপোনাৰ বাবে এই সন্মানসমূহ কেৱল সফলতাৰ স্বীকৃতি, নে সমাজ আৰু সাহিত্যৰ প্ৰতি এক নতুন দায়বদ্ধতা? যেতিয়া আপোনাৰ কলমৰ পৰা সৃষ্টি হোৱা শব্দই আনৰ হৃদয় স্পৰ্শ কৰে, তেতিয়া সেই অনুভৱক আপুনি কেনেদৰে ব্যাখ্যা কৰে?

নাঙ জাছিঙফা ঃ মোৰ জীৱনলৈ অহা এই সন্মানবোৰৰ বাবে মই যথেষ্ট কষ্টও কৰিছোঁ। নিজকে আনৰ বাবে আগবঢ়াই দিছোঁ। মোৰ বাবে এই সন্মানসমূহ কেৱল সফলতাৰ স্বীকৃতি নহয়, এয়া আচলতে সমাজ আৰু সাহিত্য-সংস্কৃতিৰ প্ৰতি নতুন দায়বদ্ধতা। যিমানেই উচ্চ শিখৰলৈ গতি কৰিছোঁ, সিমানেই মোৰ চিনাকি বেছি হৈছে। কিন্তু এইখিনিতে আহি পৰে বহুতো কৰ্তব্য, নিজৰ সৃষ্টিক আনৰ ভাল হোৱাকৈ নিখুঁতভাৱে আগবঢ়াই দিয়াৰ দায়িত্ব।

মোৰ কলমৰ পৰা সৃষ্টি হোৱা শব্দবোৰে যেতিয়া আনৰ হৃদয় স্পৰ্শ কৰে তেতিয়া নিজকে ধন্য যেন লাগে। যেতিয়া মোৰ শব্দবোৰে আনক নতুনকৈ জীয়াবলৈ শিকাই, কাম কৰিবলৈ, নিজৰ মাজত জীয়াবলৈ শিকাই, অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস দিয়ে ইয়াতকৈ আৰু ডাঙৰ সুখ একো হ'ব নোৱাৰে।

প্ৰশ্ন ঃ কবিতা, গল্প, উপন্যাস, নাটক আৰু চুটি ছবিৰ চিত্ৰনাট্য-আপোনাৰ



সৃষ্টিশীলতাৰ পৰিসৰ বহল। 'শৰতৰ শেৱালি', 'হঠাতে হেৰাল' আৰু 'তোমাৰ অবিহনে' আদিৰ দৰে চুটি ছবিৰ জৰিয়তে আপুনি সাহিত্যিক দৃশ্যশিল্পৰ সৈতে সংযোগ কৰিছে। আপোনাৰ বাবে সাহিত্য আৰু চলচ্চিত্ৰৰ মাজত মূল পাৰ্থক্যটো ক'ত? কেতিয়াবা এনে হয়নে যে কোনো অনুভৱ কবিতাৰে প্ৰকাশ কৰিব নোৱাৰি, কিন্তু এটা দৃশ্য বা চৰিত্ৰৰ জৰিয়তে তাক অধিক জীৱন্ত কৰি তুলিব পাৰি? ভৱিষ্যতে আপোনাৰ কোনো সাহিত্যিক সৃষ্টিক পূৰ্ণদৈর্ঘ্যৰ চলচ্চিত্ৰ হিচাপে নিৰ্মাণ কৰাৰ সপোন আছেনে?

নাঙ জাছিঙফা ঃ সাহিত্য আৰু চলচ্চিত্ৰৰ মাজত মূল পাৰ্থক্যটো হ'ল - সাহিত্যই শব্দৰ জৰিয়তে মনৰ মাজত কাহিনীৰ বীজ সিঁচে আৰু চলচ্চিত্ৰই মনৰ মাজত চলি থকা কাহিনীবোৰ দেখুৱাই দিয়ে। সাহিত্যৰ ভাষা কেতিয়াবা গভীৰ আৰু জটিলো হ'ব পাৰে কিন্তু এখন চুটি ছবিৰ চিত্ৰনাট্য লিখোতে সহজ-সৰল কথিত ভাষাৰ ব্যৱহাৰ কৰিবলগীয়া হয় যাতে এই শব্দবোৰে মানুহক সহজতে আকৰ্ষণ কৰিব পাৰে। আচলতে দুয়োটা দিশতে সকলোবোৰ চালি জাৰি চাই উপস্থাপন কৰিবলগীয়া হয়।

হয়। কিছুমান অনুভৱ কবিতাৰে প্ৰকাশ কৰিব কিন্তু কোনো এটা দৃশ্য বা চৰিত্ৰৰ জৰিয়তে জীৱন্ত কৰি তুলিব পাৰি। কাৰণ, আমাৰ মনত উদ্ভৱ হোৱা অনুভৱবোৰ আমাৰ দৈনন্দিন জীৱনৰে অংশ।

ভৱিষ্যতে মোৰ সাহিত্যিক সৃষ্টিক পূৰ্ণদৈর্ঘ্যৰ চলচ্চিত্ৰ হিচাপে নিৰ্মাণ কৰাৰ সপোন এটা নথকাও নহয়। যদিহে সকলোফালে মিলাব পাৰোঁ তেন্তে মই মোৰ অপ্ৰকাশিত উপন্যাসৰ নীলা নামৰ চৰিত্ৰটিক লৈ এখন পূৰ্ণদৈর্ঘ্যৰ চলচ্চিত্ৰ নিৰ্মাণ কৰিম।

প্ৰশ্ন ঃ "নিজৰ বাবে সৃষ্টি, নে সমাজৰ বাবে এক নতুন পোহৰ?"

সাহিত্য চৰ্চা, সাংস্কৃতিক নেতৃত্ব, বিভিন্ন ভাষাৰ অধ্যয়ন আৰু ' সোণোৱালী বৰ অসম'ৰ জৰিয়তে সামাজিক সেৱা- আপোনাৰ কৰ্মক্ষেত্ৰ কেৱল ব্যক্তিগত সফলতাতে সীমাবদ্ধ নহয়। আপোনাৰ এই যাত্ৰাত সাহিত্য আৰু মানৱতাৰ সম্পৰ্ক কেনেদৰে গঢ় লৈ উঠিছে? যদি এদিন আপোনাৰ হাতত এখন কলম আৰু সমাজখন সলনি কৰাৰ এটা সুযোগহে থাকে, তেন্তে আপুনি প্ৰথমে কি লিখিব বিচাৰিব? আৰু সময়ৰ বুকুত জিমি বৰাই





শাৰদীয় বিশেষ

নিজৰ পৰিচয়ৰূপে কোনটো কথাক এৰি থৈ যাবলৈ বিচাৰে- এগৰাকী সফল লেখিকাৰ নাম, নে মানুহৰ হৃদয়ত জীয়াই থকা এগৰাকী সংবেদনশীল সৃষ্টিশীল ব্যক্তিৰ চিনাকি?

নাঙ জাছিঙফা ঃ এয়া নিজৰ বাবেও, আনৰ বাবেও। কাৰণ, আনক ভালপাবলৈ হ'লে, আনক কিবা এটা দিবলৈ হ'লে, প্ৰথমে নিজক ভাল পাব লাগিব, নিজক কিবা এটা দিব পাৰিব লাগিব।

সাহিত্য জীৱনৰ এটা ডাঙৰ অংশ, জীয়াই থকাৰ এক প্ৰেৰণা। আমাৰ মনটো যদি সাহিত্যৰ ৰঙেৰে সজ্জিত হৈ থাকে তেতিয়া আমাৰ মনত মানৱতাই নিজেই থিতাপি লয়। মই সাহিত্যৰ জৰিয়তে সকলোৰে মনবোৰ ধুনীয়া কৰি মানৱতা জগাই তুলিব বিচাৰিছোঁ। যাতে, ভৱিষ্যতে আমি মানুহ হৈ জীয়াই থাকিব পাৰোঁ।

যদি এদিন মোৰ হাতত এটা কলম আৰু সমাজখন সলনি কৰাৰ এটা সুযোগ থাকে তেতিয়া মই প্ৰেমৰ কথা লিখিম। কাৰণ সমস্ত পৃথিৱীখনেই প্ৰেম, আমি যে মানুহ হৈ জীয়াই থাকিব পাৰিছোঁ ইয়াৰ কাৰণো প্ৰেম। আমি যদি প্ৰেমৰ ভাষা বুজি পাওঁ তেতিয়া নিজক চিনিব পাৰিম, নিজক ভাল পাবলৈ শিকিম আৰু তেতিয়া আমৰ চকুৰে সকলোবোৰ ভাল দেখিব।

সময়ৰ বুকুত নাঙ জাছিঙফা খামছেঙ মৌ (জিমি) অৰ্থাৎ মই নিজৰ পৰিচয় ৰূপে এগৰাকী ভাল মানুহ হৈ ৰৈ যাব বিচাৰিম। এৰি থৈ যাবলৈ বিচাৰিম মানুহৰ হৃদয়ত জীয়াই থকা এগৰাকী সংবেদনশীল সৃষ্টিশীল ব্যক্তিৰ চিনাকি।

প্ৰতিনিধি ঃ শেষত আপোনাক পুনৰবাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে সদায় সুস্বাস্থ্য আৰু নিৰোগী হৈ থাকক তাৰেই কামনা কৰিলোঁ।

নাঙ জাছিঙফা ঃ আপোনালোকলৈ হৃদয়ৰ নিভৃত কোণৰ পৰা শ্ৰদ্ধা আৰু মৰম জনাইছোঁ। সকলো ভাল হওক।

সাহিত্য আৰু চলচ্চিত্ৰৰ মাজত মূল পাৰ্থক্যটো হ'ল - সাহিত্যই শব্দৰ জৰিয়তে মনৰ মাজত কাহিনীৰ বীজ সিঁচে আৰু চলচ্চিত্ৰই মনৰ মাজত চলি থকা কাহিনীবোৰ দেখুৱাই দিয়ে। সাহিত্যৰ ভাষা কেতিয়াবা গভীৰ আৰু জটিলো হ'ব পাৰে কিন্তু এখন চুটি ছবিৰ চিত্ৰনাট্য লিখোতে সহজ-সৰল কথিত ভাষাৰ ব্যৱহাৰ কৰিবলগীয়া হয় যাতে এই শব্দবোৰে মানুহক সহজতে আকৰ্ষণ কৰিব পাৰে। আচলতে দুয়োটা দিশতে সকলোবোৰ চালি জাৰি চাই উপস্থাপন কৰিবলগীয়া হয়।





শাৰদীয় বিশেষ

ভ্ৰমণ কাহিনী

ব্ৰহ্মপুত্ৰৰ বুকুত
মনত ৰৈ যোৱা এখন ভ্ৰমণ

— পাঞ্চুৰিকা শইকীয়া

ভ্ৰমণ মানেই কেৱল এখন নতুন ঠাই চোৱা নহয়। ভ্ৰমণৰ জৰিয়তে আমি নতুন মানুহক লগ পাওঁ, নতুন পৰিৱেশৰ সৈতে পৰিচিত হওঁ আৰু নিজৰ ব্যস্ত জীৱনৰ পৰা কিছু সময় আঁতৰি প্ৰকৃতিৰ সৈতে মিলি যাব পাৰোঁ। কেতিয়াবা এখন সৰু ভ্ৰমণেও মনত এনে কিছুমান স্মৃতি দি যায়, যিবোৰ বহুদিনলৈ পাহৰিব নোৱাৰি। মোৰ জীৱনতো তেনে এখন ভ্ৰমণৰ স্মৃতি হৈছে মাজুলীলৈ কৰা যাত্ৰা। এদিন হঠাতে পৰিয়ালৰ কেইজনমানৰ সৈতে মাজুলীলৈ যোৱাৰ কথা ঠিক হ'ল। বহুদিনৰ পৰা মাজুলীলৈ যোৱাৰ ইচ্ছা আছিল যদিও সময়-সুবিধাৰ বাবে যাব পৰা হোৱা নাছিল। সেইদিনা যেতিয়া যাত্ৰাৰ কথা নিশ্চিত হ'ল, তেতিয়াৰে পৰা মনটোত এক বেলেগ আনন্দ লাগিবলৈ ধৰিলে। পুৱা সোনকালেই সকলো সাজু হৈ আমি ঘৰৰ পৰা ওলালোঁ। পুৱাৰ বাটটো আছিল অতি মনোমোহা। আকাশখন পৰিষ্কাৰ আছিল আৰু বতাহত আছিল এক মৃদু শীতলতা। ৰাস্তাৰ দুয়োকাষে সেউজীয়া গছ-গছনি, পথাৰ আৰু গাঁৱৰ সহজ-সৰল পৰিৱেশ দেখি মনটো ভাল লাগি গৈছিল। বাটত পৰিয়ালৰ মানুহবোৰৰ সৈতে হাঁহি-ধেমালি আৰু কথা-বতৰাৰ মাজেৰে কেতিয়া ঘাটত উপস্থিত হ'লোঁ, গমেই নাপালোঁ। ঘাটত উপস্থিত হৈ ব্ৰহ্মপুত্ৰৰ বিশাল ৰূপ দেখি কিছু সময় থমকি ৰ'লোঁ। ইমান বিশাল নদীখন দেখিলে নিজৰ মনটোও যেন অজানিতে বিশাল হৈ পৰে। নদীৰ পানী লাহে লাহে বৈ গৈছিল আৰু দূৰত কেইবাখনো নাও চলি আছিল। কিছু সময়ৰ পিছত আমি ফেৰিত উঠিলোঁ। ফেৰিখন লাহে লাহে ঘাট এৰি নদীৰ মাজলৈ আগবাঢ়িবলৈ ধৰিলে। চাৰিওফালে কেৱল পানী



আৰু পানী। ওপৰত নীলা আকাশ আৰু মাজে মাজে উৰি যোৱা চৰাই। ফেৰিৰ পৰা নদীৰ পানীৰ ফালে চাই থাকোঁতে মনত এক অদ্ভুত শান্তি অনুভৱ হৈছিল। বতাহজাকে মুখত চুই যোৱাৰ সময়ত এনে লাগিছিল যেন বহুদিনৰ পৰা মনত জমা হৈ থকা ভাগৰবোৰ লাহে লাহে আঁতৰি গৈছে।ফেৰিৰ যাত্ৰাটো মোৰ বাবে ভ্ৰমণটোৰ আটাইতকৈ ভাল লগা অংশ আছিল। কিছুমানে ছবি তুলিছিল, কোনোবাই নদীৰ দৃশ্য চাইছিল আৰু আমি পৰিয়ালৰ মানুহবোৰে ইজনে সিজনৰ সৈতে কথা পাতি সময় কটাই ছিলোঁ। নদীৰ মাজত গৈ পিছফালে চাই দেখিছিলোঁ—আমি যি ঠাইৰ পৰা আহিছিলোঁ, সেইখন লাহে লাহে দূৰ হৈ গৈছে। আগত আছিল নতুন এখন ঠাই, নতুন কিছু অভিজ্ঞতা। মাজুলীত উপস্থিত হোৱাৰ পিছত প্ৰথমে সত্ৰ এখন চাবলৈ গ'লোঁ। সত্ৰৰ পৰিৱেশটো দেখিলেই মনটো শান্ত হৈ পৰিছিল। চাৰিওফালে এক নিৰিবিলি পৰিৱেশ। নামঘৰৰ পৰিত্ৰতা আৰু সত্ৰৰ পৰম্পৰাগত পৰিৱেশে মোক যথেষ্ট আকৰ্ষণ কৰিলে। তাত শংকৰদেৱ-মাধৱদেৱৰ বৈষ্ণৱ সংস্কৃতিৰ বিষয়ে বহু কথা জানিবলৈ পালোঁ। খোল-তাল, নাম-প্ৰসংগ, ভাওনা আৰু গায়ন-বায়নৰ সৈতে জড়িত বহু কথাই জানিব পাৰি মোৰ মনত অসমীয়া সংস্কৃতিৰ প্ৰতি আৰু অধিক সন্মান জন্মিল। ইয়াৰ পিছত আমি মাজুলীৰ গাঁও অঞ্চলৰ ফালে ওলাই গ'লোঁ। বাস্তাৰ দুয়োকাষে সেউজীয়া পথাৰ, বাঁহৰ জেওৰা, গছ-গছনি আৰু মাটিৰ ঘৰবোৰে এক সুকীয়া গাঁৱলীয়া সৌন্দৰ্য সৃষ্টি কৰিছিল। চহৰৰ ব্যস্ত জীৱনৰ পৰা সম্পূৰ্ণ পৃথক আছিল সেই পৰিৱেশ। মানুহবোৰো যথেষ্ট সহজ-সৰল যেন লাগিছিল। তেওঁলোকৰ জীৱন-যাপনত নিজৰ মাটি আৰু সংস্কৃতিৰ প্ৰতি থকা টান স্পষ্টকৈ অনুভৱ কৰিব পাৰিছিলোঁ। মাজুলীৰ পৰম্পৰাগত শিল্পকলাও মোৰ ভ্ৰমণৰ এটা আকৰ্ষণীয় অংশ আছিল। বিশেষকৈ মুখা-শিল্প, মৃৎশিল্প, বাঁহ-বেতৰ কাম আৰু

সেউজীয়া পথাৰ আৰু মুকলি আকাশৰ তলত থিয় হৈ থাকিলে মনটো বৰ মুকলি মুকলি লাগিছিল। সেই সময়ত বুজিছিলোঁ যে প্ৰকৃতিৰ ওচৰলৈ আহিলে মানুহে নিজৰ বহু সৰু-সৰু চিন্তা কিছু সময়ৰ বাবে পাহৰি যাব পাৰে। বিয়লি আমি ব্ৰহ্মপুত্ৰৰ পাৰলৈ গ'লোঁ। সেই সময়ত সূৰ্যটো পশ্চিম আকাশলৈ লাহে লাহে ঢলি গৈছিল। আকাশখন ৰঙা, কমলা আৰু হালধীয়া ৰঙেৰে ভৰি পৰিছিল। নদীৰ পানীতো সেই ৰঙৰ প্ৰতিফলন পৰি এক অপূৰ্ব দৃশ্যৰ সৃষ্টি কৰিছিল। আমি কিছু সময় নীৰৰে নদীৰ পাৰতে বহি সেই দৃশ্য উপভোগ কৰিছিলোঁ।



শাৰদীয় বিশেষ

বয়নশিল্পয়ে মোক যথেষ্ট আকর্ষণ কৰিলে। এইবোৰ কেৱল শিল্প নহয়, ইয়াৰ সৈতে বহু বছৰ পুৰণি ইতিহাস আৰু পৰম্পৰা জড়িত হৈ আছে। শিল্পীসকলে নিজৰ হাতৰ পৰিশ্ৰমেৰে এই পৰম্পৰাসমূহ জীয়াই ৰাখিবলৈ চেষ্টা কৰি থকা দেখি সঁচাকৈয়ে ভাল লাগিছিল। দুপৰীয়া সময়ত আমি কিছু সময় জিৰণি লৈ পুনৰ ওলাই গ'লোঁ। মাজুলীৰ প্ৰকৃতিৰ মাজেৰে গৈ থাকোঁতে কেতিয়াবা ৰৈ ৰৈ ফটো তুলিছিলোঁ। সেউজীয়া পথাৰ আৰু মুকলি আকাশৰ তলত থিয় হৈ থাকিলে মনটো বৰ মুকলি মুকলি লাগিছিল। সেই সময়ত বুজিছিলোঁ যে প্ৰকৃতিৰ ওচৰলৈ আহিলে মানুহে নিজৰ বহু সৰু-সৰু চিন্তা কিছু সময়ৰ বাবে পাহৰি যাব পাৰে। বিয়লি আমি ব্ৰহ্মপুত্ৰৰ পাৰলৈ গ'লোঁ। সেই সময়ত সূর্যটো পশ্চিম আকাশলৈ লাহে লাহে ঢলি গৈছিল। আকাশখন ৰঙা, কমলা আৰু হালধীয়া ৰঙেৰে ভৰি পৰিছিল। নদীৰ পানীতো সেই ৰঙৰ প্ৰতিফলন পৰি এক অপূর্ব দৃশ্যৰ সৃষ্টি কৰিছিল। আমি কিছু সময় নীৰৱে নদীৰ পাৰতে বহি সেই দৃশ্য উপভোগ কৰিছিলোঁ। কোনো বিশেষ কথা নাছিল, তথাপি সেই নীৰৱ মুহূৰ্তটো মনত বৰ ভাল লাগিছিল। সন্ধিয়া নামি অহাৰ লগে লগে আমি ঘূৰি অহাৰ প্ৰস্তুতি চলালোঁ। মনটোত অলপ বেয়াও লাগিছিল, কাৰণ মাজুলীৰ সেই শান্ত পৰিৱেশ এৰি আহিবলৈ মন যোৱা নাছিল। ফেৰিত উঠি যেতিয়া মাজুলীৰ পৰা আঁতৰি আহিছিলোঁ, তেতিয়া বাৰে বাৰে পিছলৈ চাইছিলোঁ। দূৰৈত মাজুলী লাহে লাহে সৰু হৈ গৈছিল, কিন্তু সেইদিনাৰ স্মৃতিবোৰ যেন মনত আৰু বেছি ডাঙৰ হৈ ৰৈ গৈছিল। ঘৰলৈ উভতি অহাৰ পিছতো বহুদিনলৈ মাজুলীৰ কথাবোৰ মনত ঘূৰি ফুৰিছিল। ব্ৰহ্মপুত্ৰৰ বিশালতা, ফেৰিৰ বতাহ, সত্ৰৰ শান্ত পৰিৱেশ, গাঁৱৰ সেউজীয়া পথাৰ আৰু সূর্যাস্তৰ সেই দৃশ্য— সকলোবোৰেই যেন মনৰ ভিতৰত এখন এখন ছবিৰ দৰে ৰৈ গ'ল। এই ভ্ৰমণৰ পৰা মই এটা কথা অনুভৱ কৰিলোঁ যে ভ্ৰমণ মানে কেৱল নতুন ঠাইলৈ গৈ আনন্দ কৰা নহয়। ভ্ৰমণৰ জৰিয়তে আমি নিজৰ দেশ, নিজৰ মানুহ আৰু নিজৰ সংস্কৃতিক নতুনকৈ চিনি পাব পাৰোঁ। কেতিয়াবা এখন ঠাইৰ ইতিহাসে আমাক আমাৰ শিপাৰ কথা সোঁৱৰাই দিয়ে আৰু প্ৰকৃতিয়ে আমাক জীৱনৰ সৰু সৰু সুখবোৰ অনুভৱ কৰিবলৈ শিকায়। মাজুলীলৈ কৰা সেই ভ্ৰমণ মোৰ বাবে সেয়ে কেৱল এটা সাধাৰণ যাত্ৰা নাছিল। ই আছিল প্ৰকৃতি, সংস্কৃতি আৰু আপোন মানুহৰ সৈতে কটোৱা কিছু অমূল্য সময়। আজিও মাজুলীৰ কথা মনলৈ আহিলে ব্ৰহ্মপুত্ৰৰ সেই বিশাল পানী, ফেৰিৰ বতাহ আৰু অস্ত যোৱা সূর্যটোৰ দৃশ্য চকুৰ আগত ভাঁহি উঠে। সময় পাৰ হৈ যাব, হয়তো আকৌ বহু ঠাইলৈ ভ্ৰমণ কৰিম, কিন্তু মাজুলীলৈ কৰা সেই প্ৰথম ভ্ৰমণৰ স্মৃতিটো মোৰ মনত সদায় এক বিশেষ ঠাইতে থাকিব।



শাৰদীয় বিশেষ



জেলেপি

উপকৰণ ঃ

ময়দা ঃ ১কাপ।
কর্ণফ্লাৰাৰ ঃ ১টেবুল চামুচ।
দৈ ঃ ২টেবুল চামুচ।
বেকিং পাওদাৰ ঃ ১চাহ চামুচ।
পানী ঃ জুখমতে।
চেনি ঃ ১কাপ।
ইলাচি ঃ সামান্য।
তেল ঃ জুখমতে (ভাজিবৰ বাবে)।

পদ্ধতি ঃ

এটা পাত্ৰত ময়দা, কর্ণফ্লাৰাৰ, দৈ আৰু বেকিং পাওদাৰ দি ভালদৰে মিহলাই ঘন এটা মিশ্ৰণ প্ৰস্তুত কৰি ৬/৮ঘণ্টা ঢাকোন মাৰি ৰাখিব লাগে। আন এটা পাত্ৰত চেনি, পানী আৰু ইলাচি দি চেনি পানী প্ৰস্তুত কৰিব লাগে।

কেৰাহীত তেল গৰম কৰি, ঢাকোন মাৰি ৰখা ময়দাৰ মিশ্ৰণখিনি এটা পলিথিনত ভৰাই, পলিথিনৰ তলৰ ফালে ফুটা কৰি গৰম তেলত পাক দি জেলেপি ভাজিব। তাৰপাছত দুইপিঠি ৰঙা হ'লে গৰম কৰি ৰখা চেনি পানীত ২মিনিট জেলিপি তিয়াই শেষত তুলি গৰমে গৰমে পৰিৱেশন কৰক।

ৰসগোল্লা

উপকৰণ ঃ
চানা ঃ ১লিটাৰ গাখীৰ
চেনি ঃ ১কাপ।
পানী ঃ ৪কাপ।
ময়দা ঃ ১চামুচ।
ইলাচি ঃ ২/৩টা



পদ্ধতি ঃ

গাখীৰখিনি ভালদৰে উতলাই নেমুৰ ৰস বা ভিনেগাৰ দি গাখীৰখিনি ফটাই লৈ এখন বগা কাপোৰত বান্ধি পানীখিনি চেপি গাখীৰৰ ফটাখিনি ভালদৰে মিশ্রণ কৰি ল'ব। তাৰপাছত সৰু সৰু গুল কৰি লৈ এটা পাত্রত চেনি, পানী আৰু ইলাচি দি ভালদৰে উতলাই গাখীৰখিনি দি ঢাকোন মাৰি কম জুইত ১২/১৫মিনিট ৰাখিব আৰু শেষত জুইৰপৰা নমাই ৰাখি কোমল কোমল ৰচগোল্লা পৰিৱেশন কৰিব পাৰিব।

বাবৰি

উপকৰণ ঃ
গাখীৰ ঃ ১লিটাৰ।
চেনি ঃ ১/২কাপ।
ইলাচি গুড়ি ঃ ১/২চামুচ।
কেশৰ ঃ সামান্য।
পেষ্টা বাদাম।

শাৰদীয় বিশেষ

পদ্ধতি ঃ

গাখীৰখিনি এটা পাত্ৰত কম জুইত ঘন হোৱাকৈ ভালদৰে উতলাব। তাৰপাছত চেনিখিনি দি ভালদৰে লৰাই ইলাচি আৰু কেশৰ দি পুনৰ লৰাই ঘন হ'লে জুইৰপৰা নমাই ঠাণ্ডা কৰি পেষ্টা বাদাম আৰু বাদাম কুটি দি পৰিৱেশন কৰিব পাৰিব।



— ৰেখামণি চাৰিঙীয়া

ঠিকনা ঃ লিডু, তিনিচুকীয়া (অসম)

লেখা আহ্বান

অসমীয়া বৰ্ণিলৰ আগন্তুক সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা, অনুভৱ, লিমাৰিক, এক মিনিটৰ গল্প, অনুবাদ কবিতা, হাইকু, অণুগল্প, স্বাস্থ্য, কেৰিয়াৰ, ৰেচিপি, নীলা খামৰ চিঠি, ভ্ৰমণ কাহিনী, বিনোদন আদি লেখা বিচৰা হৈছে।

আমাৰ ঠিকনা

হোৱাটচ্ এপ নম্বৰ ঃ **৮৬৩৮৮২৫৪৮৬**

ইমেইল ঃ bornilmagazine2019@gmail.com

শাৰদীয় বিশেষ